GSK S5 02 (M)
Exam Code : SKM5B

কাব্য, পুৰাণ, অনুবাদ আৰু ভাৱবোধ পৰীক্ষণ

পঞ্চম ষাণ্মাসিক

সংস্কৃত

খণ্ড ঃ ২



কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপিকা মঞ্জুলা দেৱী, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপিকা সুদেষ্ণা ভট্টাচার্য, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
ড° ইন্দিৱা শইকীয়া বৰা, সংস্কৃত বিভাগ, প্রাগজ্যোতিষ মহাবিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড° ইন্দ্রানী ডেকা, সহকাৰী অধ্যাপিকা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	**অৱিহণা যোগাইছে**
৭, ৮, ৯, ১০	ড° ভাৰতী গোস্বামী, সংস্কৃত বিভাগ, বি বৰুৱা কলেজ
১১, ১২	ড° জগদীশ শর্মা সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
১৩, ১৪	ড° কামেশ্বৰ শুক্লা, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

সম্পাদনা ঃ

বিষয়বস্তু সম্পাদনা ঃ ড° জগদীশ শর্মা, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয় (৭, ৮, ৯, ১০)
অধ্যাপিকা সুজাতা পুৰকায়স্থ, অধ্যক্ষা (সংস্কৃত বিভাগ), গুৱাহাটী বিশ্ববিদ্যালয় (১১, ১২, ১৩, ১৪)

গাঁথনিক সম্পাদনা ঃ ড° ইন্দ্রানী ডেকা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্তবিশ্ববিদ্যালয়

প্রথম প্রকাশ ঃ জুন, ২০১৯

Copyright © Krishna Kanta Handiqui State Open University

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/
For the avoidance of doubt, by applying this license KKHSOU does not waive any privileges or immunities from claims that it may be entitled to assert, nor does KKHSOU submit to the jurisdiction, courts, legal processes or laws of any jurisdiction.

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাওঁ, ৰাণী গেট, গুৱাহাটী- ৭৮১০১৭
উপমুখ্য কার্যালয় ঃ হাউচফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী - ৭৮১০০৬ ;
Web : www.kkhsou.in

খণ্ড পৰিচয় - ২

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে আগবঢ়োৱা ষাণ্মাসিক পদ্ধতিৰ স্নাতক পাঠ্যক্রমৰ সংস্কৃত বিষয়ৰ পঞ্চম ষাণ্মাসিকৰ দ্বিতীয় পাঠ্যবিষয়ৰ দ্বিতীয় খণ্ডৰ বাবে এই পাঠখিনি প্রস্তুত কৰা হৈছে। এই পাঠ্যবিষয়টিত পুৰাণ, অনুবাদ, ভাৱবোধ পৰীক্ষণ, সংস্কৃত বার্তালাপৰ বিষয়ে আলোচনা কৰা হৈছে। ইয়াত সর্বমুঠ ৮ টা অধ্যায় আছে।

পাঠ্যবিষয়টিৰ অধ্যায়সমূহ হ'ল—

অধ্যায় ৭ ঃ শ্রীমদ্ভাগৱত পুৰাণ - সাধাৰণ পৰিচয়
অধ্যায় ৮ ঃ শ্রীমদ্‌ভাগৱতপুৰাণৰ তৃতীয়স্কন্ধৰ প্রথম অধ্যায়ৰ (১-১৬ নং) পাঠ্যাংশৰ আলোচনা
অধ্যায় ৯ ঃ শ্রীমদ্ভাগৱতপুৰাণৰ তৃতীয় স্কন্ধৰ প্রথম অধ্যায়ৰ (১৭-৩৩ নং শ্লোক) পাঠ্যাংশৰ আলোচনা
অধ্যায় ১০ ঃ শ্রীমদ্‌ভাগৱতপুৰাণৰ তৃতীয়স্কন্ধৰ প্রথম অধ্যায়ৰ (২৫-৪৫ নং) শ্লোকসমূহ আৰু দ্বিতীয় অধ্যায়ৰ প্রথম পাঁচটা শ্লোকৰ আলোচনা
অধ্যায় ১১ ঃ অনুবাদ (অসমীয়া ভাষাৰ পৰা সংস্কৃত ভাষালৈ)
অধ্যায় ১২ ঃ ভাৱবোধ পৰীক্ষণ
अध्याय: १३ : संस्कृत - सम्भाषणम् (সংস্কৃত বার্তালাপ)
अध्याय १४: व्यावहारिक-संस्कृत शिक्षाभ्यास: (ব্যৱহাৰিক সংস্কৃত শিক্ষাভ্যাস)

এই খণ্ডটি অধ্যয়ন কৰোঁতে মূল পাঠৰ লগে লগে সোঁ তথা বাঁওফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব পাৰিব। এইবোৰে আপোনাক মূল পাঠত উল্লেখ কৰা দৰকাৰী ধাৰণাসমূহ সৰল অর্থত বুজি পোৱাত সহায় কৰিব। 'জানি থোৱা ভাল' বাকচবোৰৰ যোগেদি আপুনি মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ বিষয়ে জ্ঞান লাভ কৰিব। আকৌ 'অগ্রগতি নিৰীক্ষণ' যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতি সম্পর্কে স্বপৰীক্ষণৰ সুবিধা প্রদান কৰিব। অধ্যয়নৰ লগে লগে উক্ত প্রশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্রগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্রশ্ন' হিচাপে কেইটিমান আৰ্হি প্রশ্ন তুলি দিয়া হৈছে। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্রন্থসমূহ সাৰথি স্বৰূপ। আপুনি বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেইকেইখন অধ্যয়ন কৰিব পাৰিব।

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ৭ ঃ **শ্রীমদ্ভাগৱত পুৰাণ - সাধাৰণ পৰিচয়** ৯৭-১০৮

নামৰ তাৎপর্য; শাস্ত্রখনিৰ আলোচ্য বিষয়; ৰচয়িতা আৰু ৰচনাকাল ঃ ভাষ্যকাৰসকল; স্কন্ধসমূহৰ সাৰাংশ।

অধ্যায় ৮ ঃ **শ্রীমদ্ভাগৱতপুৰাণৰ তৃতীয়স্কন্ধৰ প্রথম অধ্যায়ৰ (১-১৬ নং) পাঠ্যাংশৰ আলোচনা** ১০৯-১২০

শ্রীমদ্ভাগৱতপুৰাণৰ তৃতীয় স্কন্ধৰ প্রথম অধ্যায়ৰ (১-১৬ নং) শ্লোকসমূহৰ সংস্কৃত পাঠ ঃ শ্লোকসমূহৰ গদ্যৰূপ, শ্লোকসমূহৰ অসমীয়া অনুবাদ; কেইটামান জানিবলগীয়া কথা; শব্দার্থ।

অধ্যায় ৯ ঃ **শ্রীমদ্ভাগৱতপুৰাণৰ তৃতীয় স্কন্ধৰ প্রথম অধ্যায়ৰ (১৭-৩৩ নং শ্লোক) পাঠ্যাংশৰ আলোচনা** ১২১-১৩২

শ্রীমদ্ভাগৱতপুৰাণৰ তৃতীয় স্কন্ধৰ প্রথম অধ্যায়ৰ (১৭-৩৩ নং) শ্লোকসমূহৰ সংস্কৃত পাঠ ঃ শ্লোকসমূহৰ গদ্যৰূপ, শ্লোকসমূহৰ অসমীয়া অনুবাদ; কেইটামান জানিবলগীয়া কথা; শব্দার্থ।

অধ্যায় ১০ ঃ **শ্রীমদ্ভাগৱতপুৰাণৰ তৃতীয়স্কন্ধৰ প্রথম অধ্যায়ৰ (২৫-৪৫ নং) শ্লোকসমূহ আৰু দ্বিতীয় অধ্যায়ৰ প্রথম পাঁচটা শ্লোকৰ আলোচনা** ১৩৩-১৪৪

শ্লোকসমূহৰ সংস্কৃত পাঠ ঃ শ্লোকসমূহৰ গদ্যৰূপ, শ্লোকসমূহৰ অসমীয়া অনুবাদ; কেইটামান জানিবলগীয়া কথা; শব্দার্থ।

অধ্যায় ১১ ঃ **অনুবাদ (অসমীয়া ভাষাৰ পৰা সংস্কৃত ভাষালৈ)** ১৪৫-১৫৯

অনুবাদৰ বিভিন্ন কৌশলসমূহ ঃ সংস্কৃত বাক্যসমূহৰ গাঁথনি, বাক্যত কর্ত্তা আৰু ক্রিয়াৰ প্রয়োগ, বিশেষ্য (অথবা সর্বনাম) আৰু বিশেষণৰ সংযোগ, লকাৰৰ প্রয়োগ; অনুবাদ সম্বন্ধে আৰু কিছুমান জানিবলগীয়া কথা; অনুবাদৰ নমুনা।

অধ্যায় ১২ ঃ **ভাৱবোধ পৰীক্ষণ** ১৬০-১৭৩

ভাৱবোধ পৰীক্ষণৰ সাধাৰণ কৌশলসমূহ ঃ অধ্যয়নৰ কৌশল, উত্তৰকৰণৰ কৌশল; উদাহৰণ।

অধ্যায় ১৩ ঃ **संस्कृत - सम्भाषणम् (সংস্কৃত বার্তালাপ)** ১৭৪-২০৮

नामग्रामादि-परिचय :; सम्भाषणस्य महत्त्वम्; विद्यार्थिनः दिनचर्या; अतिथेः स्वागतं सत्कारश्च; आपणात् वस्तूनाम् आनयनम्; चिकित्सकात् औषधग्रहणम्; शिक्षकात् पाठस्य पठनम्; शयन - जागरणयोः समयः; गुरोः साहाय्यम्; विभागे उपस्थितेः चिन्ता; छात्रावासे निवासार्थम् अनुरोधः; स्वास्थ्यस्य कृते परिश्रमस्य आवश्यकता।

অধ্যায় ১৪ ঃ **व्यावहारिक-संस्कृत शिक्षाभ्यासः (ব্যৱহাৰিক সংস্কৃত শিক্ষাভ্যাস)** ২০৯-২৪১

सर्वनाम-शब्दानां (अस्मद्, युष्मद्, भवत्, एतत्, तत्, किम्)प्रयोगाभ्यासः; केषाञ्चित् अव्ययपदानां प्रयोगाभ्यासः; संख्यावाचकशब्दानां प्रयोगाभ्यासः; समयवाचक-शब्दानां प्रयोगाभ्यासः; विशेष्य-विशेषण-शब्दानां प्रयोगाभ्यासः; क्त्वा-ल्यप्-तुमुन्-प्रत्ययान्तप्रयोगाः; ण्यन्तक्रियापदानां प्रयोगाभ्यासः; कर्तृ-कर्म-भाववाच्येषु प्रयोगाभ्यासः।

প্রসঙ্গ পুথিঃ (পাঠ্য বিষয়ৰ আটাইকেইটা অধ্যায়ৰ বাবে) ২৪২-২৪৩

অধ্যায় ৭ ঃ শ্রীমদ্ভাগৱত পুৰাণ - সাধাৰণ পৰিচয়

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য

৭.২ পৰিচয়

৭.৩ নামৰ তাৎপর্য

৭.৪ শাস্ত্রখনিৰ আলোচ্য বিষয়

৭.৫ ৰচয়িতা আৰু ৰচনাকাল

৭.৫.১ ভাষ্যকাৰসকল

৭.৬ স্কন্ধসমূহৰ সাৰাংশ

৭.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৭.৮ অধিক জানিবলৈ

৭.৯ অগ্রগতিৰ খতিয়ান

৭.১০ আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- শ্রীমদ্ভাগৱত পুৰাণ — নামটোৰ তাৎপর্য জানিব পাৰিব
- শ্রীমদ্ভাগৱত পুৰাণৰ আলোচ্য বিষয়ৰ সৈতে অৱগত হ'ব
- এইখন পুৰাণৰ ৰচক, ৰচনাকালৰ বিষয়ে জানিব পাৰিব
- শাস্ত্রখনৰ দ্বাদশ (১২) স্কন্ধৰ বিষয়বস্তুৰ লগত পৰিচিত হ'ব পাৰিব।

৭.২ পৰিচয়

শ্রীমদ্ভাগৱত পুৰাণ গ্রন্থখন এখন অতিকে সমাদৃত আৰু মর্যাদাপূর্ণ শাস্ত্র। ভাৰতবর্ষৰ ভিন্ ভিন্ বৈষ্ণৱ সম্প্রদায়সমূহে এই গ্রন্থখনক সমানেই পৰম পবিত্র আৰু প্রামান্য শাস্ত্রৰূপে গণ্য কৰি আহিছে। পুৰণি আধ্যাত্মিক সাহিত্যৰ সর্বশ্রেষ্ঠ ফল হ'ল এই ভাগৱত পুৰাণ। অষ্টাদশ মহাপুৰাণৰ ক্রম সংখ্যা অনুসৰি এইখন পুৰাণৰ স্থান অষ্টম। ভাগৱত পুৰাণৰ দ্বাদশ স্কন্ধত এই কথা উল্লেখ আছে। বাহ্যিক দৃষ্টিত এই গ্রন্থখন কেৱলমাত্র শাস্ত্র যেন লাগিলেও প্রকৃততে ই ভক্তি আৰু অধ্যাত্ম জ্ঞানৰ সমন্বয় প্রতিফলিত হোৱা এক অতুলনীয় গ্রন্থ। সমস্ত উপনিষদৰ সাৰমর্ম হ'ল এই শ্রীমদ্ভাগৱত পুৰাণ। ভগৱৎ তত্ত্বজ্ঞানৰ এক শ্রেষ্ঠ প্রকাশক। এই গ্রন্থৰ সর্বোৎকৃষ্ট বৈশিষ্ট্য হ'ল নৈস্কর্ম্যবাদ অর্থাৎ কর্মৰ আত্যন্তিক নিবৃত্তি। বেদান্ত দর্শনৰ বিভিন্ন শাখাবোৰে এই গ্রন্থত নিজৰ নিজৰ সমর্থন বিচাৰি পাইছে আৰু টীকাভাষ্য লিখি নিজৰ নিজৰ দৃষ্টিভংগী প্রতিপন্ন কৰিবলৈ প্রয়াস কৰি আহিছে।

পণ্ডিতসকলে শ্রীমদ্ভাগৱত পুৰাণখনক শুকৰ মুখেৰে সৰি পৰা নিগম কল্পবৃক্ষৰ ফল বুলি অভিহিত কৰিছে। এইবোৰৰ উপৰিও সৃষ্টি তত্ত্ব, বিভিন্ন ৰজা-মহাৰজাৰ বংশাৱলী, ভৌগলিক তথ্য, বিভিন্ন উপাখ্যান গীত-নৃত্য, সংস্কৃতি, বিভিন্ন দার্শনিক তথ্যৰ বিষয়েও এই পুৰাণখনে আলোচনা আগবঢ়াইছে। ভগৱান শ্রীকৃষ্ণৰ দ্বাৰা দুষ্টক দমন আৰু সত্যক ৰক্ষা কৰাৰ কাহিনীও ইয়াত বর্ণিত হৈছে। এই অধ্যায়টিত আপুনি শ্রীমদ্ভাগৱত পুৰাণৰ সাধাৰণ পৰিচয় লাভ কৰিব।

৭.৩ নামৰ তাৎপর্য

শ্রীমদ্ভাগৱত পুৰাণক চমুকৈ 'ভাগৱত পুৰাণ' বুলিও কোৱা হয়। আনহাতে এই পুৰাণখনক শ্রীমদ্ভাগৱত মহাপুৰাণ বুলিও কোৱা হয়। 'পুৰাণ' শব্দৰ অর্থ হ'ল 'পুৰণি', 'প্রাচীনকালৰ', 'পুৰণি কালৰ'। 'ভাগৱত' মানে হ'ল 'ভগৱান সম্বন্ধীয়, দেৱতা সম্পর্কীয়'। আন অর্থ হ'ল 'পৱিত্র', 'ঐশ্বৰিক', 'ভগৱদ্ভক্ত'। ভাগৱত পুৰাণ শব্দটোৱে 'ভগৱান শ্রীকৃষ্ণৰ' লীলা মাহাত্ম্য বর্ণনা সমৃদ্ধ প্রসিদ্ধ গ্রন্থ' বুজায়। এই পুৰাণখন সমস্ত উপনিষদৰ সাৰমর্ম। এই পুৰাণৰ ৰসপান কৰি পৰিতৃপ্ত হোৱা এগৰাকী ব্যক্তি অন্য কোনো বিষয়-বাসনালৈ ইচ্ছা নকৰে। ভগৱত তত্ত্ব জ্ঞানৰ এক শ্রেষ্ঠ প্রকাশক হ'ল এই পুৰাণ। কৃষ্ণ ভক্তিয়েহে মোক্ষৰ পথ দেখুৱাব পাৰে বুলি এই পুৰাণত উল্লেখ আছে। শ্রীকৃষ্ণৰ অন্তঃ প্রকৃতি আৰু বাহ্যিক আকৃতি এই সকলোবোৰেই ভক্তৰ দুখ হৰণ কৰিব পাৰে— এই কথা এই পুৰাণত উপলব্ধ।

৭.৪ শাস্ত্রখনিৰ আলোচ্য বিষয়

অষ্টাদশ মহাপুৰাণৰ ভিতৰত শ্রীমদ্ভাগৱত পুৰাণ এখন উল্লেখযোগ্য পুৰাণ। ইয়াৰ মুখ্য বিষয় ভক্তিযোগ। এইখন পুৰণত শ্রীকৃষ্ণক সকলো দেৱতাৰেই দেৱ অথবা স্বয়ং ভগৱান হিচাপে বর্ণিত কৰা হৈছে। ভগৱানৰ বিভিন্ন কথাবস্তুৰ সাৰভাগ অর্থাৎ এই পুৰাণৰ সাৰভাগ হৃদয়ংগম কৰিব পাৰিলে মোক্ষপ্রাপ্তি হয় বুলি বিদ্বানসকলে মত পোষণ কৰিছে। লগতে জন্ম-মৃত্যুৰ চক্রৰ পৰাও মুক্ত হয় বুলি কোৱা হয়। শুকদেৱৰ পৰা শ্রীমদ্ভাগৱতৰ কথা শুনিয়েই ৰজা পৰীক্ষিতৰ মোক্ষপ্রাপ্তি হয়।

শ্রীমদ্ভাগৱত পুৰাণত ১২ টা স্কন্ধ, ৩৩১ টা অধ্যায় আৰু ১৮,০০০ শ্লোক আছে। দশম স্কন্ধত ৪০০০ শ্লোক আছে এই স্কন্ধটিয়েই সর্বাধিক আলোচিত আৰু চর্চিত হয়। ভক্তি এইখন পুৰাণৰ মুখ্য বিষয় হ'লেও জ্ঞান আৰু বৈৰাগ্যৰ মহানতাও আলোচিত হৈছে। ভগৱান শ্রীবিষ্ণু আৰু ভগৱান শ্রীকৃষ্ণৰ লীলাৰ বিষয়ে বর্ণনা কৰাৰ লগত 'মহাভাৰত'ৰ আগৰ সময়ছোৱাৰ কিছুসংখ্যক ঋষি, মুনি, ৰজা-মহাৰজা, অসুৰৰ বিষয়ে এই পুৰাণত বর্ণিত হৈছে। মহাভাৰতৰ যুদ্ধ সমাপ্তিৰ পিচত ভগৱান শ্রীকৃষ্ণৰ দেহত্যাগ, দ্বাৰকাপুৰী জলমগ্ন হোৱা, যদুবংশ কেনেদৰে ধ্বংস হয় সেই সকলোবোৰ বিষয়ৰে বিস্তৃত বিৱৰণ ইয়াত পোৱা যায়।

'সত্যই সকলো ধর্মৰ সাৰ'— এই পৰম সত্যই শ্রীমদ্ভাগৱত পুৰাণত প্রতিষ্ঠা হৈছে।

সেয়েহে এই গ্ৰন্থখন দেশকালাতীত সাৰ্বজনীন অধ্যাত্ম গ্ৰন্থ হিচাপে অভিহিত কৰিব পাৰি। নাম-ৰূপ দেৱতা-ঈশ্বৰ প্ৰতিটো ধৰ্মৰ, প্ৰতিজন ব্যক্তিৰ বেলেগ বেলেগ হ'ব পাৰে, কিন্তু সত্য সকলোৰে বা উমৈহতীয়া মূল তত্ত্ব। সত্যক এৰি কোনো ধৰ্ম, কোনো সংস্কৃতি বৰ্তি থাকিব নোৱাৰে। এয়াই শ্ৰীমদ্ভাগৱত পুৰাণৰ মুখ্য আলোচ্য বিষয়।

৭.৫ ৰচয়িতা আৰু ৰচনা কাল

বেদব্যাস অৰ্থাৎ মহাভাৰতৰ প্ৰণেতাক শ্ৰীমদ্ভাগৱত পুৰাণৰ ৰচক বুলি কোৱা হয়। আনহাতে বায়ু পুৰাণত ব্ৰহ্মাক পুৰাণসমূহৰ ৰচক আৰু ভৰদ্বাজ মুনিক পুৰাণৰ প্ৰৱক্তা বুলি কোৱা হৈছে। বিষ্ণু পুৰাণত উল্লেখ আছে যে বেদব্যাসে আখ্যান, উপাখ্যান, গাথা আৰু কল্পশুদ্ধি আদিৰ লগে লগে পুৰাণো ৰচনা কৰে। ইয়াৰ পিচত বেদব্যাসে সেইসমূহ তেওঁৰ প্ৰিয় শিষ্য 'লোমহৰ্ষণ'ক অধ্যয়ন কৰায়। লোমহৰ্ষণে পুৰাণ অধ্যয়ন কৰি লাভ কৰা জ্ঞান তেওঁৰ শিষ্য অকৃতব্ৰণ সাৰ্বনি আৰু শাংখপায়নক দান কৰে তেওঁলোক তিনিওজনে মিলিত হৈ তিনিখন পুৰাণ সংহিতা ৰচনা কৰে। পিচত এই তিনিজনৰ শিষ্যসকলে ক্ৰমে ওঠৰখন মহাপুৰাণ আৰু অন্যান্য উপপুৰাণসমূহ ৰচনা কৰে। মৎস্যপুৰাণ আৰু শিৱ-পুৰাণতো এইটো উল্লেখ আছে যে সৰ্বপ্ৰথমে এখনহে পুৰাণ আছিল। যি কি নহওক শ্ৰীমদ্ভাগৱত পুৰাণৰ ৰচয়িতা হিচাপে গীতা, মহাভাৰত আদিৰ ৰচক কৃষ্ণদ্বৈপায়ন বেদব্যাসক মান্যতা দি অহা হৈছে। এই কথা ভাগৱত পুৰাণৰ প্ৰথম স্কন্ধতে উল্লেখ আছে।

কিছুসংখ্যক পণ্ডিতৰ মতে শ্ৰীমদ্ভাগৱত পুৰাণখন অষ্টম শতিকাৰ পৰা দশম শতিকাৰ ভিতৰত ৰচিত হৈছিল। আন কিছুমানৰ মতে এই গ্ৰন্থখন ষষ্ঠ শতিকাৰো আগতে ৰচিত হৈছিল। মূল গ্ৰন্থৰ ইতিমধ্যে বহুতো সংস্কৰণ ওলাই গৈছে। ভাৰতবৰ্ষৰ প্ৰায়বোৰ ভাষালৈ এই গ্ৰন্থ অনুদিত হৈছে। এইখিনিতে উল্লেখ কৰিব পাৰি যে ভাগৱত পুৰাণৰ ৰচনাকাল লৈ যথেষ্ট মতভেদ পৰিলক্ষিত হয় যদিও বেছিসংখ্যক লোকে সপ্তম শতাব্দীৰ পৰা অষ্টম শতাব্দীৰ ভিতৰত ৰচিত হৈছিল বুলি ক'ব খোজে।

৭.৫.১ ভাষ্যকাৰসকল

আমি জানো যে 'ভাষ্য' বা ব্যাখ্যা অবিহনে শাস্ত্ৰৰ গূঢ়ার্থ বুজাটো কঠিন হৈ পৰে। বিশিষ্ট পণ্ডিতসকলে অতীজৰে পৰা কঠিন ৰচনাৰাজিৰ ভাষ্য সংকলন কৰি সাধাৰণ পাঠকৰ উপকাৰ সাধন কৰি আহিছে। শ্ৰীমদ্ভাগৱত পুৰাণাৰো বহুতো ভাষ্য অথবা টীকা পোৱা যায়। এইখিনিতে ভাগৱত পুৰাণৰ ভাষ্যকাৰসকলৰ বিষয়ে বৰ্ণনা কৰা হ'ব।

শ্ৰীমদ্ভাগৱত পুৰাণৰ ভাষ্যকাৰসকলৰ ভিতৰত শ্ৰীধৰ স্বামীক প্ৰাচীনতম বুলি মান্যতা দি অহা হৈছে। বিভিন্ন বৈষ্ণৱ সম্প্ৰদায়ৰ বিদ্বানসকলে নিজৰ নিজৰ মতবাদ প্ৰকাশ কৰিবলৈ ভাগৱত পুৰাণৰ ওপৰত ব্যাখ্যা আগবঢ়াই থৈ গৈছে যদিও সকলোবোৰ

গ্ৰন্থ সম্প্ৰতি উপলব্ধ নহয়।

শ্ৰীধৰস্বামী (১৩০০ শতিকা)ৰ ভাষ্যখনৰ নাম ভাবাৰ্থ দীপিকা।

সুদৰ্শন সূৰী (১৪০০ শতিকা)য়ে ৰচনা কৰা ভাষ্যখনৰ নাম হ'ল শুকপৰীক্ষা ব্যাখ্যা। সুবোধিনী নামৰ ভাষ্য ৰচনা কৰে। শুদ্ধাদ্বৈতবাদী দাৰ্শনিক বল্লভভাচাৰ্যই (১৬০০ শতিকা)। শুদেৱাচাৰ্য্যৰ সিদ্ধান্ত প্ৰদীপ, জীৱ গোস্বামীৰ ক্ৰমসন্দৰ্ভ, বিৰাঘ্বাচাৰ্য্যৰ ভাগৱতচন্দ্ৰিকা আদি ভাগৱতপুৰাণৰ উল্লেখযোগ্য ভাষ্য।

উল্লেখীয় যে বিভিন্ন ভাষ্যকাৰে নিজ নিজ মতাদৰ্শৰ দ্বাৰা প্ৰভাৱান্বিত হৈ ভাগৱত পুৰাণৰ ভাষ্য ৰচনা কৰিলেও, এই ভাষ্যসমূহ পৰস্পৰ বিৰোধী বুলি ক'ব নোৱাৰি, ইটো সিটোৰ পৰিপূৰক হিচাপে গণ্য কৰিব পাৰি।



জানি থোৱা ভাল

(ক) 'ভাগৱতমাহাত্ম্যম্'ৰ তৃতীয় অধ্যায়ত উল্লেখ আছে— ভগৱান শ্ৰীকৃষ্ণই ভুমিভাৰ সংহাৰ কৰাৰ পিছত যেতিয়া স্বধামলৈ গমনৰ প্ৰস্তুতি চলালে, তেতিয়া পৰম ভাগৱত ভক্ত শিৰোমণি উদ্ধৱে সেই কথা গম পাই তেওঁকো লগত লৈ যাবলৈ কাকুতি মিনতি কৰিলে। ভগৱানে উদ্ধৱক ভাগৱত ভক্তিৰ উপদেশ দিয়াৰ পিছতো উদ্ধৱ আত্মস্থ হ'ব নোৱাৰিলে। প্ৰভাস ক্ষেত্ৰত উদ্ধৱৰ লগত কথোপকথন হোৱাৰ পিছত ভগৱানে ভাবিবলৈ ধৰিলে— 'ভক্তসকলৰ এই অৱলম্বনৰ বাবে মই কিবা এটা কৰা উচিত (৩/৬০)'। তেনেদৰে চিন্তা কৰি ভগৱানে নিজৰ সকলো শক্তি ভাগৱতৰ মাজত ৰাখি অন্তৰ্ধান হৈ ভাগৱত সমুদ্ৰত প্ৰৱেশ কৰিলে। (৩/৬১)। সেয়েহে ভাগৱতক ভগৱানৰ সাক্ষাৎ শব্দময়ী মূৰ্তি হিচাপে মান্যতা দিয়া হয়।

(খ) ভাগৱতৰ বক্তা আৰু শ্ৰোতা— ভাগৱতৰ তিনিযোৰ বক্তা — শ্ৰোতাৰ কথা পোৱা যায়। তাৰে প্ৰথমে যোৰ হ'ল সূত আৰু শৌনক। সূতে নৈমিষাৰণ্যত ভগৱৎ লীলা প্ৰধান এই গ্ৰন্থ শৌনকাদি ঋষিসকলক শুনাইছিল। দ্বিতীয় যোৰ বক্তা-শ্ৰোতা হ'ল নাৰদ আৰু বেদব্যাস। নাৰদৰ উপদেশমতেই ব্যাসে ভগৱানৰ কীৰ্তি কাহিনী, প্ৰেমময়ী লীলা বৰ্ণনা কৰে। আন দুগৰাকী বক্তা-শ্ৰোতা শ্ৰীশুকদেৱ আৰু হস্তিনাপুৰৰ ৰজা পৰীক্ষিত।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ শ্ৰীমদ্ভাগৱত পুৰাণত কিমানটা অধ্যায় আছে?

.....

প্ৰশ্ন নং ২ ঃ শ্ৰীমদ্ভাগৱত পুৰাণৰ দুগৰাকী ভাষ্যকাৰৰ নাম আৰু ভাষ্যৰ নাম লিখক।

.....

প্রশ্ন নং ৩ ঃ শ্রীমদ্ভাগৱত পুৰাণৰ বক্তা আৰু শ্রোতা দুগৰাকীৰ নাম লিখক।

.....

প্রশ্ন নং ৪ ঃ ব্যাসদেৱৰ প্রিয় শিষ্য এগৰাকীৰ নাম লিখক।

.....

৭.৬ শ্রীমদ্ভাগৱত পুৰাণৰ স্কন্ধসমূহৰ বিষয়বস্তুৰ সাৰাংশ

প্রথম স্কন্ধ ঃ ইয়াত সর্বমুঠ উনৈশটা অধ্যায় আছে। প্রথম স্কন্ধৰ আৰম্ভণিতে পোৱা যায় যে ভগৱান বিষ্ণু আৰু দেৱতাসকলৰ প্রিয় পুণ্যক্ষেত্র নৈমিষাৰণ্যত শৌনকাদি ঋষিসকলে কলিযুগ সমাগত বুলি জানি সহস্রবছৰ নিষ্পাদ্য এটি যজ্ঞ কৰিছিল। সেই যজ্ঞতেই এদিনাখন শৌনকাদি ঋষিসকলে মহামতি সূতক ভগৱান শ্রীহৰিৰ বিভিন্ন অৱতাৰৰ বিষয়ে সবিস্তাৰে বর্ণনা কৰিবলৈ অনুৰোধ কৰে। লগতে ধর্মৰক্ষক যোগেশ্বৰ ভগৱান শ্রীকৃষ্ণ নিজধামলৈ গতি কৰাৰ পিচত ধর্ম এতিয়া কাৰ আশ্রয়ত থাকিব সেই বিষয়েও বর্ণনা কৰিবলৈ প্রার্থনা কৰে। তেওঁলোকৰ অনুৰোধত মহামতি সূতে বিভিন্ন কাহিনী-উপকাহিনী সম্বলিত সমগ্র শ্রীমদ্ভাগৱত পুৰাণখন শুনাবলৈ আৰম্ভ কৰে। প্রথমতে ভগৱৎ ভক্তিৰ মাহাত্ম্য আৰু ভগৱানৰ বিভিন্ন অৱতাৰৰ বিষয়ে বর্ণনা কৰাৰ পিচত মহামতি সূতে শৌনকাদি ঋষিমুনিসকলৰ আগত কয় যে তেওঁ ব্যাসপুত্র মহাতেজস্বী শুকদেৱৰ ওচৰত যেনেদৰে পুৰাণৰ কথা শুনিছিল, তেনেদৰেই তেওঁ তেওঁলোকৰ সন্মুখত বর্ণনা কৰিব। ব্যাসদেৱে নাৰদৰ পৰামর্শ অনুসৰি ভগৱানৰ কীর্তি কাহিনী, তেওঁৰ প্রেমময়ী লীলা বর্ণনা কৰি পৰমসংহিতা শ্রীমদ্ভাগৱত পুৰাণ ৰচনা কৰে আৰু নিজৰ নিবৃত্তিপৰায়ণ পুত্র শুকদেৱক সমগ্র ভাগৱত পুৰাণৰ কাহিনী শুনাইছিল।

সূতে শৌনকাদি ঋষিসকলৰ আগত ৰাজর্ষি পীৰক্ষিতৰ জন্ম, কর্ম, মোক্ষ আৰু পাণ্ডৱসকলৰ স্বর্গাৰোহণৰ কাহিনী বর্ণনা কৰে। কুৰুক্ষেত্র যুদ্ধৰ সময়ত শৰশয্যাত থকা ভীষ্মৰ মৃত্যু, অর্জুনক লগত লৈ শ্রীকৃষ্ণৰ দ্বাৰকা গমন, বিদুৰৰ উপদেশত গান্ধাৰীসহ ধৃতৰাষ্ট্রৰ বনগমন, পৰীক্ষিতৰ হাতত পাণ্ডৱসকলৰ ৰাজত্ব অর্পণ আৰু মহাপ্রস্থান, পৰীক্ষিতৰ দিগ্বিজয়, পৰীক্ষিতৰ দ্বাৰা কলিযুগ দমন তথা কলিযুগৰ প্রার্থনাত চাৰিটি স্থান কলিযুগক অর্পন, শৃঙ্গীমুনিৰ দ্বাৰা মহাৰাজ পৰীক্ষিতক অভিশাপ বর্ষণ আৰু পৰীক্ষিতৰ ওচৰলৈ শুকদেৱৰ আগমন— এইখিনি প্রথম অধ্যায়ৰ সাৰাংশ।

দ্বিতীয় স্কন্ধ ঃ এইটো স্কন্ধত দহটা অধ্যায় আছে। অভিশপ্ত ৰজা পৰীক্ষিতৰ ওচৰত শুকদেৱ উপস্থিত হোৱাৰ পিচত যথাবিধি অভ্যর্থনা কৰা হোৱাত পৰীক্ষিতে শুকদেৱক বিভিন্ন বিষয়ে প্রশ্ন কৰাত শুকদেৱেও যথাযথ উত্তৰ দিয়ে। মৃত্যু-সমাগত এজন ব্যক্তিৰ কর্তব্য কি?

মানুহে কি কৰা উচিত? শ্রোতব্য কি? জপনীয় কি? স্মৰণীয় কি? ভজনীয় কি? এনেধৰণৰ বিভিন্ন প্রশ্নৰ উত্তৰ শুকদেৱে ৰজা পৰীক্ষিতৰ অনুৰোধত বর্ণনা কৰে। এনেদৰেই শুকদেৱে ভগৱান শ্রীকৃষ্ণৰ লীলা-মাধুর্য সম্বলিত ভাগৱত ৰজা পৰীক্ষিতক শুনায়। ভগৱানৰ স্থূল আৰু সূক্ষ্ম ৰূপৰ ধাৰণা, বেদত বর্ণিত সদ্যোমুক্তি আৰু ক্রমমুক্তিৰ কথা, বিভিন্ন কামনা পূৰণৰ বাবে বিভিন্ন দেৱতাৰ উপাসনাৰ কথা তথা ভগৱৎ ভক্তিৰ শ্রেষ্ঠত্বও বর্ণনা কৰে। পৰমেশ্বৰ ভগৱানৰ চৈতন্যস্বৰূপৰ দ্বাৰা নিখিল বিশ্ব প্রকাশিত হোৱাৰ বিস্তাৰিত বর্ণনা, ভগৱানৰ বিৰাটৰূপ, বিৰাটপুৰুষৰ বিভূতি, ভগৱানৰ বিভিন্ন অৱতাৰৰ বর্ণনা আছে দ্বিতীয় স্কন্ধত। ত্রিলোকৰ আদিদেৱ ব্রহ্মাই কৰা তপস্যাত সন্তুষ্ট হৈ শ্রীভগৱানে নিজৰ সর্বশ্রেষ্ঠ বৈকুণ্ঠধাম দর্শন কৰায়। লগতে ভগৱানে কেনেদৰে বিশ্বব্রহ্মাণ্ড সৃষ্টি কৰে সেইসকলোৰোৰ ব্রহ্মাক অৱগত কৰায় লগতে চতুঃশ্লোক ভাগৱতৰ উপদেশ প্রদান কৰে। ৰজা পৰীক্ষিতৰ জিজ্ঞাসু মনৰ তৃপ্তিৰ বাবে শুকদেৱে ভাগৱতৰ দশলক্ষণ বর্ণনা কৰাৰ লগতে বিৰাট পুৰুষৰ পৰা জগতৰ উৎপত্তি কেনেদৰে হৈছে তাৰো বর্ণনা ডাঙি ধৰে।

তৃতীয় স্কন্ধ ঃ তৃতীয় স্কন্ধত সর্বমুঠ তেত্রিশটা অধ্যায় আছে। বনবাসী বিদুৰৰ লগত উদ্ধৱৰ লগত কথোপকথনেৰে তৃতীয় স্কন্ধ আৰম্ভণি হৈছে। উদ্ধৱে বিদুৰৰ আগত ভগৱান শ্রীকৃষ্ণৰ বিভিন্ন লীলা বর্ণনা কৰে। ভগৱান শ্রীকৃষ্ণই আত্মতত্ত্ব প্রকাশক যি পৰমজ্ঞান উদ্ধৱক প্রদান কৰিছিল সেই জ্ঞান বিদুৰে জানিব বিচৰাত তেওঁক উদ্ধৱে মহামুনি মৈত্রেয়ৰ ওচৰলৈ যাবলৈ কয়। গঙ্গানদীৰ তীৰত বিদুৰ আৰু মৈত্রেয়ৰ মিলন হয়। বিদুৰৰ আগত মায়া শক্তিক অৱলম্বন কৰি ভগৱানে কেনেদৰে সৃষ্টি, স্থিতি আৰু প্রলয় কার্য সম্পন্ন কৰে মৈত্রেয়ই তাৰ বর্ণনা কৰে। ত্রয়োবিংশতি তত্ত্বৰ পৰা বিৰাট পুৰুষৰ উৎপত্তি, বিষ্ণুৰ নাভিকমলৰ পৰা ব্রহ্মাৰ উৎপত্তি, ব্রহ্মাৰ দ্বাৰা ভগৱানৰ স্তুতি আৰু ভগৱানৰ ব্রহ্মাক সৃষ্টি সম্পর্কীয় উপদেশ, পূর্বকল্পান্তত বিলীন হৈ থকা ভূতগণৰ ব্রহ্মাৰ দ্বাৰা সৃষ্টি আদিৰ বিষয়ে মৈত্রেয়ই বিদুৰৰ আগত বর্ণনা কৰে। মন্বন্তৰাদি কালৰ বিভাগ, ব্রহ্মাৰ নিজ সৃষ্টিৰ বিস্তাৰ, শ্রীভগৱানৰ বৰাহ অৱতাৰৰ উপাখ্যান, দক্ষকন্যা দিতিৰ গর্ভত জয়-বিজয় জন্ম, সনকাদি মুনিগনৰ জয়-বিজয়ক অভিশাপ, জয়-বিজয়ৰ পুনৰ দিতিৰ গর্ভত হিৰণ্যকশিপু আৰু হিৰণ্যাক্ষ হিচাপে জন্মলাভ, বৰাহৰূপী শ্রীভগৱানৰ হাতত হিৰণ্যাক্ষ বধ আদি বর্ণনা কৰাৰ পিচত মৈত্রেয়ই পুনৰ সৃষ্টিতত্ত্বৰ কথা আৰম্ভ কৰে। কর্দম আৰু দেৱাহুতিৰ পুত্র কপিলৰ দ্বাৰা সাংখ্য আৰু যোগৰ মাহাত্ম্য বর্ণনা তথা মহদাদি ভিন ভিন তত্ত্বৰ উৎপত্তি, অষ্টাঙ্গ-যোগ বিধি, ভক্তিযোগৰ উৎকর্ষ, জীৱৰ গতি আৰু কপিল মুনিৰ পৰা পৰমজ্ঞান লাভ কৰি কেনেদৰে মোক্ষলাভ কৰিলে তাৰ বর্ণনাৰে তৃতীয় স্কন্ধৰ সামৰণি পৰিছে।

চতুর্থ স্কন্ধ ঃ এই স্কন্ধত ৩১টা অধ্যায় আছে। তৃতীয় স্কন্ধত বিদুৰে মৈত্রেয়ৰ পৰা স্বায়ম্ভৱ মনুৰ বংশাৱলী জানিব বিচৰাত সেই স্কন্ধত দেৱাহুতিৰ পুত্র কপিল মুনি আৰু তেওঁৰ নগৰাকী কন্যাৰ বিষয়ে বিৱৰি কৈছিল। এই স্কন্ধত মনুৰ আন আন কন্যাসকলৰ কথা বর্ণনা কৰিছে। মনুৰ এগৰাকী কন্যা প্রসূতিক দক্ষই বিয়া কৰায়। দক্ষৰ কন্যা সতীক শিৱলৈ বিয়া দিয়ে। কিন্তু দক্ষ আৰু শিৱৰ মনোমালিন্য আছিল। দক্ষই অনুষ্ঠিত কৰা যজ্ঞত সতী অনিমন্ত্রিত হৈয়ো উপস্থিত হৈ পতিনিন্দা শুনিবলগীয়া হয় নিজ পিতৃৰ মুখত। অপমানিত হৈ যজ্ঞস্থলীতে সতীয়ে

দেহত্যাগ কৰে। নাৰদৰ মুখে সেই দুঃসংবাদ পাই শিৱই নিজ জটাৰ পৰা বীৰভদ্ৰ নামৰ বৃহদাকাৰ পুৰুষ সৃষ্টি কৰি যজ্ঞ ধ্বংস কৰিবলৈ দিয়ে। বীৰভদ্ৰই দক্ষৰ শিৰচ্ছেদ কৰি কৈলাসলৈ উভটি যায়। ব্ৰহ্মাদি দেৱগণ কৈলাসলৈ গৈ শিৱক ক্ৰোধসম্বৰণ কৰিবলৈ তথা দক্ষক পুনৰ্জ্জীৱন দিবলৈ প্ৰাৰ্থনা জনায়। ব্ৰহ্মাৰ প্ৰাৰ্থনাত শিৱ তুষ্ট হৈ দক্ষক পুনৰ্জীৱন দিয়ে আৰু এনেদৰে অৰ্ধসমাপ্ত দক্ষযজ্ঞ সম্পন্ন হয়। মৈত্ৰেয়ই বিদু�ৰৰ আগত স্বায়ম্ভুৱ মনুৰ বংশাৱলী বৰ্ণনা কৰিবলৈ গৈ স্বায়ম্ভুৱ মনুৰ নাতি ধ্ৰুৱৰ কাহিনী বৰ্ণনা কৰে। ধ্ৰুৱৰ বংশধৰ, বেণ, পৃথু, প্ৰচেতাসকলৰ কথা বৰ্ণনা কৰাৰ লগত মৈত্ৰেয়ই নাৰদকথিত প্ৰাচীন ইতিহাসত থকা পুৰঞ্জন নামৰ এগৰাকী ৰজাৰ কাহিনীও বৰ্ণনা কৰে। পুৰঞ্জন উপাখ্যানৰ তাৎপৰ্য, প্ৰচেতাসকলৰ প্ৰতি নাৰদৰ উপদেশ তথা তেওঁলোকৰ পৰমপদ লাভৰ বৰ্ণনাৰে চতুৰ্থ স্কন্ধ সমাপ্ত হৈছে।

পঞ্চম স্কন্ধ ঃ সৰ্বমুঠ ছাবিশটা অধ্যায় আছে পঞ্চম স্কন্ধত। নাৰদৰ পৰা পৰমজ্ঞান লাভ কৰি একনিষ্ঠ ভগৱদ্ ভক্ত প্ৰিয়ব্ৰত কিয়নো সংসাৰত আসক্ত হ'বলগীয়া হ'ল এই কথা শুকদেৱৰ পৰা ৰজা পৰীক্ষিতে জানিব বিচৰাত শুকদেৱে প্ৰিয়ব্ৰতৰ কাহিনী পঞ্চম স্কন্ধত বৰ্ণনা কৰিবলৈ আৰম্ভ কৰিছে। ৰজা প্ৰিয়ব্ৰতৰ বংশাৱলী সম্পূৰ্ণৰূপে অৰ্থাৎ প্ৰিয়ব্ৰতৰপৰা আৰম্ভ কৰি সেই বংশৰ শেষৰ জন ৰজা বৰজলৈকে শুকমুনিয়ে বৰ্ণনা কৰে। ৰজা পৰীক্ষিতৰ জিজ্ঞাসা অনুসৰি শুকদেৱে সপ্তদ্বীপ, ন খন **বৰ্ষ**, আঠোটা পৰ্বত, সাতখন পাতাল, গঙ্গানদীৰ বিৱৰণ দাঙি ধৰে। সূৰ্যৰ ৰথৰ গতিৰো বিস্তৃত বিৱৰণ দিয়া আছে পঞ্চম স্কন্ধত। সংবৎসৰ চক্ৰৰ লগতে পৃথক পৃথক গ্ৰহৰ স্থিতি আৰু গতি, শিশুমাৰ চক্ৰ আৰু নৰক অৰ্থাৎ ত্ৰিজগতৰ অন্তৰ্ৱৰ্তী দক্ষিণফালে পৃথিৱীৰ নিম্নভাগ আৰু জলৰাশিৰ ওপৰ ভাগত অৱস্থিত স্থানৰ বৰ্ণনাৰে পঞ্চম স্কন্ধৰ অন্ত পৰিছে।



বৰ্ষ - পৃথিৱীৰ ভাগ বা অংশ।

ষষ্ঠ স্কন্ধ ঃ এই স্কন্ধত মুঠ ১৯ টা অধ্যায় আছে। পঞ্চম স্কন্ধৰ শেষত নৰকৰ বৰ্ণনা শুনি নৰকত নপৰাকৈ কেনেদৰে পাপৰ পৰা উদ্ধাৰ হ'ব পাৰি ৰজা পৰীক্ষিতে শুকদেৱক তাৰ উপায় সোধাত শুকদেৱে কৃষ্ণ ভক্তিয়েই একমাত্ৰ উপায় বুলি প্ৰকাশ কৰাৰ লগতে অজামিলৰ কাহিনীও বৰ্ণনা কৰে। তৃতীয় স্কন্ধত উল্লেখ কৰা প্ৰাচীনবৰ্হিৰ প্ৰচেতস নামৰ দহজন পুত্ৰৰ বৃত্তান্ত পৰীক্ষিতৰ অনুৰোধত শুকদেৱে বিস্তাৰিত ভাৱে বৰ্ণনা কৰে। সেই প্ৰচেতসগণৰ পত্নী মাৰিষাৰ গৰ্ভত দক্ষৰ পুনৰ জন্ম হয় আৰু দক্ষৰ দ্বাৰা সৃষ্ট প্ৰজাৰেই ত্ৰিলোক পূৰ্ণ হয়। স্বৰ্গৰ ৰজা ইন্দ্ৰৰ ব্যৱহাৰত অসন্তুষ্ট হৈ দেৱগুৰু বৃহস্পতিয়ে স্বৰ্গৰাজ্য ত্যাগ কৰাত বিশ্বৰূপক দেৱতাসকলে দেৱগুৰু পদত অভিষিক্ত কৰে। প্ৰসংগক্ৰমে শুকদেৱে নাৰায়ণ কবচৰ মহিমাও বৰ্ণনা কৰে। দেৱৰাজ ইন্দ্ৰৰ দ্বাৰা বিশ্বৰূপ আৰু বৃত্ৰাসুৰ বধ আৰু পিচত ব্ৰহ্মবধ পাপৰ পৰা ইন্দ্ৰৰ মুক্তি, বৃত্ৰাসুৰৰ পূৰ্বজন্মৰ (চিত্ৰকেতু) বৃত্তান্ত, অদিতি আৰু দিতিৰ সন্তানগণ আৰু মৰুৎসকলৰ উৎপত্তি, পুংসৱন ব্ৰতৰ নিয়ম বৰ্ণনাৰে ষষ্ঠ স্কন্ধৰ অন্ত পৰিছে।

সপ্তম স্কন্ধ ঃ এই স্কন্ধত মুঠতে পোন্ধৰটা অধ্যায় আছে। তৃতীয় স্কন্ধত দিতিৰ গৰ্ভত হিৰণ্যাক্ষ আৰু হিৰণ্যকশিপুৰ জন্ম বৃত্তান্ত তথা বৰাহৰূপী বিষ্ণুৰ হাতত হিৰণ্যাক্ষৰ মৃত্যুৰ কথা ইতিমধ্যে বৰ্ণনা কৰা হৈছে। এই স্কন্ধত ভাতৃ শোকত তাপিত হোৱা হিৰণ্যকশিপুৰ কথা প্ৰথমতে বৰ্ণিত হৈছে। হিৰণ্যকশিপুৱে অনবৰতে বিষ্ণুক বধ কৰাৰ উপায় চিন্তি থাকে। কিন্তু পৰিতাপৰ



অৱধূত - সংসাৰৰ মায়ামুক্ত লোক, সন্যাসী)

কথাটো হ'ল তেওঁৰ নুমলীয়া পুত্ৰ প্ৰহ্লাদ হ'ল বিষ্ণুভক্ত। কঠোৰ তপস্যাৰে ব্ৰহ্মাক সন্তুষ্ট কৰি হিৰণ্যকশিপুৱে মানুহ, পশু, পক্ষী, দেৱতা, অসুৰ, অস্ত্ৰ-শস্ত্ৰ আদিয়ে দিন-ৰাতি-সন্ধিয়া কোনো সময়তে মাৰিব নোৱাৰা বৰ লাভ কৰে। কিন্তু পুত্ৰ প্ৰহ্লাদক বিষ্ণুভক্ত কাৰণেই মাৰিব বিচৰাত পুত্ৰই হৰিয়ে ৰক্ষা কৰিব বুলি কোৱাত হিৰণ্যকশিপুৱে হৰিক বিচাৰি স্ফটিকৰ স্তম্ভত আঘাত কৰাত তাৰ পৰা বিষ্ণুৰ নৃসিংহ অৱতাৰ ওলাই আহি হিৰণ্যকশিপুক বধ কৰে। শিৱৰ দ্বাৰা ময়দানৱে নির্মাণ কৰা ত্ৰিপুৰদহনৰ উপাখ্যান এই স্কন্ধতে আছে। মানৱ ধর্ম, বর্ণধর্ম, স্ত্রীধর্ম, ব্রহ্মচর্য্য আৰু বাণপ্রস্থ আশ্রমৰ নিয়ম। যতিধর্ম, **অৱধূত**- প্ৰ াদৰ কাহিনী, গৃহস্থই পালিব লগীয়া সদাচাৰ, এগৰাকী মোক্ষ ধর্মৰ বর্ণনাৰে এই স্কন্ধৰ অন্ত পৰিছে। এই স্কন্ধ প্ৰ াদ চৰিত্ৰৰ যুধিষ্ঠিৰ-নাৰদ সংবাদ নামেৰে অভিহিত কৰা হৈছে। কাৰণ শুকদেৱে ৰজা পৰীক্ষিতক যুধিষ্ঠিৰ আৰু নাৰদৰ মাজত হোৱা কথোপকথনখিনি হুবহু বর্ণনা কৰিছে।

অষ্টম স্কন্ধ ঃ ছাবিশটা অধ্যায় সম্বলিত অষ্টম স্কন্ধৰ আৰম্ভণিতে পৰীক্ষিতে অন্য মানুহসকলৰ লগতে অতীত বর্তমান আৰু ভৱিষ্যতত ভগৱানে সম্পন্ন কৰা কার্য তথা কৰিবলগীয়া কার্যসমূহ বর্ণনা কৰিবলৈ শুকদেৱক অনুৰোধ কৰে। ভগৱানে হৰিৰূপে অৱতাৰ লৈ গ্ৰাহৰ পৰা গজেন্দ্ৰক মুক্ত কৰাৰ উপাখ্যান, পঞ্চম মনু ৰৈৱতৰ বৃত্তান্ত আদি শুকদেৱে বিস্তাৰিতভাৱে বর্ণনা কৰে। দেৱতা আৰু ব্রাহ্মণসকলৰ মঙ্গলৰ বাবে ভগৱানৰ ওচৰত ব্রহ্মা আদি দেৱতাসকলে উপায় বিচৰাত দেৱাসুৰ একেলগ হৈ সমুদ্রমন্থন কৰাৰ উপদেশ ভগৱানে প্রদান কৰে। সেইমতে সমুদ্রমন্থন হয় তাৰ পৰা নির্গত হোৱা বিষ প্রজাৰ মঙ্গলৰ বাবে মহাদেৱে পান কৰে। ভগৱানৰ মোহিনী ৰূপৰ সহায়ত সমুদ্রমন্থনত লাভ কৰা অমৃত দেৱতাসকলেহে পান কৰে। অমৃত হৰলুকি হোৱা বাবে অসুৰসকলে দেৱতাসকলৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে। নাৰদৰ উপদেশত দেৱতাসকলে যুদ্ধ বন্ধ কৰি স্বৰ্গলৈ উভটি যায়। অমৃত বিলাবলৈ ভগৱানে যি মোহিনীৰূপ ধাৰণ কৰিছিল সেই ৰূপত মহাদেৱৰ মোহপ্রাপ্তি হয় আৰু অৱশেষত ভগৱানে স্ব-ৰূপ ধাৰণ কৰি মহাদেৱক অভ্যর্থনা জনায়। সাত মন্বন্তৰৰ বিস্তৃত বর্ণনাৰ লগতে বলি ৰজাৰ স্বর্গবিজয়, মহর্ষি কাশ্যপৰ দ্বাৰা অদিতিক পয়োব্রতৰ উপদেশ, ভগৱানৰ দ্বাৰা অদিতিক ৰৱদান, বলিৰ যজ্ঞত ভগৱানৰ বামন অৱতাৰ ৰূপে আৱির্ভাব, বামনৰ বলি ওচৰ ত্রিপাদ-ভূমি প্রার্থনা, বলিৰ দিবলৈ প্রতিজ্ঞা, শুক্রাচার্যৰ এই কার্যত বাধা, ভগৱান বিষ্ণুৰ দ্বাৰা বলিৰ বন্ধন, ভগৱানৰ দ্বাৰা বলিৰ বন্ধন মুক্তি আৰু ভগৱানৰ মৎস্য অৱতাৰ বর্ণনাৰে অষ্টম স্কন্ধৰ অন্ত পৰিছে।

নৱম স্কন্ধ ঃ এই স্কন্ধত মুঠ চৌবিশটা অধ্যায় আছে। ৰজা পৰীক্ষিতৰ অনুৰোধত শুকদেৱে সূর্যবংশীয় আৰু চন্দ্রবংশীয় ৰজাসকলৰ বংশৰ কথা বর্ণনা কৰে। কাশ্যপ আৰু দক্ষকন্যা অদিতিৰ পুত্ৰ হ'ল বিৱস্বান (সূর্য)। বিৱস্বান আৰু সংজ্ঞাৰ পুত্ৰ মনু। মনুৰ এগৰাকী নাতি অম্বৰীষে সসাগৰা পৃথিৱীৰ অধিপতি হৈয়ো সেই সকলোবোৰ তুচ্ছ জ্ঞান কৰি কৃষ্ণভক্তিতে মজি আছিল। মনুৰ আন এজন পুত্ৰ ইক্ষ্বাকু আৰু তেওঁৰ বংশ সম্পূর্ণ বিৱৰণ শুকদেৱে পৰীক্ষিতক শুনায়। এই বংশৰ শেষভাগৰ এগৰাকী ৰজা হ'ল সগৰ। কপিল মুনিৰ ক্রোধত ভস্ম হোৱা সগৰৰ পুত্রসকলক জীয়াই তুলিবলৈ সগৰৰ বংশধৰ ভগীৰথে স্বর্গৰপৰা গঙ্গীনদীক পাতাললৈ বোৱাই আনে আৰু

সেই পুত্রসকলক উদ্ধাৰ কৰে। এই ইক্ষ্বাকু বংশৰে বংশধৰ হ'ল ৰঘু, ৰঘুৰ পুত্র অজ, অজৰ পুত্র দশৰথ, দশৰথৰ পুত্র হ'ল শ্রীৰামচন্দ্র। শ্রীৰামচন্দ্রৰ সমগ্র জীৱন-চৰিত বর্ণনা কৰাৰ লগতে ইক্ষ্বাকু বংশৰ হ'বলগীয়া ৰজা সকলৰ কথাও কয়। চন্দ্রবংশীয় ৰজাসকলৰ বর্ণনা কৰোতে ক্রমান্বয়ে পৰশুৰামৰ ক্ষত্রিয় নিধন, বিশ্বামিত্র মুনিৰ বংশাৱলী, পুৰুৰবাৰ পুত্র আয়ুৰ বংশ, যযাতি-চৰিত, পুৰুবংশীয় ৰজা দুষ্মন্ত আৰু ভৰত চৰিত্র, পাঞ্চাল-কৌৰৱ-মগধদেশীয় ৰাজবংশ, অনুৰ বংশাৱলী, যদুবংশ আৰু বিদর্ভ দেশৰ ৰাজ পৰিয়ালৰ বিস্তৃত বিৱৰণ দাঙি ধৰা হৈছে।

দশম স্কন্ধ ঃ দশম স্কন্ধ পূর্বার্ধ আৰু উত্তৰার্ধ নামেৰে দুভাগত ভাগ কৰা আছে। পূর্বার্ধত ঊনপঞ্চাশ (৪৯)টা অধ্যায় আৰু উত্তৰার্ধত একচল্লিছ (৪১)টা অধ্যায় অর্থাৎ সর্বমুঠ নব্বৈ (৯০)টা অধ্যায় আছে। ভগৱান শ্রীকৃষ্ণই যদুবংশত অৱতীর্ণ হৈ কি কি লীলা কৰিছিল সেই সকলোবোৰ পৰীক্ষিতে জানিব বিচৰাত শুকদেৱে বর্ণনা কৰে। কংসৰ ভনীয়েক দেৱকী আৰু দেৱকীক কাৰাগাৰত নিক্ষেপ, বসুদেৱ আৰু দেৱকীৰ ছটা সন্তান জন্মৰ পিছতে কংসৰ দ্বাৰা বধ, দেৱকীৰ গর্ভত অষ্টম সন্তান হিচাপে ভগৱান শ্রীকৃষ্ণ প্রৱেশ, শ্রীকৃষ্ণৰ উপদেশ মতে শিশু কৃষ্ণক গোকুললৈ স্থানান্তৰ, গোকুলত শিশুকৃষ্ণৰ বিভিন্ন লীলা তথা বহুতো অসুৰ বধ, কালিয় নাগ দমন, দাবানলৰ পৰা গোপবালক আৰু পশুবোৰক শ্রীকৃষ্ণৰ দ্বাৰা ৰক্ষা, ইন্দ্রৰ কোপানলৰ পৰা ব্রজবাসীক উদ্ধাৰ কৰাৰ বর্ণনা শুনোৱাৰ পিচতে শুকদেৱে শ্রীকৃষ্ণৰ ৰাসলীলাৰ কথা আৰম্ভ কৰে। শ্রীকৃষ্ণৰ বিভিন্ন লীলাৰ কথা আৰু কৃষ্ণ আৰু বলৰাম দৰাচলতে দেৱকীৰহে পুত্র— এই বৃত্তান্ত নাৰদৰ পৰা কংসই জানিব পাৰি ৰাম-কৃষ্ণক বধ কৰাৰ ষড়যন্ত্র কৰি অক্রুৰক গোকুললৈ পঠিয়ালে ৰাম-কৃষ্ণক মথুৰালৈ আনিবৰ বাবে। অক্রুৰৰ লগত ৰাম-কৃষ্ণ দলে বলে মথুৰালৈ যাত্রা কৰে। মথুৰাত শ্রীকৃষ্ণই প্রথমতে কংসৰ সুন্দৰ দিব্য ধনু ভাঙি দুডোখৰ কৰে। কংসৰ ৰঙ্গশালাত চানুৰ, মুষ্টিকাদি মল্লযোদ্ধাসকলক বধ কৰি শ্রীকৃষ্ণই মোমায়েক কংসক বধ কৰি পিত-মাতৃ- বসুদেৱ- দেৱকীক বন্ধনমুক্ত কৰে। লগত মাতামহ উগ্রসেনকো কাৰাগাৰৰ পৰা মুকলি কৰি মথুৰাৰ ৰাজপাটত বহু�ৱায়। শ্রীকৃষ্ণৰ নির্দেশত নন্দ যশোদা আৰু গোপীসকলৰ খবৰ লবলৈ উদ্ধৱৰ ব্রজধাম যাত্রা আৰু শ্রীকৃষ্ণৰ আদেশমতেই অক্রুৰৰ হস্তিনাপুৰ গমনৰ বর্ণনাৰে দশম স্কন্ধৰ পূর্বার্ধ সামৰণি পৰিছে।

উত্তৰার্ধ ঃ শ্রীকৃষ্ণই কংসক বধ কৰা বাবে জৰাসন্ধই (কংসৰ শহুৰ) মথুৰা অৱৰোধ কৰে। জৰাসন্ধই একেৰাহে সোতৰবাৰ মথুৰা আক্রমণ কৰিও জয়লাভ কৰিব নোৱাৰিলে। বাৰে বাৰে মথুৰা আক্রমণ কৰি থকা বাবে শ্রীকৃষ্ণই দ্বাৰকাপুৰী নির্মাণ কৰি মথুৰাৰ প্রজাসৰক দ্বাৰকানগৰত থাপিলে। বলৰাম-ৰেৱতী আৰু শ্রীকৃষ্ণ-ৰুক্মিণীৰ বিবাহ সম্পন্ন হোৱাৰ পিচত কৃষ্ণৰ আদেশত বিশ্বকর্মাই পাণ্ডৱসকলৰ বাবে ইন্দ্রপ্রস্থত ধুনীয়া নগৰ নির্মাণ কৰে। শ্রীকৃষ্ণই সত্যভামা আৰু জাম্বৱতীক বিয়া কৰোৱাৰ পিচতো ষোল্ল হাজাৰ ৰাজকন্যাকো বিয়া কৰায়। ভগৱান শ্রীকৃষ্ণৰ সন্ততি অর্থাৎ নাতি অনিৰুদ্ধ আৰু বাণৰজাৰ জীয়াৰী ঊষাৰ পৰিণয়, বাণৰ লগত শ্রীকৃষ্ণৰ যুদ্ধ, ইক্ষ্বাকু বংশীয় ৰজা নৃগৰ উপাখ্যান, বলৰামৰ ব্রজগমন, শ্রীকৃষ্ণৰ হাতত কাশীৰাজ নিধন, দ্বাৰকাত নাৰদৰ শ্রীকৃষ্ণৰ গার্হস্থ্য ধর্ম দর্শন, শ্রীকৃষ্ণৰ ইন্দ্রপ্রস্থ আগমন আৰু

পাণ্ডৱসকলৰ ৰাজসূয় যজ্ঞৰ আয়োজন, ভীমৰ হাতত জৰাসন্ধ বধ, ৰাজসূয় যজ্ঞ সম্পন্ন, শিশুপাল বধ, বলৰামৰ দ্বাৰা ৰোমহর্ষণ বধ আৰু তেওঁৰ তীর্থযাত্রা, দেৱকীৰ মৃত পুত্রৰ পুনৰ জীৱন দান, সুভদ্রা হৰণ, বেদৰ তত্ত্ব কথা বর্ণন, শিৱৰ সংকট মোচন আৰু ভগৱান শ্রীকৃষ্ণৰ লীলা পৰিক্রমাৰ বিস্তৃত বর্ণনাৰে দশম স্কন্ধৰ অন্ত পৰিছে।

একাদশ স্কন্ধ ঃ এই স্কন্ধত সর্বমুঠ একত্রিশটা অধ্যায় আছে। কুৰক্ষেত্র যুদ্ধত কুৰু-পাণ্ডৱৰ মাজত কন্দল লগাই সমগ্র পৃথিৱীৰ বীৰ সকলক একত্রিত কৰি ভগৱান শ্রীকৃষ্ণই ভূমি ভাৰ হৰণ কৰিছিল যদিও যদুকুল তিস্থি থকা বাবে পৃথিৱীৰ ভাৰ নকমাৰ বাবে শ্রীকৃষ্ণই যদুকুল সংহাৰৰ কথা চিন্তা কৰিলে। সেই মতে দ্বাৰকাৰ ওচৰলৈ কশ্যপাদি ঋষিসকলক আমন্ত্রণ কৰি আনি সকলো জনালে। যদুবংশৰ যুৱকসকলৰ উদ্ভণ্ডালিত অসন্তুষ্ট হৈ ঋষিসকলে যদুবংশ ধ্বংস হ'ব বুলি অভিশাপ দিয়ে। তেনেদৰেই যদুকুল ধ্বংস হয়। নৱসিদ্ধ অর্থাৎ ন-জন যোগীশ্বৰৰ বর্ণনা নাৰদমুনিয়ে বসুদেৱক দিয়ে। মায়া আৰু মায়া তাৰণৰ উপায় নাৰদ মুনিৰ পৰা জানিব পাৰি বসুদেৱ-দেৱকীৰ মায়ামোহ দূৰ হয়। পৰম তেজস্বী অবধূত দত্তাত্রেয় আৰু ৰজা যদুৰ সংবাদৰ জৰিয়তে বিভিন্ন আসক্তিৰ পৰা কেনেদৰে মুক্ত হৈ সমদর্শী হ'ব পাৰি তাৰ বর্ণনা দিয়া হৈছে। শ্রীকৃষ্ণ আৰু উদ্ধৱ সংবাদৰ মাজেৰে বদ্ধ জীৱ, মুক্ত জীৱ আৰু ভক্তৰ লক্ষণ, সাধুসঙ্গৰ মহিমা, কর্মত্যাগৰ বিধি, ভক্তিযোগৰ মহিমা, অনিমা-মহিমা-লঘিমা আদি সিদ্ধিৰ লক্ষণত বর্ণাশ্রম ধর্ম, জ্ঞান-কর্মযোগৰ মহিমা আদিৰ বর্ণনা দিয়া হৈছে।। তত্ত্বসংখ্যা নিৰূপণ, পুৰুষ প্রকৃতিৰ বিবেক, সাংখ্যযোগ, ক্রিয়াযোগ, ভাগৱত ধর্ম নিৰূপণৰ বর্ণনাৰ লগত উদ্ধৱৰ বদৰীকাশ্রম গমনৰ বর্ণনা আছে এই স্কন্ধত। যদুবংশ ধ্বংসৰ পিচত ভগৱান শ্রীকৃষ্ণৰ স্বধামগমনৰ বিৱৰণেৰে একাদশ স্কন্ধ অন্ত পৰিছে।

দ্বাদশ স্কন্ধ ঃ এই স্কন্ধত সর্বমুঠ তেৰটা অধ্যায় আছে। শ্রীকৃষ্ণৰ বৈকুণ্ঠপ্রয়াণ অথবা স্বধাম গমনৰ পিচত কাৰ বংশই পৃথিৱী ৰাজত্ব কৰিব বুলি ৰজা পৰীক্ষিতে শুকদেৱক সোধাত শুকদেৱে কলিযুগৰ ধর্ম যে অধর্মত পৰিণত হ'ব তাকে বর্ণনা কৰে কলিযুগৰ পিচত কল্কিত অৱতাৰ হৈ পাষণ্ডসকলক নাশ কৰাৰ পিচত পুনৰ সত্য যুগ আৰম্ভ হ'ব বুলি কয়। শুকমুনিৰ পৰা প্রলয়কল্প আৰু আত্মতত্ত্বৰ জ্ঞান হোৱাৰ পিচত পৰীক্ষিতৰ সকলো সংশয় দূৰ হৈ দেহাৰ সম্বন্ধ ত্যাগ কৰি সকলো ব্রহ্মময় হ'ল। তক্ষকে ব্রাহ্মণৰ বেশ ধৰি ওচৰলৈ আহি পৰীক্ষিতক দংশন কৰে। খণ্ডতে পুত্র জন্মেজয়ে সর্পযজ্ঞ পাতি সর্পকুল সংহাৰ কৰিবলৈ লয়। বৃহস্পতিৰ অনুৰোধত সেই যজ্ঞ সমাপ্ত হয়। শুকমুনিৰ পৰা শুনা বর্ণনা অন্ত পৰাত শৌনকাদি ঋষিসকলে বেদৰ কথা শুনিবলৈ বিচৰাত সূতে বেদৰ শাখা পুৰাণৰ লক্ষণ, মার্কণ্ডেয় মুনিৰ আশ্রয় তথা তপস্যাৰ বর্ণনা, মার্কণ্ডেয় মুনিক ভগৱান শংকৰৰ বৰদান, ভগৱানৰ অঙ্গ, উপাঙ্গ আয়ুধ ৰহস্য, সূর্যৰ বিভিন্ন গণৰ বর্ণনা কৰে। শৌনকাদি ঋষিৰ অনুৰোধ মর্মে সূতে বিভিন্ন পুৰাণৰ শ্লোক সংখ্যা বর্ণনা কৰে। পৰিৱেশত শ্রীমদ্ভাগৱত পুৰাণৰ মহিমা বর্ণনাৰে দ্বাদশস্কন্ধ তথা শ্রীমদ্ভাগৱত পুৰাণৰ অন্ত পৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ কপিল মুনিৰ পিতৃ-মাতৃ কোন?

.....

প্রশ্ন নং ৬ ঃ বর্ষ শব্দৰ অর্থ লিখক।

.....

প্রশ্ন নং ৭ ঃ 'সতী' কোন?

.....

প্রশ্ন নং ৮ ঃ ষষ্ঠ স্কন্ধত কেইটা অধ্যায় আছে?

.....

প্রশ্ন নং ৯ ঃ অৱধূত শব্দৰ অর্থ কি?

.....

প্রশ্ন নং ১০ ঃ স্বর্গৰ পৰা গঙ্গানদীক পাতাললৈ কোনে বোৱাই আনিছিল?

.....

প্রশ্ন নং ১১ ঃ জৰাসন্ধক কোনে বধ কৰিছিল?

.....

প্রশ্ন নং ১২ ঃ সর্পকুল ধ্বংল কৰিবলৈ কোনে সর্পযজ্ঞ কৰিছিল?

.....



৭.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- শ্রীমদ্ভাগৱত পুৰাণ নামটোৰ তাৎপর্য জানিব পাৰিলে।
- এই পুৰাণখনৰ আলোচ্য বিষয়ৰ লগত পৰিচিত হ'ল।
- পুৰাণখনৰ ৰচক, ৰচনাকাল আৰু ভাষ্যকাৰসকলৰ বিষয়ে জানিব পাৰিলে।
- এই শাস্ত্রখনৰ আটাইকেইটা স্কন্ধৰ বিষয়বস্তুৰ লগত পৰিচিত হ'ব পাৰিলে।



৭.৮ অধিক জানিবলৈ

১) Kumar, Dr, Pushpendra (Ed) (2009) *The Srimadbhavata Mahapuranam*, Eastern Book Linkers, Delhi, 110007.

২) পোদ্দাৰ হনুমানপ্রসাদ (সম্পাদক) (২০১৫) *শ্রীশ্রী মদ্ভাগৱতমহাপুৰাণ, গীতাপ্রেম,* গোৰক্ষপুৰ।

৩) মহন্ত প্রেমকান্ত (১৯৯৩), *শ্রীমদ্ভাগৱত কথামৃত,* লয়ার্ছ বুক ষ্টল, গুৱাহাটী।



৭.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ৩৩২ টা।

২ নং প্রশ্নৰ উত্তৰ ঃ শ্রীধৱস্বামীৰ ভাবার্থদীপিকা আৰু সুদর্শন সূৰীৰ শুকপৰীক্ষা ব্যাখ্যা।

৩ নং প্রশ্নৰ উত্তৰ ঃ সূত আৰু শৌনক; শুকদেৱ আৰু পৰীক্ষিত।

৪ নং প্রশ্নৰ উত্তৰ ঃ লোমহর্ষণ।

৫ নং প্রশ্নৰ উত্তৰ ঃ কর্দম আৰু দেৱাহুতি।

৬ নং প্রশ্নৰ উত্তৰ ঃ পৃথিবীৰ ভাগ বা অংশ।

৭ নং প্রশ্নৰ উত্তৰ ঃ দক্ষ ৰজাৰ কন্যা।

৮ নং প্রশ্নৰ উত্তৰ ঃ ১৯ টা।

৯ নং প্রশ্নৰ উত্তৰ ঃ সংসাৰৰ মায়ামুক্ত লোক, সন্যাসী।

১০ নং প্রশ্নৰ উত্তৰ ঃ ইক্ষ্বাকু বংশৰ ৰজা সগৰৰ বংশধৰ ভগীৰথে।

১১ নং প্রশ্নৰ উত্তৰ ঃ দ্বিতীয় পাণ্ডৱ ভীমে।

১২ নং প্রশ্নৰ উত্তৰ ঃ পৰীক্ষিতৰ পুত্র জন্মেজয়।



৭.১০ আৰ্হি প্রশ্ন

(ক) চুটি প্রশ্ন ঃ

প্রশ্ন ১ ঃ শ্রীমদ্ভাগৱত পুৰাণৰ নামৰ তাৎপর্য লিখক।

প্রশ্ন ২ ঃ শ্রীমদ্ভাগৱত পুৰাণৰ ৰচয়িতা আৰু ৰচনাকালৰ বিষয়ে লিখক।

(খ) ৰচনাধর্মী প্রশ্ন ঃ

প্রশ্ন ১ ঃ শ্রীমদ্ভাগৱত পুৰাণৰ ভাষ্যকাৰসকলৰ বিষয়ে লিখক।

প্রশ্ন ২ ঃ শ্রীমদ্ভাগৱত পুৰাণৰ দ্বাদশ স্কন্ধৰ সাৰাংশ লিখক।

*** ***** ***

অধ্যায় ৮ ঃ শ্রীমদ্‌ভাগৱতপুৰাণৰ তৃতীয়স্কন্ধৰ প্রথম অধ্যায়ৰ (১-১৬ নং) পাঠ্যাংশৰ আলোচনা

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য

৮.২ পৰিচয়

৮.৩ শ্রীমদ্‌ভাগৱতপুৰাণৰ তৃতীয় স্কন্ধৰ প্রথম অধ্যায়ৰ (১-১৬নং) শ্লোকসমূহৰ সংস্কৃত পাঠ

৮.৩.১ শ্লোকসমূহৰ গদ্যৰূপ

৮.৩.২ শ্লোকসমূহৰ অসমীয়া অনুবাদ

৮.৪ কেইটামান জানিবলগীয়া কথা

৮.৫ শব্দার্থ

৮.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৮.৭ অধিক জানিবলৈ

৮.৮ অগ্রগতিৰ খতিয়ান

৮.৯ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- শ্রীমদ্‌ভাগৱতপুৰাণৰ তৃতীয় স্কন্ধৰ প্রথম অধ্যায়ৰ প্রথম ষোল্লটা শ্লোকৰ সংস্কৃত পাঠ অধ্যয়ন কৰিব পাৰিব
- শ্লোকসমূহৰ গদ্যৰূপ আৰু অসমীয়া অনুবাদৰ লগতো পৰিচিত হ'ব পাৰিব
- শ্লোকসমূহত উল্লিখিত কিছুমান উল্লেখযোগ্য ঋষি-মুনি তথা গুৰুত্বপূর্ণ স্থানৰ চমু পৰিচয় জানিব পাৰিব
- শ্লোকত থকা কঠিন শব্দবোৰৰ অসমীয়া শব্দার্থ জানিব পাৰিব।

৮.২ পৰিচয়

শ্রীমদ্‌ভাগৱতপুৰাণৰ তৃতীয় স্কন্ধটো অত্যন্ত গুৰুত্বপূর্ণ। তৃতীয় স্কন্ধত সর্বমুঠ ৩৩টা অধ্যায় আছে। ইয়াৰে প্রথম অধ্যায়ৰ প্রথম ষোল্লটা শ্লোকৰ সংস্কৃত পাঠ, পদৰ অন্বয়, অসমীয়া অনুবাদ, গুৰুত্বপূর্ণ শব্দসমূহৰ অর্থ আদি এই অধ্যায়টিত আগবঢ়োৱা হ'ব। বনবাসী বিদুৰৰ লগত উদ্ধৱৰ কথোপকথন তৃতীয় স্কন্ধৰ প্রথম অধ্যায়ত উপলব্ধ। অভিশাপগ্রস্ত ৰজা পৰীক্ষিতক ব্যাসনন্দন শুকদেৱে শ্রীমদ্‌ভাগৱতপুৰাণৰ কাহিনী তথা তাৰ অন্তর্নিহিত বিভিন্ন তত্ত্বৰ সহজ-

সৰল ব্যাখ্যা শুনায়। ৰজা পৰীক্ষিতৰ প্ৰশ্নৰ প্ৰত্যুত্তৰ হিচাবে প্ৰথম ষোল্লটা শ্লোকত কৌৰৱৰ দুষ্কৰ্ম, দুৰ্যোধন আদিয়ে বিদূৰক কৰা অপমানৰ বৰ্ণনা আছে। এই অধ্যায়টিৰ জৰিয়তে শ্ৰীমদ্‌ভাগৱতপুৰাণৰ লগত জড়িত বহুতো কথা জানিব পাৰিব।

৮.৩ শ্ৰীমদ্‌ভাগৱতপুৰাণৰ তৃতীয় স্কন্ধৰ প্ৰথম অধ্যায়ৰ (১-১৬ নং) শ্লোকসমূহৰ সংস্কৃত পাঠ

ভাগৱতপুৰাণত সৰ্বমুঠ বাৰটা স্কন্ধ থকা বুলি আপুনি ইতিমধ্যে গম পালে। ইয়াৰে তৃতীয় স্কন্ধৰ প্ৰথম অধ্যায়টো আমাৰ অধ্যয়নৰ বিষয়বস্তু। বনবাসী বিদূৰৰ লগত উদ্ধৱৰ কথোপকথন বৰ্ণিত হৈছে ভাগৱতপুৰাণৰ তৃতীয় স্কন্ধত। এই কথোপকথনৰ আৰম্ভণি হৈছে প্ৰথম অধ্যায়ত। এতিয়া আপোনাৰ বাবে প্ৰথম অধ্যায়ৰ সৰ্বমুঠ ষোল্লটা (১৬) শ্লোকৰ সংস্কৃত পাঠ আগবঢ়োৱা হৈছে। লগতে প্ৰতিটো শ্লোকৰে কঠিন শব্দসমূহৰ বিসন্ধি (সন্ধি ভাঙি) দেখুওৱা হৈছে। কঠিন শব্দসমূহৰ বিসন্ধি জানিলে আপোনাৰ শ্লোকবোৰ অধ্যয়ন কৰাত যথেষ্ট সুবিধা হ'ব।

শ্ৰীশুক উৱাচ

এৱমেতৎ পুৰা পৃষ্টো মৈত্ৰেয়ো ভগবান্ কিল।
ক্ষত্ৰা বনং প্ৰৱিষ্টেন ত্যক্ত্বা স্বগৃহমৃদ্ধিমৎ।। ১।।

বিসন্ধি — এৱমেতৎ = এৱম্ + এতৎ
স্বগৃহমৃদ্ধিমৎ = স্বগৃহং + ঋদ্ধিমৎ

যদ্বা অয়ং মন্ত্ৰকৃদ্‌ৱো ভগৱানখিলেশ্বৰঃ।
পৌৰবেন্দ্ৰগৃহং হিত্বা প্ৰৱিৱেশাত্মসাৎকৃতম্।। ২।।

বিসন্ধি — মন্ত্ৰকৃদ্‌ৱো = মন্ত্ৰকৃদ্ + ৱঃ
ভগৱানখিলেশ্বৰঃ = ভগৱান্ + অখিলেশ্বৰঃ
প্ৰৱিৱেশাত্মসাৎকৃতম্ = প্ৰৱিৱেশ + আত্মসাৎ + কৃতম্

ৰাজোৱাচ

কুত্ৰ ক্ষত্তুৰ্ভগৱতা মৈত্ৰেয়েণাস সঙ্গমঃ।
কদা ৱা সহ সংৱাদ এতদ্‌ৱৰ্ণয় নঃ প্ৰভো।। ৩।।

বিসন্ধি — ক্ষত্তুৰ্ভগৱতা = ক্ষত্তুঃ + ভগৱতা
মৈত্ৰেয়েণাস = মৈত্ৰেয়েণ + আস

ন হ্যল্পাৰ্থোদয়স্তস্য বিদুৰস্যামলাত্মনঃ
তস্মিন্ ৱৰীয়সি প্ৰশ্নঃ সাধুৱাদোপবৃংহিতঃ ।। ৪।।

বিসন্ধি — হ্যল্পাৰ্থোদয়স্তস্য = হি + অল্প + অৰ্থ + উদয়ঃ + তস্য
বিদুৰস্যামলাত্মনঃ = বিদুৰস্য + অমল + আত্মনঃ

সাধুবাদোপবৃংহিতঃ = সাধুৱাদ + উপবৃংহিতঃ

সূত উৱাচ

স এৱমৃষিবর্যো২য়ং পৃষ্টো ৰাজ্ঞা পৰীক্ষিতা।
প্ৰত্যাহ তং সুবহুবিৎ প্ৰীতাত্মা শ্ৰূয়াতামিতি।। ৫।।

বিসন্ধি — এৱমৃষিবর্যো২য়ং = এৱম্ + ঋষিবর্যঃ + অয়ং
শ্ৰূয়তামিতি = শ্ৰূয়তাম্ + ইতি

শ্ৰীশুক উৱাচ

যদা তু ৰাজা স্বসুতানসাধূন্
পুষ্ণন্নধর্মেণ বিনষ্টদৃষ্টিঃ।
ভ্ৰাতুর্যবিষ্ঠস্য সুতান্ বিবন্ধূন্
প্ৰবেশ্য লাক্ষাভৱনে দদাহ।। ৬।।

বিসন্ধি — স্বসুতানসাধূন্ = স্বসুতান্ + অসাধূন
পুষ্ণন্নধর্মেণ = পুষ্ণন্ + অধর্মেণ
ভ্ৰাতুর্যবিষ্ঠস্য = ভ্ৰাতুঃ + যবিষ্ঠস্য

যদা সভায়াং কুৰুদেৱদেব্যাঃ।
কেশাভিমর্শং সুতকর্ম গর্হ্যম্।
ন বাৱয়ামাস নৃপঃ স্নুষায়াঃ
স্বাস্ত্রৈর্হৱন্ত্যাঃ কুচকুঙ্কুমানি।। ৭।।

বিসন্ধি — স্বাস্ত্রৈর্হৱন্ত্যাঃ = স্বাস্ত্রৈঃ + হৱন্ত্যাঃ
দ্যূতে ত্বধর্মেণ জিতস্য সাধোঃ
সত্যাৱলম্বস্য বনাগতগস্য।
ন যাচতো২দাৎ সময়েন দায়ং
তমো জুষাণো যদজাতশত্রোঃ।। ৮।।

বিসন্ধি — ত্বধর্মেণ = তু + অধর্মেণ।
সত্যাৱলম্বস্য = সত্য + অৱলম্বস্য
যদজাতশত্রোঃ = যৎ + অজাতশত্রোঃ

যদা চ পার্থপ্ৰহিতঃ সভায়াং
জগদ্‌গুৰুর্যানি জগাদ কৃষ্ণঃ।
ন তানি পুংসামমৃতায়নানি
ৰাজোৰু মেনে ক্ষতপুণ্যলেখঃ।। ৯।।

বিসন্ধি — জগ্‌দগুৰুর্যানি = জগদ্‌গুৰুঃ + যানি
পুংসামমৃতায়নানি = পুংসাম্ + অমৃতায়নানি

যদোপহূতো ভৱনং প্ৰৱিষ্টো

মন্ত্রায় পৃষ্টঃ কিল পূর্বজেন।
অথাহ তন্মন্ত্রদৃশাং বৰীয়ান্
যন্মন্ত্রিণো বৈদুৰিকং বদন্তি।। ১০।।

বিসন্ধি — যদোপহুতো = যদা + উপহূতো
অথাহ = অথ + আহ
তন্মন্ত্রদৃশাং = তৎ + মন্ত্রদৃশাং

অজাতশত্রোঃ প্রতিযচ্ছ দায়ং
তিতিক্ষতে দুর্বিষহং তৱাগঃ।
সহানুজো যত্র বৃকোদৰাহিঃ
শ্বসন্ ৰুষা যত্ত্বমলং বিভেষি।। ১১।।

বিসন্ধি — তৱাগঃ = তৱ + আগঃ
বৃকোদৰাহিঃ = বৃকোদৰ + অহিঃ
যত্ত্বমলং = যৎ + তু + অমলং

পার্থাংস্তু দেৱো ভগৱান্মুকুন্দো
গৃহীতবান্ সক্ষিতিদেৱদেৱঃ।
আস্তে স্বপুর্যাং যদুদেৱদেৱো
বিনির্জিতাশেষনৃদেৱদেৱঃ।। ১২।।

বিসন্ধি — ভগৱান্মুকুন্দো = ভগৱান্ + মুকুন্দ

স এষ দোষঃ পুৰুষদ্বিড়াস্তে
গৃহান্ প্রৱিষ্টো যমপত্যমতা।
পুষ্ণাসি কৃষ্ণাদ্‌বিমুখো গতশ্রী
স্ত্যজাশ্বশৈৱং কুলকৌশলায়।। ১৩।।

বিসন্ধি — যমপত্যমত্যা = যম্ + অপত্যমত্যা
গতশ্রীস্ত্যজাশ্বশৈৱং = গতশ্রীঃ + ত্যজ + আশু + অশৈৱং

ইত্যুচিয়াংস্তত্র সুযোধনেন
প্রবৃদ্ধকোপস্ফুৰিতাধৰেণ।
অসৎকৃতঃ সৎস্পৃহণীয়শীলঃ
ক্ষত্তা সকর্ণানুজসৌবলেন ।। ১৪।।

বিসন্ধি — প্রবৃদ্ধকোপস্ফুৰিতাধৰেণ = প্রবৃদ্ধকোপস্ফুৰিত + অধৰেণ
সকর্ণানুজসৌবলেন = সকর্ণান্ +অনুজসৌবলনে।

ক এনমত্রোপজুহাৱ জিহ্মং
দাস্যাঃ সুতং যদ্‌বলিনৈৱ।
তস্মিন্ প্রতীপঃ পৱকৃত্য আস্তে

নির্ৱাস্যতামাশু পুৰাচ্ছ্বসানঃ।। ১৫।।

বিসন্ধি — এনমত্রোপজুহাৱ = এনম্ + অত্র + উপজুহাৱ

নির্ৱাস্যতামাশু = নির্ৱাস্যতাম্ +আশু

পুৰাচ্ছ্বসানঃ = পুৰাৎ + শ্বসানঃ

স ইত্থমত্যুল্‌বণকর্ণবাণৈ—

ভ্রাতুঃ পুৰো মর্মসু তাড়িতোহপি।

স্বয়ং ধনুর্দ্ধাৰি নিধায় মায়াং

গতব্যথোহয়াদুরু মানযানঃ ।। ১৬।।

বিসন্ধি — তাড়িতোহপি = তাড়িতঃ + অপি

ধনুর্দ্ধাৰি = ধনুঃ + দ্ধাৰি

গতব্যথোহয়াদুরু = গতব্যথঃ + অয়াৎ + উরু



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ শ্রীমদ্ভাগৱতপুৰাণৰ তৃতীয় স্কন্ধৰ প্রথম শ্লোকটো মুখস্থ লিখক।

.....

.....

প্রশ্ন নং ২ ঃ তলৰ শব্দকেইটাৰ বিসন্ধি লিখক।

ক্ষত্তুর্ভগৱতা ; পুষ্ণন্নধর্মেণ ; স্বাস্ত্রৈহৱন্ত্যা

যদজাতশত্রোঃ ; যত্ত্বমলং; পুৰচ্ছ্বসানঃ ;

.....

.....

.....

৮.৩.১ শ্লোকসমূহৰ গদ্যৰূপ

পুৰা ঋদ্ধিমৎ স্বগৃং ত্যক্ত্বা বনং প্রৱিষ্টেন ক্ষত্রা ভগৱান্ মৈত্রেয়ঃ এৱম্ এতৎ কিল পৃষ্টঃ।। ১।।

যদ্বা অয়ং মন্ত্রকৃৎ ভগৱান্ অখিলেশ্বৰঃ ৱঃ পৌৰৱেন্দ্রগৃহং হিত্বা আত্মসাৎকৃতম্ প্রৱিৱেশ।। ২।।

প্রভো! ভগৱতা মৈত্রেয়েণ সহ ক্ষত্তুঃ কুত্র সঙ্গমঃ বা কদা সংবাদ আস এতদ্ নঃ বর্ণয়।। ৩।।

অমলাত্মনঃ বিদুৰস্য ৱৰীয়সি প্রশ্ন ন হি তস্য অল্প অর্থ উদয়ঃ, তস্মিন্ সাধুবাদঃ উপবৃংহিতঃ।। ৪।।

ৰাজ্ঞা পৰীক্ষিতা এৱং পৃষ্টঃ ঋষিবর্যঃ সুবহুবিৎ প্রীতাত্মা তং প্রতি আহ— শ্রূয়তাম্ ইতি।। ৫।।

যদা বিনষ্টদৃষ্টি ৰাজা তু অধর্মেণ অসাধূন্ স্বসুতান্ পুৰণান্ যৱিষ্ঠস্য ভ্রাতুঃ সুতান্ বিবন্ধূন্ লাক্ষাভৱনে প্রৱেশ্য দদাহ।। ৬।।

যদা সভায়াং কুৰুদেৱদেৱ্যাঃ স্নুষায়াঃ কেশাভিমর্শং স্বাস্ত্রৈঃ হৰন্ত্যাঃ কুচকুঙ্কুমানি নৃপঃ গর্হ্যম্ সুতকর্ম ন বাৰয়ামাস।। ৭।।

দ্যূতে তু অধর্মেণ জিতস্য সাধোঃ সত্য অবলম্বস্য বনাগতস্য যাচতঃ দায়ং সময়েন যদ্ তম্ অজাতশত্রোঃ জুষাণঃ ন অদাৎ।। ৮।।

যদা পার্থপ্রহিতঃ জগদ্গুৰুঃ কৃষ্ণ যানি সভায়াং জগাদ্, তানি পুংসাম্ অমৃতায়নানি ৰাজোৰু, ক্ষতপুণ্যলেশঃ ন মেনে ।। ৯।।

যদা পূর্বজেন মন্ত্রায় উপহূতঃ ভৱনং প্রবিষ্টঃ পৃষ্টঃ কিল, অথ যৎ মন্ত্রদৃশাং ৰৰীয়ান্ আহ তৎ মন্ত্রিণঃ বৈদুৰিকং বদন্তি।। ১০।।

অজাতশত্রোঃ দায়ং প্রতিযচ্ছ, তব দুর্বিষহং আগঃ তিতিক্ষত, যত্র বৃকোদৰাহি অলং বিভেষি, যৎ সহানুজ শ্বসন্ ৰুষা ।। ১১।।

সঃ দেৱঃ ভগৱান্ মুকুন্দঃ, ক্ষিতিদেৱদেৱঃ, যদুদেৱদেৱঃ, বিনির্জিতঃ অশেষনৃদেৱদেৱঃ, পার্থান্ তু স্বপুর্য্যাম্ আস্তে ।। ১২।।

এষঃ দোষঃ পুৰুষদ্বিড়াঃ, যম্ অপত্যমত্যা পুষ্ণাসি তে গৃহান্ প্রবিষ্টঃ, কৃষ্ণাৎ বিমুখঃ গতশ্রীঃ, কুলকৌশলায় আশু অশৈবং ত্যজ।। ১৩।।

তত্র ইতি উচিবান্ ক্ষত্তা, সৎস্পৃহণীয় শীলঃ সুযোধনেন সকর্ণ অনুজসৌবলেন প্রবৃদ্ধ কোপ স্ফু�ৰিত অধৱেণ অসৎকৃতঃ ।। ১৪।।

কঃ এনং জিহ্মাং দাস্যাঃ সুতং অত্র উপজুহাৱ? যদ্ বলিনৈৱ পুষ্টঃ তস্মিন্ প্রতীপঃ পৰকৃত্য আস্তে, শ্বসানঃ, পুৰাৎ আশু নির্বাস্যতাম্ ।। ১৫।।

সঃ ভ্রাতুঃ পুৰঃ উল্বকর্ণবাণৈঃ ইত্থং মর্মসু তাড়িতঃ অপি মায়াং নিধায় গতব্যথঃ অয়াদুৰু স্বয়ং ধনুঃ দ্বাৰি মানয়ানঃ।। ১৬।।

৮.৩.২ শ্লোকসমূহৰ অসমীয়া অনুবাদ

শ্রীশুকদেৱে কৈছিল—

পুৰণি কালত ধন-সম্পত্তিৰে পৰিপূর্ণ নিজগৃহ ত্যাগ কৰি বনত প্রৱেশ কৰিবলৈ ওলোৱা বিদুৰে মহামুনি মৈত্রেয়ক এনেধৰণৰ প্রশ্ন সুধিছিল।। ১।।

পাণ্ডৱসকলৰ উপদেষ্টা, বিশ্বব্রহ্মাণ্ডৰ অধিপতি, ভগৱান শ্রীকৃষ্ণই নিজৰ দৌত্যকর্ম স্বীকাৰ কৰি দুর্যোধনৰ ওচৰলৈ গৈছিল আৰু তেওঁৰ গৃহ পৰিত্যাগ কৰি নিজৰ ঘৰ বুলি এই বিদূৰৰ ঘৰতেই প্রৱেশ কৰিছিল।। ২।।

ৰজাই কৈছিল—

হে প্ৰভু! বিদুৰে মহৰ্ষি মৈত্ৰেয়ক ক'ত কেতিয়া লগ পাইছিল আৰু তেওঁলোকৰ মাজত হোৱা কথোপকথনৰ বৰ্ণনা মোক দিয়ক।। ৩।।

নিৰ্মল হৃদয়ৰ বিদুৰৰ মহৎ প্ৰশ্নটো মৈত্ৰেয়ই সাধুসকলৰ দ্বাৰা অভিনন্দিত কৰি তাৰ উৎকৰ্ষতা সাধন কৰিছিল।। ৪।।

সূতে কৈছিল—

ৰজা পৰীক্ষিতৰ এনেধৰণৰ প্ৰশ্নত বহুজ্ঞানী শুকদেৱ প্ৰসন্ন হ'ল আৰু তেওঁ ৰজাক সহৃদয়তাৰে প্ৰত্যুত্তৰ দি ক'লে— 'শুনক'— এই বুলি।। ৫।।

শ্ৰীশুকদেৱে কৈছিল—

(এই কাহিনী সেই সময়ৰ) যেতিয়া ৰজা ধৃতৰাষ্ট্ৰই নিজ পুত্ৰসকলক অধৰ্ম কৰিবৰ বাবে উৎসাহিত কৰিছিল আৰু মৃত সৰু ভ্ৰাতৃৰ অসহায় পুত্ৰসকলক লাক্ষাগৃহলৈ পঠিয়াই জলাই দিয়াৰ ব্যৱস্থা কৰিছিল।। ৬।।

যেতিয়া দ্ৰৌপদীক (যুধিষ্ঠিৰৰ ধৰ্মপত্নী) তেওঁৰ (ধৃতৰাষ্ট্ৰৰ) পুত্ৰ দুঃশাসনে কেশাকৰ্ষণ কৰি ৰাজসভালৈ লৈ আহিছিল, তেতিয়া চকুৰ পানীৰে তেওঁৰ বক্ষস্থল তিতি গৈছিল, অশ্ৰুধাৰাই স্তনলিপ্ত কুঙ্কুমাদি ধুই নিছিল, (সেই অৱস্থাতো) ধৃতৰাষ্ট্ৰই নিজ পুত্ৰক গৰ্হিত কৰ্মৰ পৰা বিৰত কৰা নাছিল।। ৭।।

(দুৰ্যোধনে) অন্যায়ভাৱে সত্যনিষ্ঠ যুধিষ্ঠিৰক পাশাখেলত পৰাজিত কৰি বনবাসলৈ পঠিয়াইছিল, কিন্তু প্ৰতিজ্ঞা পালন কৰি বনবাসৰ পৰা উভতি অহাৰ পিছত প্ৰাপ্য অংশ প্ৰাৰ্থনা কৰাত, দুৰ্যোধনৰ পোষণকাৰী ধৃতৰাষ্ট্ৰই অজাতশত্ৰু যুধিষ্ঠিৰক একো দিয়া নাছিল।। ৮।।

যেতিয়া পাৰ্থৰ দ্বাৰা প্ৰেৰিত জগৎগুৰু শ্ৰীকৃষ্ণই যিবোৰ সাধুবাক্য কৈছিল, তেতিয়া ভীষ্ম প্ৰভৃতি সৎ পুৰুষসকলৰ ওচৰত সেইবোৰ অমৃতময় আছিল, কিন্তু সকলো পুণ্য নষ্ট হৈ যোৱা ধৃতৰাষ্ট্ৰই তাৰ অলপো গুৰুত্ব নিদিলে।। ৯।।

যেতিয়া পৰামৰ্শৰ বাবে আমন্ত্ৰিত মন্ত্ৰি শ্ৰেষ্ঠ বিদুৰ মন্ত্ৰণা-গৃহত প্ৰৱেশ কৰি জ্যেষ্ঠভ্ৰাতা ধৃতৰাষ্ট্ৰৰ প্ৰশ্নৰ উত্তৰ হিচাপে যিবোৰ পৰামৰ্শ দিছিল, নীতিশাস্ত্ৰবিশাৰদসকলে সেই মন্ত্ৰণাকেই 'বিদুৰ-নীতি' নামে স্বীকৃতি দিছে।। ১০।।

(বিদুৰে ক'লে)— অজাতশত্ৰু যুধিষ্ঠিৰক তেওঁৰ প্ৰাপ্য অংশ ঘু�ৰাই দিয়ক, আপোনাৰ অসহনীয় অপৰাধো (তেওঁ) সহ্য কৰিছে, কালসৰ্পস্বৰূপ বৃকোদৰকো আপুনি ভীষণ ভয় কৰে, যিজনে কনিষ্ঠ ভ্ৰাতৃসকলৰ সৈতে প্ৰতিশোধ ল'বৰ বাবে ক্ৰোধবশতঃ দীৰ্ঘনিশ্বাস এৰি আছে।। ১১।।

(আপুনি নাজানে) ব্ৰহ্মাণ্ডৰ ঈশ্বৰ, যদুকুলপতি, বহুতো ৰজা-মহাৰাজাক পৰাস্ত কৰোতে, নিজা নগৰী দ্বাৰকাত অৱস্থান কৰি থকা ভগৱান শ্ৰীকৃষ্ণক কুন্তীপুত্ৰসকল আপোন কৰি লৈছে।। ১২।।

পুত্ৰহিচাপে যাক (দুৰ্যোধনক) আপুনি লালন-পালন কৰিলে, সেই দুৰ্যোধনৰূপী

অনৰ্থ আপোনাৰ ঘৰত প্ৰৱেশ কৰিছে, (দুৰ্যোধন) কৃষ্ণবিদ্বেষী হোৱা বাবে (আপুনি) হতশ্ৰী হৈছে। গতিকে বংশৰ মঙ্গলৰ বাবে অতি সোনকালে (দুৰ্যোধনক) পৰিত্যাগ কৰক।। ১৩।।

সজ্জনাকাঙ্ক্ষিত, চৰিত্ৰবান বিদুৰে (ধৃতৰাষ্ট্ৰৰ ওচৰত) এনেদৰে কোৱা মাত্ৰেই কৰ্ণ, দুঃশাসন আৰু শকুনিৰ লগতে প্ৰচণ্ড খণ্ডত দুৰ্যোধনৰ অধৰ কম্পিত হ'বলৈ ধৰিলে আৰু বিদুৰক অপমান কৰিলে।। ১৪।।

(দুৰ্যোধনে ক'লে) অতি কুটিল মনৰ এই দাসীপুত্ৰক ইয়ালৈ কোনে আনিলে? যাৰ অন্নেৰে প্ৰতিপালিত হৈ আছে তেওঁৰেই বিৰুদ্ধাচৰণ কৰি শত্ৰুপক্ষৰ মঙ্গল চিন্তাত ব্যস্ত হৈ আছে। (গতিকে) প্ৰাণে নামাৰি তেওঁক এতিয়াই নগৰৰ পৰা বহিষ্কাৰ কৰক ।। ১৫।।

জ্যেষ্ঠ ভ্ৰাতৃৰ সন্মুখত কৰ্ণকুহৰপ্ৰবিষ্ট বাণৰ নিচিনা তীব্ৰ যন্ত্ৰণাদায়ক এনেকুৱা তিৰস্কাৰপূৰ্ণ বাক্যৰ দ্বাৰা মৰ্মাহত হৈয়ো (ঈশ্বৰৰ মোহিনী) মায়া বুলি ভাবি মনৰ দুখক সংযত কৰি নিজৰ ধনুখন ৰাজনগৰীৰ দৰজাত থৈ হস্তিনাপুৰ এৰি গুচি গ'ল।। ১৬।।

৮.৪ কেইটামান জানিবলগীয়া কথা

(ক) **শ্ৰীশুকদেৱ** — ব্যাস মুনিৰ পুত্ৰ। শুকদেৱ বা শুকমুনি জন্মৰে পৰা মহাজ্ঞানী, দাৰ্শনিক পণ্ডিত আছিল। চিৰ-ব্ৰহ্মচাৰী, কঠোৰ সংযমী শুকমুনিৰ মন স্বৰ্গৰ অপ্‌সৰা ৰম্ভাই প্ৰেম নিবেদন কৰিও টলাব পৰা নাছিল। শুকমুনিয়ে অভিশাগ্ৰস্ত পৰীক্ষিত ৰজাক শ্ৰীমদ্‌ভাগৱত পুৰাণ শুনাইছিল।

(খ) **ক্ষত্ত্ব (বিদুৰ)** — দাসীপুত্ৰ। ব্যাসৰ ঔৰসত এগৰাকী দাসীৰ গৰ্ভত বিদুৰৰ জন্ম হয়। বিদুৰ অতি জ্ঞানী আছিল। কৌৱৰৰ মন্ত্ৰী আছিল যদিও বিদুৰে পাণ্ডৱক বেছি ভাল পাইছিল আৰু পাণ্ডৱসকলক বহুতো বিপদ-আপদৰ পৰা ৰক্ষা কৰিছিল।

(গ) **মৈত্ৰেয়** — এগৰাকী মুনি। পৰাশৰ মুনিৰ শিষ্য।

(ঘ) **পৰীক্ষিত** — অভিমন্যু আৰু উত্তৰাৰ পুত্ৰ। তৃতীয় পাণ্ডৱ অৰ্জুনৰ নাতি। কুৰুক্ষেত্ৰ যুদ্ধৰ শেষ অৱস্থাত দ্ৰোণাচাৰ্য্যৰ পুত্ৰ অশ্বত্থামাই ব্ৰহ্মাস্ত্ৰ নিক্ষেপ কৰি উত্তৰাৰ গৰ্ভস্থ সন্তানক ভস্মীভূত কৰে যদিও ভগৱান শ্ৰীকৃষ্ণই সেই সন্তানক পুনৰ্জীৱন দান কৰে আৰু সেই সন্তানৰ নাম পৰীক্ষিত ৰাখে। যুধিষ্ঠিৰৰ পিছত পৰীক্ষিত হস্তিনাপুৰৰ ৰজা হয়। সৰ্পৰাজ তক্ষকৰ দংশনত পৰীক্ষিতৰ মৃত্যু হয়।

(ঙ) **ধৃতৰাষ্ট্ৰ** — কুৰুবংশীয় ৰজা বিচিত্ৰবীৰ্য্যৰ বিধৱা পত্নীত ব্যাসৰ ঔৰসজাত সন্তান। দুৰ্যোধন, দুঃশাসনাদি এশ পুত্ৰৰ পিতৃ। জন্মান্ধ ধৃতৰাষ্ট্ৰ কুৰুবংশৰ জ্যেষ্ঠ। পাণ্ডু আৰু বিদুৰৰ ককায়েক আৰু গান্ধীৰীৰ স্বামী।

(চ) **লাক্ষাভৱন** — জতুগৃহ। লাৰে বনোৱা ঘৰ। বাৰাণাবত নামৰ চহৰখনত দুৰ্যোধনৰ আদেশত পাণ্ডৱসকলৰ বাবে এই গৃহটো নিৰ্মাণ কৰা হৈছিল, যাতে গোপনে পাণ্ডৱসকলক গৃহৰ

ভিতৰতে ভস্মীভূত কৰিব পাৰে। মাতৃ কুন্তীৰে সৈতে পঞ্চপাণ্ডৱ সেই গৃহত বাস কৰিছিল যদিও দুৰ্যোধনৰ পৰিকল্পনা সফল হোৱা নাছিল। মহামতি বিদুৰে সকলোবোৰ জানি এজন দূত পঠিয়াই যুধিষ্ঠিৰক দুৰ্যোধনৰ ষড়যন্ত্ৰৰ কথা আগতীয়াকৈ জনাই দিয়ে। সেইমতে পাণ্ডৱসকলে গোপন সুৰঙ্গ খান্দি সেই গৃহৰ পৰা পলায়ন কৰে। মহাভাৰতৰ আদিপৰ্বত ইয়াৰ উল্লেখ আছে।

(ছ) হস্তিনাপুৰ — কুৰুবংশীয় ৰজাসকলৰ ৰাজ্যৰ ৰাজধানী। হস্তিন নামৰ এজন ৰজাই এই চহৰখন প্ৰতিষ্ঠা কৰিছিল বুলি জনা যায়।

৮.৫ শব্দাৰ্থ

ইয়াত আপুনি শ্ৰীমদ্ভাগৱতপুৰাণৰ তৃতীয় স্কন্ধৰ প্ৰথম অধ্যায়ৰ প্ৰথম ষোল্লটা (১-১৬) শ্লোকত থকা কিছুমান টান শব্দৰ অৰ্থৰ লগত পৰিচিত হ'ব।

শব্দ		অৰ্থ
ঋদ্ধিমৎ	=	ঐশ্বৰ্য্যশালী, সকলো ধন-সম্পত্তিৰে পৰিপূৰ্ণ
মন্ত্ৰকৃৎ	=	উপদেষ্টা, মন্ত্ৰণাদাতা
অখিলেশ্বৰঃ	=	বিশ্বব্ৰহ্মাণ্ডৰ অধিপতি
পৌৰৱেন্দ্ৰ	=	পুৰুবংশৰ অধিপতি।
অমলাত্মনঃ	=	নিৰ্মল হৃদয়যুক্ত
বৰীয়সি	=	উৎকৰ্ষ
উপবৃংহিতঃ	=	অভিনন্দিত হোৱা
ঋষিবৰ্যঃ	=	ঋষিশ্ৰেষ্ঠ, বহুজ্ঞানী
পুষ্ণন্	=	উৎসাহিত কৰা
যৱিষ্ঠ	=	কনিষ্ঠ
বিনষ্টদৃষ্টি	=	যাৰ দৃষ্টিশক্তি লোপ পাইছে, অন্ধ
স্বসুতান্	=	নিজ পুত্ৰ সকলক
বিবন্ধু	=	পুত্ৰবধু, বোৱাৰী
অস্ৰ	=	চকুলো
দ্যূত	=	পাশাখেল
যাচতঃ	=	প্ৰাৰ্থনা কৰা
দায়	=	অংশ, ভাগ
প্ৰাৰ্থপহিতঃ	=	পাৰ্থৰ দ্বাৰা প্ৰেৰিত
ক্ষতপুণ্যলেশঃ	=	যাৰ পুণ্য বিনষ্ট হৈছে
উপহুত	=	আমন্ত্ৰিত
মন্ত্ৰদৃশ্	=	ঋষি, মুনি

অজাতশত্রুঃ	=	যাৰ কোনো শত্রু নাই। যুধিষ্ঠিৰৰ এটা নাম।
দুর্বিষহং	=	অসহনীয়
তিতিক্ষত	=	সহ্য কৰা
স্বপুর্যাং	=	নিজ নগৰত
বিনির্জিত	=	পৰাজিত কৰা
কুলকৌশলায়	=	বংশৰ মঙ্গলৰ বাবে
অশৈৱ	=	অমঙ্গলজনক
স্কুৰিত	=	কম্পিত
জিহ্ম	=	কুটিল
উপজুহাব	=	আনা
আশু	=	শীঘ্ৰে
অত্যুল্বন	=	অতি কঠোৰভাৱে



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ পৰীক্ষিত ক'ৰ ৰজা আছিল?

.....

প্রশ্ন নং ৪ ঃ উত্তৰাৰ গর্ভস্থ সন্তানক কোনে ভস্মীভূত কৰিছিল?

.....

প্রশ্ন নং ৫ ঃ 'ঋদ্ধিমৎ' শব্দটোৰ অর্থ লিখক।

.....

প্রশ্ন নং ৬ ঃ বিদুৰে ধৃতৰাষ্ট্রক কিয় দুর্যোধনক পৰিত্যাগ কৰিবলৈ কৈছিল?

.....

প্রশ্ন নং ৭ ঃ তলত দিয়া শব্দবোৰৰ অর্থ লিখক—

মন্ত্রকৃৎ, যৱিষ্ঠ, বিৱন্ধু, উপহৃত, তিতিক্ষত, অশৈৱ, জিহ্ম।

.....



৮.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- শ্রীমদ্‌ভাগৱতপুৰাণৰ তৃতীয় স্কন্ধৰ প্রথম অধ্যায়ৰ প্রথম ষোল্লটা শ্লোকৰ সংস্কৃত পাঠ জানিলে।

- শ্লোকসমূহৰ গদ্যৰূপ আৰু অসমীয়া অনুবাদো জানিব পাৰিলে।
- শ্লোকসমূহত থকা কিছুমান ঋষি-মুনি আৰু গুৰুত্বপূৰ্ণ স্থানৰ চমু পৰিচয় জানিব পাৰিলে।
- শ্লোকত থকা কঠিন শব্দবোৰৰ অসমীয়া অৰ্থ জানিব পাৰিলে।



৮.৭ অধিক জানিবলৈ

১) পোদ্দাৰ, হনুস্মানপ্ৰসাদ (২০১৫); শ্ৰীমদ্ভাগৱত-মহাপুৰাণ, গোৰক্ষপুৰ, গীতাপ্ৰেস।

২) বিদ্যালঙ্কাৰ, শশিভূষণ (২০০৭); পৌৰাণিক অভিধান, কলকাতা-৬, সদেশ, ১০১ বি, বিবেকানন্দ ৰোড।

৩) Joshi, K. L. (2011) ed. : *Srimadbhagavat-mahapuranam*, Delhi : Parimal Publication.

৪) Krishnamacharior (2004) : *History of Classical Sanskrit Literature*; Delhi, MLBD Publishers Pvt. Ltd.



৮.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ এবমেতৎ পুৰা পৃষ্ঠো মৈত্ৰেয়ো ভগৱান কিল। ক্ষত্ৰা বনং প্ৰৱিষ্টেন ত্যক্ত্বা স্বগৃহসৃদ্ধিমৎ।।

২ নং প্ৰশ্নৰ উত্তৰ ঃ ক্ষত্তুঃ + ভগৱতা

পুষ্ণন্ + অধৰ্মেণ

যৎ + অজাতশত্ৰোঃ, স্বাস্ত্ৰৈঃ + হৱন্ত্যাঃ

যৎ + তু + অমলং

পুৰাৎ + শ্বসানঃ

৩ নং প্ৰশ্নৰ উত্তৰ ঃ হস্তিনাপুৰৰ।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ অশ্বত্থামা।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ সকলো ধন-সম্পত্তিৰে পৰিপূৰ্ণ, ঐশ্বৰ্যশালী।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ দুৰ্যোধন কৃষ্ণবিদ্বেষী আছিল বাবে বংশগৌৰৱৰ শ্ৰী লুপ্ত হোৱা বুলি বিদুৰে আশংকা কৰিছিল। গতিকে বংশৰ মঙ্গলৰ বাবে পৰিত্যাগ কৰিবলৈ কৈছিল।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ মন্ত্ৰণাদাতা, কনিষ্ঠ, অসহায়, আমন্ত্ৰিত, সহ্য কৰা, অমঙ্গলজনক, কুটিল।



৮.৯ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন ঃ (৫০ টা শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ তলত দিয়া শব্দবোৰৰ সন্ধি ভাঙি দেখুৱাওক।

এৱমেতৎ, হ্যল্পার্থোদয়স্তস্য, স্বাস্ত্রৈৰ্হন্ত্যাঃ, যত্ত্বমলং, ধনুর্দ্ধাৰি, গতব্যথো২য়াদুৰ।।

(খ) চুটি প্ৰশ্ন ঃ (১৫০ টা শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ চমুটোকা লিখক ঃ

বিদূৰ-নীতি, লাক্ষাভৱন, পৰীক্ষিত।

(গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (৩০০ টা শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ শ্ৰীমদ্ভাগৱতপুৰাণৰ তৃতীয়স্কন্ধৰ প্ৰথম অধ্যায়ৰ প্ৰথম দহটা শ্লোকৰ অনুবাদ লিখক।

*** ***** ***

অধ্যায় ৯ ঃ শ্রীমদ্ভাগৱতপুৰাণৰ তৃতীয় স্কন্ধৰ প্ৰথম অধ্যায়ৰ (১৭-৩৩ নং শ্লোক) পাঠ্যাংশৰ আলোচনা

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ শ্রীমদ্ভাগৱতপুৰাণৰ তৃতীয় স্কন্ধৰ প্ৰথম অধ্যায়ৰ (১৭-৩৩ নং) শ্লোকসমূহৰ সংস্কৃত পাঠ

৯.৩.১ শ্লোকসমূহৰ গদ্যৰূপ

৯.৩.২ শ্লোকসমূহৰ অসমীয়া অনুবাদ

৯.৪ কেইটামান জানিবলগীয়া কথা

৯.৫ শব্দাৰ্থ

৯.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.৭ অধিক জানিবলৈ

৯.৮ অগ্ৰগতিৰ খতিয়ান

৯.৯ আৰ্হি প্ৰশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- শ্রীমদ্ভাগৱতপুৰাণৰ তৃতীয় স্কন্ধৰ প্ৰথম অধ্যায়ৰ ১৭ নং শ্লোকৰ পৰা ৩৩ নং শ্লোকলৈ সংস্কৃত পাঠ অধ্যয়ন কৰিব পাৰিব
- শ্লোকসমূহৰ গদ্যৰূপ জানিব পাৰিব
- শ্লোকসমূহৰ অসমীয়া অনুবাদ জানিব পাৰিব
- শ্লোকসমূহত উল্লেখিত কিছুমান উল্লেখযোগ্য স্থান, ঋষি-মুনি আদিৰ চমু পৰিচয় অৱগত হ'ব
- শ্লোকত থকা কঠিন শব্দবোৰৰ অসমীয়া অর্থ জানিব পাৰিব।

৯.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়ত আপুনি শ্রীমদ্ভাগৱতপুৰাণৰ তৃতীয় স্কন্ধৰ প্ৰথম অধ্যায়ৰ প্ৰথম ষোল্লটা শ্লোকৰ সংস্কৃত পাঠ, পদৰ অন্বয়, অসমীয়া অনুবাদ আদিৰ বিষয়ে জানিব পাৰিলে। এই অধ্যায়ত আপুনি তৃতীয় স্কন্ধৰ প্ৰথম অধ্যায়ৰ (১৭ নং শ্লোকৰ পৰা ৩৩ নং শ্লোকলৈ) সৰ্বমুঠ সোতৰটা শ্লোকৰ সংস্কৃত পাঠ, অন্বয়, অনুবাদ আদিৰ লগত পৰিচিত হ'ব। লগতে কঠিন শব্দৰাজিৰ

বিসন্ধি, শব্দাৰ্থ, কিছুমান গুৰুত্বপূৰ্ণ শব্দৰ চমু বৰ্ণনা জানিব পাৰিব। জ্যেষ্ঠভ্ৰাতৃ মহাৰাজ ধৃতৰাষ্ট্ৰৰ সন্মুখতে দুৰ্যোধন আদিয়ে মহামতি বিদূৰক অপমান কৰা কাৰ্য সহিব নোৱাৰি বিদূৰে হস্তিনাপুৰ ত্যাগ কৰি বিভিন্ন তীৰ্থস্থান ভ্ৰমণ কৰি থাকোতে যমুনা নদীৰ তীৰত পৰম ভাগৱত উদ্ধৱক লগ পায়। মহামতি বিদূৰে নীতিশাস্ত্ৰবিদ উদ্ধৱক শ্ৰীকৃষ্ণৰ ওচৰত আশ্ৰিত আত্মীয়সকলৰ কুশল-সংবাদ জানিবলৈ আগ্ৰহেৰে কৰা প্ৰশ্ন এই শ্লোকসমূহত বৰ্ণনা কৰা আছে। এই অধ্যায়টিত আপুনি এইসকলোবোৰ বিষয়ে অধ্যয়ন কৰিব পাৰিব।

৯.৩ শ্লোকসমূহৰ সংস্কৃত পাঠ

এই অংশত আপুনি শ্লোকসমূহৰ সংস্কৃত পাঠৰ লগতে কঠিন শব্দসমূহৰ বিসন্ধি জানিব পাৰিব। বিসন্ধি জানিলে আপোনাৰ শ্লোকসমূহ অধ্যয়ন কৰাত যথেষ্ট সুবিধা হ'ব।

স নির্গতঃ কৌৰৱপুণ্যলব্ধো
গজাহ্বয়াত্তীর্থপদঃ পদানি।
অন্বাক্রমৎ পুণ্যচিকীর্ষয়োর্ব্যাং
স্বধিষ্ঠিতো যানি সহস্রমূর্তিঃ ।। ১৭।।

বিসন্ধি — গজাহ্বয়াত্তীর্থপদঃ = গজাহ্বয়াৎ + তীর্থপদঃ
অন্বাক্রমৎ = অনু + আক্রমৎ

পুৰেষু পুণ্যেপবনাদ্রিকুঞ্জেষ্বপঙ্কতোয়েষু সৰিৎসৰঃসু।
অনন্তলিঙ্গৈঃ সমলংকৃতেষু চচাৰ তীর্থায়তনেস্বনন্যঃ।। ১৮।।

বিসন্ধি — পুণ্যেপবনাদ্রিকুঞ্জেষ্বপঙ্কতোয়েষু = পুণ্য + উপবন + অদ্রিকুঞ্জেষু + অপঙ্কতোয়েষু

গাং পর্যটন্মেধ্যৱিৱিক্তবৃত্তিঃ
সদাহপ্লুতোঽধঃশয়নোঽৱধূতঃ।
অলক্ষিতঃ স্বৈৰৱধূতৱেষো
ব্রতানি চেৰে হৰিতোষণানি।। ১৯।।

বিসন্ধি — পর্যটন্মেধ্যবিবিক্তবৃত্তিঃ = পর্যটন্ + মেধ্যবিবিক্তবৃত্তিঃ
সদাঽপ্লুতোঽধঃশয়নোঽৱধূতঃ = সদা + অপ্লুত + অধঃশয়নঃ + অৱধূতঃ।
স্বৈৰৱধূতৱেষো = স্বৈঃ + অৱধূতবেষঃ

ইত্থং ব্রজন্ ভাৰতমেৰ বর্ষং
কালেন যাৱদ্ গতৱান্ প্রভাসম্।
তাৱচ্ছশাস ক্ষিতিমেকচক্রা
মেকাতপত্রামজিতেন পার্থঃ ।। ২০।।

বিসন্ধি — ভাৰতমেৰ = ভাৰতম্ + এৱ
তাৱচ্ছশাস = তাৱৎ + শশাস
ক্ষিতিমেকচক্রামেকাতপত্রামজিতেন = ক্ষিতিম্ + একচক্রাম্ + এক + আতপত্রাম্ +

অজিতেন।

তত্রাথ শুশ্রাৱ সুহৃদ্‌বিনষ্টিং

বনং যথা বেণুজবহ্নিসংশ্রয়ম্।

সংস্পর্ধয়া দগ্ধমথানুশোচন্

সৰস্বতীং প্রত্যগিয়ায় তূষ্ণীম্।। ২১।।

বিসন্ধি — দগ্ধমথানুশোচন্ = দগ্ধম্ + অথ + অনুশোচন্

তস্যাং ত্রিতস্যোশনসো মনোশ্চ

পৃথোৱথাগ্নেৰসিতস্য বায়োঃ।

তীর্থং সুদাসস্য গৱাং গুহস্য

যচ্ছ্রাদ্ধদেৱস্য স আসিষেবে।। ২২।।

বিসন্ধি — ত্রিতস্যোশনসো = ত্রিতস্য + উশনসঃ

পৃথোৱথাগ্নেৰসিতস্য = পৃথোঃ + অথ + অগ্নেঃ + অসিতস্য।

যচ্ছ্রাদ্ধদেৱস্য = যৎ + শ্রাদ্ধদেৱস্য।

অন্যানি চেহ দ্বিজদেৱদৈৱৈঃ

কৃতানি নানায়তনানি বিষ্ণোঃ।

প্রত্যঙ্গমুখাঙ্কিতমন্দিৱানি

যদ্দর্শনাৎ কৃষ্ণমনুস্মৱন্তি।। ২৩।।

বিসন্ধি — যদ্দর্শনাৎ = যৎ + দর্শনাৎ

কৃষ্ণমনুস্মৱন্তি = কৃষ্ণম্ + অনুস্মৱন্তি।

ততস্ত্বতিব্রজ্য সুৱাষ্ট্রমৃদ্ধং

সৌবীৱমৎস্যান্ কুৰুজাঙ্গলাংশ্চ।

কালেন তাৱদ্‌যমুনামুপেত্য

তত্রোদ্ধৱং ভাগৱতং দদর্শ।। ২৪।।

বিসন্ধি — ততস্ত্বতিব্রজ্য = ততঃ + তু + অতিব্রজ্য

তাৱদ্‌যমুনামুপেত্য = তাৱৎ + যমুনাম্ + উপেত্য

তত্রোদ্ধৱং = তত্র + উদ্ধৱং

স বাসুদেৱানুচৱং প্রশান্তং

বৃহস্পতেঃ প্রাক্ তনয়ং প্রতীতম্।

আলিঙ্গ্য গাঢ়ং প্রণয়েন ভদ্রং

স্বানামপৃচ্ছদ্ভগৱৎপ্রজানাম্।। ২৫।।

বিসন্ধি — বাসুদেৱানুচৱং = বাসুদেৱ + অনুচৱং

স্বানামপৃচ্ছদ্ভগৱৎপ্রজানাম্ = স্বানাম্ + অপৃচ্ছৎ + ভগৱৎপ্রজানাম্

কচ্চিৎ পুৱাণৌ পুৰুষৌ স্বনাভ্য

পাদ্মানুবৃত্ত্যেহ কিলাৱতীৰ্ণৌ।
আসাত উৰ্ব্যাঃ কুশলং বিধায়
কৃতক্ষণৌ কুশলং শূৱগেহে।। ২৬।।

বিসন্ধি — পাদ্মানুবৃত্ত্যেহ = পাদ্ম + অনুবৃত্ত্য + ইহ
কিলাৱতীৰ্ণৌ = কিল + অৱতীৰ্ণৌ

কচ্চিৎ কুৰ্ৱণাং পৱমঃ সুহৃন্নো
ভামঃ স আস্তে সুখমঙ্গ শৌৰিঃ।
যো বৈ স্বসৃণাং পিতৃবদ্দদাতি
ৱৰান্ বদান্যো ৱৰতর্পনেন।। ২৭।।

বিসন্ধি — সুহৃন্নো = সুহৃৎ + নঃ
সুখমঙ্গ = সুখম্ + অঙ্গ
পিতৃবদ্দদাতি = পিতৃবৎ + দদাতি

কচ্চিৎ ৱৰ্ধথাধিপতির্যদূনাং
প্রদ্যুম্ন আস্তে সুখমঙ্গ ৱীৱঃ।
যং ৰুক্মিণী ভগৱতো২ভিলেভে
আৱাধ্য বিপ্রান্ স্মৱমাদিসর্গে।। ২৮।।

বিসন্ধি — ৱৰ্ধথাধিপতির্যদূনাং = ৱৰ্ধথাধিপতিঃ + যদূনাং
ভগৱতো২ভিলেভে = ভগৱতঃ + অভিলেভে
স্মৱমাদিসর্গে = স্মৱম্ + আদিসর্গে

কচ্চিৎ সুখং সাত্ৱতৱৃষ্ণিভোজ
দাশার্হকাণামধিপঃ স আস্তে।
যমভ্যষিঞ্চচ্ছতপত্রনেত্রো
নৃপাসনাশাং পৱিহৃত্য দূৱাৎ।। ২৯।।

বিসন্ধি — যমভ্যষিঞ্চচ্ছতপত্রনেত্রো = যম্ + অভ্যষিঞ্চৎ + শতপত্রনেত্রঃ

কচ্চিদ্ধৱেঃ সৌম্য সুতঃ সদৃক্ষ
আস্তে২গ্রণী ৰথিনাং সাধু সাম্বঃ।
অসূত যং জাম্ৱৱতী ব্রতাঢ্যা
দেৱং গুহং যো২ম্বিকয়া ধৃতো২গ্রে।। ৩০।।

বিসন্ধি — কচ্চিদ্ধৱে = কচ্চিৎ + হৱে
আস্তে২গ্রণী = আস্তে + অগ্রণী
যো২ম্বিকয়া = যঃ + অম্বিকয়া
ধৃতো২গ্রে = ধৃতঃ + অগ্রে

ক্ষেমং চ কচ্চিদ্যুযুধান আস্তে

যঃ ফাল্গুনাল্লব্ধধনূৰহস্যঃ।
নেভে২ঞ্জসাধোক্ষজসেৱয়ৈৰ
গতিং তদীয়াং যতিভির্দূৰাপাম্।। ৩১।।

বিসন্ধি — ফাল্গুনাল্লব্ধধনূৰহস্য = ফাল্গুনাৎ + লব্ধধনূৰহস্য
লেভে২ঞ্জসাধোক্ষজসেৱয়ৈৰ = লেভে + অঞ্জস + অধোক্ষজসেবয়া + এৰ
যতিভির্দূৰাপাম্ = যতিভিঃ + দূৰাপাম্

কচ্চিদ্ বুধঃ স্বস্ত্যনমীব আস্তে
শ্বফল্কপুত্রো ভগৱৎপ্রপন্নঃ।
যঃ কৃষ্ণপাদাঙ্কিতমার্গপাংসু
স্বচেষ্টত প্রেমবিভিন্নধৈর্যঃ।। ৩২।।

বিসন্ধি — স্বস্ত্যনমীৱ = স্বস্তি + এনম্ + ইৱ
কৃষ্ণপাদাঙ্কিতমার্গপাংসুস্বচেষ্টত = কৃষ্ণপাদাঙ্কিতমার্গপাংসুষু + অচেষ্টত

কচ্চিচ্ছিৱং দেৱকভোজপুত্র্যা
বিষ্ণুপ্রজায়া ইৱ দেৱমাতুঃ।
যা বৈ স্বগর্ভেণ দধাৰ দেৱং
ত্রয়ী যথা যজ্ঞবিতানমর্থম্।। ৩৩।।

৯.৩.১ শ্লোকসমূহৰ গদ্যৰূপ

সঃ কৌৱৱপুণ্যলব্ধঃ গজাহ্বয়াৎ নির্গতঃ তীর্থপদঃ পদানি সহস্রমূর্তিঃ যানি স্বাধিষ্ঠিতঃ পুণ্যচিকীর্ষয়োঃ ব্যাং অন্বাক্রমৎ ।। ১৭।।

অনন্যঃ অনন্তলিঙ্গৈঃ সমলস্কৃতেষু তীর্থায়তনেষু পুৱেষু পুণ্য-উপবন-অদ্রিকুঞ্জেষু অপঙ্কতোয়েষু সৱিৎসৱঃসু চচাৰ।। ১৮।।

অৱধূতঃ গাং পর্য্যটন্ মেধ্যাবিবিক্তবৃত্তিঃ, সদাপ্লুতঃ, অধঃ শয়নঃ, স্বৈঃ অলক্ষিতঃ, অৱধূতবেষঃ হৱিতোষণানি ব্রতানি চেৰে ।। ১৯।।

ইত্থং ব্রজন্ ভাৱতম্ এব বর্ষং কালেন যাৱৎ প্রভাসং গতবান্, তাৱৎ পার্থঃ অজিতেন ক্ষিতিম্ একচক্রাম্ একাতপত্রাম্ শশাস।। ২০।।

তত্র অথ সুহৃদ্‌বিনষ্টিং শুশ্রাৱ, যথা বেণুজ বহ্নিসংশ্রয়ং বনং (দগ্ধম্), সংস্পর্ধয়া অনুশোচন্ তুষ্ণীং সৱস্বতীং প্রত্যগিয়ায়।। ২১।।

তস্যাং ত্রিতস্য, উশনসঃ মনোঃ, পৃথোঃ, অগ্নেঃ, অসিতস্য, বায়োঃ, সুদাসস্য, গৱাং, গুহস্য শ্রাদ্ধদেৱস্য চ অথ সঃ আসিষেৱে।। ২২।।

অন্যানি ইহ দ্বিজদেৱদেৱৈঃ কৃতানি বিষ্ণোঃ আয়তনানি প্রত্যঙ্গমুখ্য অস্কিতমন্দিৱাণি, যৎ দর্শনাৎ কৃষ্ণম্ অনুস্মৱন্তি।। ২৩।।

ততঃ তু অতিব্রজ্য ঋদ্ধং সুৱাষ্ট্রং, সৌবীৰ মৎস্যান্, কুৰুজাঙ্গলান্ চ তাৱৎ

কালেন যমুনাম্ উপেত্য তত্ৰ ভাগৱতম্ উদ্ধৱং দদর্শ।। ২৪।।

সঃ বাসুদেৱ অনুচৰং, প্ৰশান্তং, বৃহস্পতেঃ প্ৰাক্ তনয়ং প্ৰতীতম্। প্ৰণয়েণ গাঢ়ম্ আলিঙ্গ্য স্বানাং, ভগৱৎ প্ৰজানাং ভদ্ৰম্ অপৃচ্ছৎ।। ২৫।।

কৃচ্চিৎ পুৰাণৌ পুৰুষৌ স্বাভ্যপামানুবৃত্ত্য ইহ কিল অবতীৰ্ণৌ উৰ্ব্যাঃ কৃতক্ষণৌ কুশলং বিধায় কুশলং শূৰগেহে আসাত?।। ২৬।।

কচ্চিৎ শৌৰিঃ, কুৰুণাং পৰমঃ সুহৃৎ, নঃ ভামঃ, যঃ বৈ স্বসৃণাং পিতৃবৎ দদাতি, বৰতর্পনেন ববান্ বদান্যঃ, সঃ সুখমঙ্গঃ আস্তে?।। ২৭।।

কচ্চিৎ স্বৰম্ আদিসর্গে, যং ৰুক্মিণী বিপ্ৰান্ আৰাধ্য ভগৱতঃ অভিলেভে, যদুনাং বৰ্ধথাধিপতিঃ বীৰঃ প্ৰদ্যুম্ন সুখমঙ্গ আস্তে?।। ২৮।।

কচ্চিৎ নৃপাসন আশাং দূৰাৎ পৰিহৃত্য, শতপত্ৰনেত্ৰঃ যং অভ্যষিঞ্চৎ, সঃ সাত্বত, বৃষ্ণি, ভোজ দাশাৰ্হকাণাধিপঃ চ সুখম্ আস্তে?।। ২৯।।

কচ্চিৎ সদৃক্ষঃ ৰথিনাং অগ্ৰণী হৰেঃ সৌম্য সুতঃ সাম্ব, যং ব্ৰতাঢ্যা জাম্ববতী অসূত, যঃ অগ্ৰে অম্বিকায়াঃ দেৱং গুহং ধৃতঃ, স সাধু আস্তে?।। ৩০।।

যঃ ফাল্গুণাৎ ধনূৰহস্যঃ লব্ধঃ, অঞ্জসাধোক্ষজ সেৱয়া ইব যতিভিঃ দূৰঃ তদীয়াং গতিম্ অপাম্ সঃ যুযুধান ক্ষেমম্ আস্তে?।। ৩১।।

কচ্চিৎ যঃ প্ৰেমবিভিন্নধৈৰ্যঃ কৃষ্ণপাদাঙ্কিতমাৰ্গপাংসুষু অচেষ্টত, (সঃ) বুধঃ অনমীৱ ভগৱৎপ্ৰপন্নঃ শ্বফল্ফপুত্ৰঃ স্বস্তি আস্তে?।। ৩২।।

কচ্চিৎ ত্ৰয়ী যথা যজ্ঞবিতানমৰ্থম্, (তথা) যা দেৱং স্বগৰ্ভেণ দধাৰ, দেৱমাতুঃ ইৱ বিষ্ণুপ্ৰজায়াঃ দেৱকভোজপুত্ৰ্যা শিৱম্? ।। ৩৩।।

৯.৩.২ শ্লোকসমূহৰ অসমীয়া অনুবাদ

মহাপুণ্যৰ ফলতহে কৌৰৱসকলে তেওঁক (বিদুৰৰ দৰে মহাত্মাক) লাভ কৰিছিল। হস্তিনাপুৰৰ পৰা ওলাই পৃথিৱীত যিবোৰ পুণ্যভূমিত অনন্তমূৰ্তি ভগৱান অধিষ্ঠিত হৈ আছে, সেই সকলোবোৰ (পুণ্যস্থান) পুণ্যাৰ্জনৰ ইচ্ছাৰে পৰিভ্ৰমণ কৰিবলৈ ধৰিলে।। ১৭।।

ভগৱান অনন্তমূৰ্তিৰ দ্বাৰা সমলংকৃত তীৰ্থসমূহ, নগৰ, পবিত্ৰ বন-উপবন, পৰ্বত, পঙ্কহীন সলিলযুক্ত নদী, সৰোবৰ আদি স্থানসমূহ ভ্ৰমণ কৰিবলৈ ধৰিলে।। ১৮।।

সমগ্ৰ পৃথিৱীৰ হৰিৰ স্থানসমূহ ভ্ৰমণ কৰি বিদুৰে পবিত্ৰভাৱেৰে ৰীতি-নীতি সম্পাদন কৰিলে, প্ৰত্যেক দিনাই পবিত্ৰ জলেৰে স্নান কৰিলে, মাটিত শয়ন কৰিলে আৰু গছৰ বাকলি পৰিধান কৰিলে। নিজক অলংকৃত কৰাৰ পৰা বিৰত থাকিল যাতে আত্মীয় স্বজনে তেওঁক চিনি নাপায়। শ্ৰীহৰিক প্ৰসন্ন কৰাৰ বাবে ব্ৰতসমূহ পালন কৰিলে।। ১৯।।

এনেদৰে সমগ্ৰ ভাৰতবৰ্ষ ভ্ৰমণ কৰি কালক্ৰমত যেতিয়া বিদুৰ প্ৰভাস তীৰ্থত

উপস্থিত হ'ল, তেতিয়ালৈকে মহাৰাজ যুধিষ্ঠিৰে ভগৱান শ্ৰীকৃষ্ণৰ মন্ত্ৰণাৰ সহায়ত সমগ্ৰ ভূমণ্ডলত একচ্ছত্ৰী আধিপত্য স্থাপন কৰি (পৃথিৱী) শাসন কৰিছিল।। ২০।।

বনত যেনেদৰে বাঁহবোৰৰ মাজত ঘৰ্ষণৰ ফলত উৎপন্ন হোৱা জুইয়ে বাঁহনিডৰা ধ্বংস কৰে তেনেদৰে (তেওঁৰ) আত্মীয়-স্বজনসকলো নিজৰ মাজতে হোৱা বিবাদৰ ফলত বিনাশ হোৱা বুলি শুনি তেওঁ মৌতব্ৰত অৱলম্বন কৰি শোকসন্তপ্ত হৈ সৰস্বতী নদীৰ তীৰলৈ গমন কৰিলে।। ২১।।

(সেই সৰস্বতী নদীৰ তীৰত) তাত তেওঁ ত্ৰিত, উশনা, মনু, পৃথু, অগ্নি, অসিত, বায়ু, সুদাস, গো, গুহ আৰু শ্ৰাদ্ধদেৱ নামেৰে প্ৰসিদ্ধ এঘাৰটি তীৰ্থস্থানত যথাবিধি স্নান, দান আদি কৰিলে।। ২২।।

ইয়াৰ উপৰিও (সেই সৰস্বতী নদীৰ তীৰত) তাত দেৱতা আৰু ব্ৰাহ্মণসকলৰ দ্বাৰা স্থাপিত আৰু শিখৰত সুঙ্গদৰ্শন চক্ৰৰ চিহ্নযুক্ত ভগৱান বিষ্ণুৰ মন্দিৰসমূহ দৰ্শন কৰিলে, যিবোৰ স্থান দৰ্শন কৰা মাত্ৰেই শ্ৰীকৃষ্ণৰ কথা মনলৈ আহে।। ২৩।।

তাৰ পিছত তাৰ পৰা ধনে-ধানে সমৃদ্ধ সৌৱাষ্ট্ৰ, সৌবীৰ, মৎস্য আৰু কুৰুজাঙ্গল আদি দেশ ভ্ৰমণ কৰি কালক্ৰমে যেতিয়া যমুনাৰ পাৰত আহি উপস্থিত হ'ল তাত তেওঁ পৰম ভাগৱত উদ্ধৱক লগ পালে।। ২৪।।

তেওঁ (উদ্ধৱ) বাসুদেৱৰ একান্ত অনুচৰ, শান্তস্বভাৱৰ। (তেওঁ) আগতে বৃহস্পতিৰ ওচৰত শিষ্যত্ব গ্ৰহণ কৰি নীতিশিক্ষা লাভ কৰিছিল। (বিদুৰে) অতি মৰমেৰে গভীৰ আলিংগন কৰি তেওঁক (উদ্ধৱক) শ্ৰীকৃষ্ণৰ ওচৰত আশ্ৰিত আত্মীয়সকলৰ কুশল বাৰ্তা সুধিলে।। ২৫।।

পুৰাণ পুৰুষ (কৃষ্ণ আৰু বলৰাম) দুজনাই স্বীয় নাভি কমলৰ পৰা উদ্ভৱ হোৱা ব্ৰহ্মাৰ প্ৰাৰ্থনাত এই পৃথিৱীত অৱতীৰ্ণ হৈ জগতৰ কল্যাণ সাধন বসুদেৱৰ গৃহত কুশলে আছেনে?।। ২৬।।

শূৰসেনৰ পুত্ৰ বসুদেৱ, কুৰুবংশীয়সকলৰ পৰম বান্ধৱ, যিগৰাকীয়ে ভগ্নীপতিৰ সন্তুষ্টিৰ বাবে পিতৃৰ দৰে অভিলষিত অৰ্থ দান কৰে, মোৰ বাবে পূজনীয়, (সেই বসুদেৱ) কুশলে আছেনে?।। ২৭।।

পূৰ্বজন্মত যিজন কামদেৱ আছিল যিজনক ৰুক্মিনীয়ে ব্ৰাহ্মণসকলক আৰাধনা কৰি শ্ৰীকৃষ্ণৰ পৰা নিজ পুত্ৰ ৰূপে লাভ কৰিছিল, সেই যাদৱ সেনাপতি প্ৰদ্যুম্ন ভালে আছেনে? ।। ২৮।।

যিজনে নিজে ৰাজসিংহাসন লাভৰ আশা পৰিত্যাগ কৰিলেও স্বয়ং শ্ৰীকৃষ্ণই যাক স্বৰাজ্যত অভিষিক্ত কৰিছিল, সাত্বত, বৃষ্ণি, ভোজ আৰু দাৰ্শাহবংশীয় যাদৱসকলৰ অধিপতি (মহাৰাজ উগ্রসেন) সুখেৰে আছেনে?।। ২৯।।

হে সৌম্য! পিতৃৰ (শ্ৰীকৃষ্ণৰ) সমতুল্য, ৰথীসকলৰ অগ্ৰণী, শ্ৰীকৃষ্ণপুত্ৰ সাম্ব, যিজন এই জন্মত ব্ৰতপৰায়ণা জাম্বৱতীৰ গৰ্ভত জন্মলাভ কৰিছিল আৰু যিজন পূৰ্বজন্মত

অম্বিকাৰ গৰ্ভত গুহৰূপে জন্ম লভিছিল, তেওঁ কুশলে আছেনে?।। ৩০।।

যিজনে অৰ্জুনৰ ওচৰত ধনুবিদ্যাৰ ৰহস্যৰ শিক্ষা লাভ কৰিছিল আৰু শ্ৰীকৃষ্ণৰ সেৱাৰ জৰিয়তে যোগীৰো দুৰ্লভ ভাগৱতী স্থিতি প্ৰাপ্ত হৈছিল, সেই সাত্যকি কুশলে আছেনে?।। ৩১।।

যিজনে শ্ৰীকৃষ্ণপ্ৰেমত আত্মহাৰা হৈ শ্ৰীকৃষ্ণৰ চৰণচিহ্নিত পথত ধূলিৰ ওপৰত লুণ্ঠিত হৈ পৰিছিল, সেই জ্ঞানী ভগৱদাশ্ৰিত নিষ্পাপ ভক্ত শ্বফল্কপুত্ৰ অক্ৰূৰৰ মঙ্গল নে?।। ৩২।।

ত্ৰয়ী অৰ্থাৎ বেদত্ৰয়ে যেনেদৰে যজ্ঞবিস্তাৰৰূপী অৰ্থ ধাৰণ কৰে, তেনেদৰে শ্ৰীকৃষ্ণক যিয়ে নিজৰ গৰ্ভত ধাৰণ কৰিছিল, দেৱমাতা (অদিতি)ৰ নিচিনা বিষ্ণুজননী সেই ভোজৰাজ দেৱকনন্দিনী (দৈৱকী)ৰ কুশল নে?।। ৩৩।।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ তলত দিয়া শব্দবোৰ বিসন্ধি কৰক।

অন্বক্ৰমৎ, তাৱচ্ছশাস, ত্ৰিতস্যেশনসো, যচ্ছ্ৰাদ্ধদেৱস্য, যদ্দৰ্শনাৎ, তত্ৰোদ্ধৱং, সুহৃন্নো, পিতৃবদ্দদাতি, কচ্চিদ্ধৱে, স্বস্ত্যনমীৱ, কচ্চিচ্ছিৱং।

প্ৰশ্ন নং ২ ঃ বিদূৰে কিয় হস্তিনাপুৰ এৰি শুচি গৈছিল?

.....

প্ৰশ্ন নং ৩ ঃ বিদূৰে উদ্ধৱক ক'ত লগ পাইছিল।

.....

প্ৰশ্ন নং ৪ ঃ 'কুন্তী বসুদেৱৰ ভনীয়েক'— 'সঁচা' নে 'মিছা' লিখক।

.....

৯.৪ কেইটামান জানিবলগীয়া কথা

(ক) **দ্বাৰকাপুৰী** — শ্ৰীকৃষ্ণৰ ৰাজ্যৰ ৰাজধানী। পুৰাণত দ্বাৰকাক দ্বাৰাৱতী বুলি উল্লেখ আছে। শাস্ত্ৰত উল্লেখ থকা সাতখন মোক্ষদায়ক তীৰ্থস্থানৰ ভিতৰত দ্বাৰকাও এখন।

(খ) **প্ৰভাসতীৰ্থ** — দ্বাৰকাৰ ওচৰত অৱস্থিত এখন প্ৰখ্যাত তীৰ্থস্থানৰ নাম। সোমনাথ মন্দিৰ বা সোমতীৰ্থ প্ৰভাসতীৰ্থতে অৱস্থিত বুলি শাস্ত্ৰত পোৱা যায়।

(গ) **সৰস্বতী নদী** — বৰ্তমান অদৃশ্যভাৱে প্ৰৱাহিত হৈ থকা গংগা আৰু যমুনাৰ লগত প্ৰয়াগত মিলিত হোৱা এখনি নৈ।

(ঘ) **উদ্ধৱ** — যদুবংশীয় এজন লোক। শ্ৰীকৃষ্ণৰ অতি প্ৰিয় সখি। যদুবংশ ধ্বংস হোৱা উপক্ৰম দেখি তেওঁ শ্ৰীকৃষ্ণৰ পৰামৰ্শমতে বদৰিকাশ্ৰমলৈ যাত্ৰা কৰে তাতে তেওঁ তপস্যা কৰিবলৈ লয়।

(ঙ) **উগ্ৰসেন** — মথুৰাৰ ৰজা। পুত্ৰ কংসই তেওঁক সিংহাসনচ্যুত কৰি নিজে ৰজা হৈছিল।

শেষত শ্ৰীকৃষ্ণই কংসক বধ কৰি উগ্ৰসেনক পুনৰ ৰজা পাতে। উগ্ৰসেনৰ ৯জন পুত্ৰ আৰু পাঁচগৰাকী কন্যা।

(চ) **ৰুক্মিণী** — বিদৰ্ভ-ৰাজ্যৰ ৰজা ভীষ্মকৰ কন্যা। ককায়েক ৰুক্মবীৰে ৰুক্মিণীক শিশুপাললৈ বিয়া দিয়াৰ কাৰণে স্থিৰ কৰে। কিন্তু ৰুক্মিণীয়ে সৰুৰেপৰা শ্ৰীকৃষ্ণকে মনতে স্বামী-বৰণ কৰি থৈছিল। বিবাহৰ আগদিনা অম্বিকাদেৱীৰ মন্দিৰলৈ আহোতে শ্ৰীকৃষ্ণই ৰুক্মিণীক হৰণ কৰে। এই কাৰ্যত বাধা দিবলৈ গৈ জৰাসন্ধ, শিশুপাল, ৰুক্মবীৰ আদি শ্ৰীকৃষ্ণৰ হাতত পৰাস্ত হয়। দ্বাৰকালৈ লৈ গৈ শ্ৰীকৃষ্ণই ৰুক্মিণীক বিধিমতে বিবাহ কৰে।

(ছ) **সাত্যকি** — বৃষ্ণি-বংশীয় সত্যকৰ পুত্ৰ। যুযুধান, শৈনেয় আদি তেওঁৰ প্ৰধান নাম। শ্ৰীকৃষ্ণৰ ৰথৰ সাৰথি। অৰ্জুনৰ ওচৰত সাত্যকিয়ে অস্ত্ৰ-বিদ্যা শিকে। কুৰুক্ষেত্ৰ যুদ্ধত পাণ্ডৱৰ পক্ষে যুদ্ধত অংশগ্ৰহণ কৰে।

(জ) **শূৰ/শূৰসেন** — যদুবংশীয় নৰপতি এগৰাকী হ'ল দেৱমীঢুস। এই গৰাকী নৰপতিৰ অসিকী নামৰ পত্নীৰ গৰ্ভত শূৰৰ জন্ম হয়। শূৰৰ অন্যতমা পত্নী মাৰিষাৰ গৰ্ভত বসুদেৱ, দেৱভাগ, দেবশ্ৰৱা, আনক, সৃঞ্জয়, শ্যামক, কঙ্ক, শমীক, বৎসক আৰু বক নামেৰে দশ পুত্ৰ আৰু পাঁচগৰাকী কন্যা ক্ৰমে পৃথা, পৃথুকীৰ্ত্তি, শ্ৰুতদেৱা, শ্ৰুতশ্ৰবা আৰু ৰাজাধিদেৱীৰ জন্ম হয়। ৰজা শূৰে কন্যা পৃথাক কুন্তীভোজক (পূৰ্ব প্ৰতিশ্ৰুতি অনুসৰি) দান কৰে। কুন্তীভোজে পৃথাক নিজ কন্যাৰ দৰে তুলি-তালি ডাঙৰ-দীঘল কৰে। তেতিয়াৰ পৰা পৃথাৰ নাম কুন্তী হয়।

(ঝ) **প্ৰদ্যুম্ন** — শ্ৰীকৃষ্ণৰ অন্যতমা পত্নী ৰুক্মিনীৰ গৰ্ভত প্ৰদ্যুম্নৰ জন্ম হয়। প্ৰদ্যুম্ন আৰু বৈদৰ্ভিৰ পুত্ৰ হ'ল অনিৰুদ্ধ।

(ঞ) **সাম্ব** — শ্ৰীকৃষ্ণ আৰু জাম্ববতীৰ পুত্ৰ।

(ট) **গুহ** — দেৱসেনাপতি কাৰ্ত্তিকেয়ৰ অন্য নাম।

(ঠ) **শ্বফল্কপুত্ৰ** — শ্বফল্কপুত্ৰ হ'ল অক্ৰূৰ। যদুবংশীয় ধৰ্মাত্মা নৃপতি শ্বফল্ক আৰু কাশীৰাজ কন্যা গান্দিনীৰ গৰ্ভত অক্ৰূৰৰ জন্ম হয়।

৯.৫ শব্দাৰ্থ

গজাহ্বয়	=	হস্তিনাপুৰ
পুণ্যচিকীৰ্ষয়োঃ	=	পুণ্য অৰ্জনৰ ইচ্ছা কৰি
অপঙ্ক	=	পঙ্কহীন
গাম্	=	পৃথিৱী
মেধ্যবিবিক্তবৃত্তি	=	বিভিন্ন পবিত্ৰ ব্ৰত পালন
অৱধূতবেষ	=	তাপসজনোচিত বেশ লোৱা। সাংসাৰিক সংসৰ্গ ত্যাগ কৰা জনক অৱধূত বুলি কোৱা হয়।
বেণু	=	বাঁহ

সংস্পৰ্ধা	=	পৰস্পৰ হিংসা
তুষ্ণীম্	=	মনে মনে থকা
অতিব্ৰজ্য	=	অতিক্ৰম কৰা
ঋদ্ধম্	=	সমৃদ্ধিশালী
ভদ্ৰম্	=	কুশলবাৰ্তা
ভাম	=	পূজনীয়
স্বসৃ	=	ভগিনী
ৰূথাধিপতি	=	যাদৱ সেনাপতি
স্মৰ	=	কামদেৱ
সদৃক্ষ	=	সমতুল্য
ব্ৰতাচ্যা	=	ব্ৰতবৰায়ণা
পাংসু	=	ধূলি
যুযুধান	=	সাত্যকিৰ এটা নাম



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ তলত দিয়া শব্দবোৰৰ অৰ্থ লিখক।

অপঙ্ক, বেণু, ঋদ্ধম্, ভাম, স্বসৃ, স্মৰ, পাংসু, যুযুধান।

প্ৰশ্ন নং ৬ ঃ প্ৰভাসতীৰ্থ ক'ত অৱস্থিত?

.....

প্ৰশ্ন নং ৭ ঃ উগ্ৰসেন ক'ৰ ৰজা আছিল?

.....

প্ৰশ্ন নং ৮ ঃ ৰুক্মিণীৰ পিতৃ কোন?

.....

প্ৰশ্ন নং ৯ ঃ সাম্বৰ পিতৃ-মাতৃৰ নাম লিখক।

.....

প্ৰশ্ন নং ১০ ঃ কাৰ্ত্তিকেয়ৰ অন্য এটা নাম লিখক।

.....



৯.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- শ্ৰীমদ্ভাগৱতপুৰাণৰ তৃতীয় স্কন্ধৰ প্ৰথম অধ্যায়ৰ ১৭ নং শ্লোকৰ পৰা ৩৩ নং শ্লোকৰ সংস্কৃত পাঠ অধ্যয়ন কৰিব পাৰিলে।
- শ্লোকসমূহৰ গদ্যৰূপ জানিব পাৰিলে।
- শ্লোকসমূহৰ অসমীয়া অনুবাদ জানিব পাৰিলে।
- কিছুমান উল্লেখযোগ্য স্থান, ঋষি-মুনিৰ বিষয়ে অৱগত হ'ল।
- শ্লোকত থকা কঠিন শব্দবোৰৰ অসমীয়া অর্থ জানিব পাৰিলে।



৯.৭ অধিক জানিবলৈ

১) পোদ্দাৰ, হনুমানপ্ৰসাদ (২০১৫); শ্ৰীমদ্ভাগৱত-মহাপুৰাণ, গোৰক্ষপুৰ, গীতাপ্ৰেস।

২) বিদ্যালঙ্কাৰ, শশিভূষণ (২০০৭); পৌৰাণিক অভিধান, কলকাতা-৬, সদেশ, ১০১ বি, বিবেকানন্দ ৰোড।

ইংৰাজী গ্ৰন্থ ঃ

৩) Joshi, K. L. (2011) ed. : *Srimadbhagavat-mahapuranam*, Delhi : Parimal Publication.



৯.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ অনু + আক্ৰমৎ

তাৱৎ + শশাস

ত্ৰিতস্য + উশনস

যৎ + শ্ৰাদ্ধদেৱস্য

যৎ + দৰ্শনাৎ

তত্ৰ + উদ্ধৱং

সুহৃৎ + নঃ

পিতৃবৎ + দদাতি

কচ্চিৎ + দদাতি

স্বস্তি + এনম্ + ইৱ

কচ্চিৎ + শিৱং

২ নং প্ৰশ্নৰ উত্তৰ ঃ জ্যেষ্ঠ ভ্ৰাতৃ ধৃতৰাষ্ট্ৰৰ সন্মুখত দুৰ্যোধন আৰু অনুজসকলে বিদুৰক অপমান কৰা বাবে বিদুৰ হস্তিনাপুৰ এৰি গুচি গৈছিল।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰভাসতীৰ্থত।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ হয়।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ পঙ্কহীন, বাঁহ, সমৃদ্ধিশালী, পূজনীয়, ভগিনী, কামদেৱ, ধূলি, সাত্যকিৰ এটা নাম।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ দ্বাৰকাপুৰীত।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ মথুৰা।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ ভীষ্মক।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ শ্ৰীকৃষ্ণ আৰু জাম্বৱতী।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ গুহ।



৯.৯ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন (৫০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ তলত দিয়া শব্দবোৰৰ বিসন্ধি কৰক।

স্ৱৈৱৱধূতবেষ, দগ্ধমথানুশোচন্,

কৃষ্ণমনুস্মৰন্তি, কিলাৱতীৰ্ণৌ

ভগৱতো২ভিলেভে, যতিভির্দূৰাপাম্

(খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ চমুটোকা লিখক।

প্ৰভাস তীৰ্থ, উগ্ৰসেন, ৰুক্মিণী, সাত্যকি।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ শ্ৰীমদ্ভাগৱতপুৰাণৰ তৃতীয়স্কন্ধৰ প্ৰথম অধ্যায়ৰ (১৭-২৬) লৈ শ্লোকসমূহৰ সাৰাংশ লিখক।

*** ***** ***

অধ্যায় ১০ ঃ শ্রীমদ্‌ভাগৱতপুৰাণৰ তৃতীয়স্কন্ধৰ প্ৰথম অধ্যায়ৰ (৩৪-৪৫ নং) শ্লোকসমূহ আৰু দ্বিতীয় অধ্যায়ৰ প্ৰথম পাঁচটা শ্লোকৰ আলোচনা

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য

১০.২ পৰিচয়

১০.৩ শ্লোকসমূহৰ সংস্কৃত পাঠ

১০.৩.১ শ্লোকসমূহৰ গদ্যৰূপ

১০.৩.২ শ্লোকসমূহৰ অসমীয়া অনুবাদ

১০.৪ কেইটামান জানিবলগীয়া কথা

১০.৫ শব্দাৰ্থ

১০.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১০.৭ অধিক জানিবলৈ

১০.৮ অগ্ৰগতিৰ খতিয়ান

১০.৯ আৰ্হি প্ৰশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- শ্রীমদ্‌ভাগৱতপুৰাণৰ তৃতীয় স্কন্ধৰ প্ৰথম অধ্যায়ৰ ৩৪ নং শ্লোকৰ পৰা ৪৫ নং শ্লোকৰ সংস্কৃত পাঠ অধ্যয়ন কৰিব পাৰিব। দ্বিতীয় অধ্যায়ৰ প্ৰথম পাঁচটা শ্লোকৰ সংস্কৃত পাঠো অধ্যয়ন কৰিব পাৰিব
- শ্লোকসমূহৰ গদ্যৰূপ আৰু অসমীয়া অনুবাদৰ লগতো পৰিচিত হ'ব পাৰিব
- শ্লোকসমূহত উল্লিখিত কিছুমান উল্লেখযোগ্য স্থান, ঋষিমুনি আদিৰ চমু পৰিচয় লাভ কৰিব
- শ্লোকত থকা কঠিন শব্দবোৰৰ অসমীয়া অর্থ জানিব পাৰিব।

১০.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়ত আপুনি শ্রীমদ্‌ভাগৱতপুৰাণৰ তৃতীয় স্কন্ধৰ প্ৰথম অধ্যায়ৰ ১৭ নং শ্লোকৰ পৰা ৩৩ নং শ্লোকৰ সংস্কৃত পাঠ, পদৰ অন্বয়, অসমীয়া অনুবাদ আদিৰ বিষয়ে জানিব পাৰিলে। এই অধ্যায়ত আপুনি তৃতীয় স্কন্ধৰ প্ৰথম অধ্যায়ৰ ৩৪ নং শ্লোকৰ পৰা ৪৫ নং শ্লোকলৈ আৰু দ্বিতীয় অধ্যায়ৰ প্ৰথম পাঁচটা শ্লোকৰ (সৰ্বমুঠ সোতৰটা) সংস্কৃত পাঠ পঢ়িবলৈ পাব।

লগতে কঠিন শব্দসমূহৰ বিসন্ধি, শ্লোকসমূহৰ গদ্যৰূপ, অসমীয়া অনুবাদ, শব্দাৰ্থ আৰু গুৰুত্বপূৰ্ণ শব্দবোৰৰ চমু পৰিচয় আপুনি জানিব পাৰিব। মহামতি বিদুৰে উদ্ধৱক যদুবংশীয় পৰিচিত লোকসকলৰ কুশল বাৰ্তা সোধা তথা যুধিষ্ঠিৰ, ভীম, অৰ্জুন, নকুল, সহদেৱ, মাতৃ কুন্তী আদি বিভিন্নজনৰ বতৰা জানিবলৈ আগ্ৰহেৰে সোধা প্ৰশ্ন আৰু উদ্ধৱৰ প্ৰত্যুত্তৰ শ্লোকসমূহত বৰ্ণনা কৰা আছে।

দ্বিতীয় অধ্যায়ৰ আৰম্ভণিতে উদ্ধৱৰ আৱেগ-জৰ্জৰিত মনৰ স্থিতি বৰ্ণনা কৰা আছে। এই অধ্যায়টিত আপুনি এই সকলোখিনিৰ বিষয়ে অৱগত হ'ব।

১০.৩ শ্লোকসমূহৰ সংস্কৃত পাঠ

এই অংশত আপুনি শ্লোকসমূহৰ সংস্কৃত পাঠৰ লগতে কঠিন শব্দসমূহৰ বিসন্ধি জানিব পাৰিব। বিসন্ধি জানিলে আপোনাৰ শ্লোকসমূহ অধ্যয়ন কৰাত যথেষ্ট সুবিধা হ'ব।

অপিস্বিদাস্তে ভগৱান্ সুখং বো
যঃ সাত্বতাং কামদুঘোঽনিৰুদ্ধঃ।
যমামনন্তি স্ম হ শব্দযোনিং
মনোময়ং সত্ত্বতুৰীয়তত্ত্বম্।। ৩৪।।

বিসন্ধি — অপিস্বিদাস্তে = অপিস্বিৎ + আস্তে
কামদুঘোঽনিৰুদ্ধঃ = কামদুঘঃ + অনিৰুদ্ধঃ
যমামনন্তি = যম্ + আমনন্তি

অপিস্বিদন্যে চ নিজাত্মদৈৱ
মনন্যাবৃত্ত্যা সমনুব্ৰতা যে।
হৃদীকসত্যাত্মজচাৰুদেষ্ণ
গদাদয়ঃ স্বস্তি চৰন্তি সৌম্য।। ৩৫।।

বিসন্ধি — অপিস্বিদন্যে = অপিস্বিৎ + অন্যে
নিজাত্মদৈৱমনন্যাবৃত্ত্যা = নিজাত্মদ + এৱম্ + অনন্যাবৃত্ত্যা

অপি স্বদোৰ্ভ্যাং বিজয়াচ্যুতাভ্যাং
ধৰ্মেণ ধৰ্মঃ পৰিপাতি সেতুম্।
দুৰ্যোধনোঽতপ্যত যৎ সভায়াং
সাম্ৰাজ্যলক্ষ্ম্যা বিজয়ানুবৃত্ত্যা।। ৩৬।।

বিসন্ধি — দুৰ্যোধনোঽতপ্যত = দুৰ্যোধনঃ + অতপ্যত।

কিং বা কৃতাঘেষ্ৱঘমত্যমৰ্ষী
ভীমোঽহিবদ্দীৰ্ঘতমং ব্যমুঞ্চৎ।
যস্যাঙিঘপাতং ৰণভূৰ্ন সেহে
মাৰ্গং গদায়াশ্চৰতো বিচিত্ৰম্।। ৩৭।।

বিসন্ধি — কৃতাঘেষ্ৱঘত্যমর্ষী = কৃতাঘেষু + অঘত্যমর্ষী

ভীমো২হিবদ্দীর্ঘতমং = ভীমঃ + অহিবৎ + দীর্ঘতমং

যস্যাঙিঘপাতং = যস্য + অঙিঘপাতং

ৱণর্ভূন = ৱণভূঃ + ন

গদায়াশ্চৱতো = গদায়াঃ + চৱতো

কচ্চিদ্‌যশোধা ৱথযূথপানাং

গাণ্ডীবধন্বোপৱতাৰিৱাস্তে।

অলক্ষিতো যচ্ছৱকূটগূঢ়োঃ

মায়াকিৱাতো গিৰিশস্তুতোষ।। ৩৮।।

বিসন্ধি — গাণ্ডীবধন্বোপৱতাৰিৱাস্তে = গাণ্ডীৱধন্বা + উপতাৰিঃ + আস্তে

যচ্ছৱকূটগূঢ়োঃ = যৎ + শৱকূটগূঢ়ঃ

গিৰিশস্তুতোষ = গিৰিশঃ + তুতোষ

যমাবুতস্বিত্তনয়ৌ পৃথায়াঃ

পার্থৈর্বৃতৌ পক্ষ্মাভিৱক্ষিণীৱ।

ৱেমাত উদ্দায় মৃধে স্বৰিক্‌থং

পৱাৎ সুপর্ণাবিব বজ্রিবক্ত্রাৎ।। ৩৯।।

বিসন্ধি — যমাবুতস্বিত্তনয়ৌ = যম্‌ + আবুতস্বিত্‌ + তনয়ৌ

পার্থৈর্বৃতৌ = পার্থৈঃ + বৃতৌ

সুপর্ণাবিব = সুপর্ণৌ + ইব

অহো পৃথা২পি ধ্রিয়তে২র্ভকার্থে

ৱাজর্ষিবর্যেণ বিনাপি তেন।

যস্ত্ৱেকবীৱো২ধিৱথো বিজিগ্যে

ধনুর্দ্বিতীয়ঃ কুকুভশ্চতস্রঃ।। ৪০।।

বিসন্ধি — পৃথা২পি = পৃথাঃ + অপি

ধ্রিয়তে২র্ভকার্থে = ধ্রিয়তে + অর্ভক + অর্থে

যস্ত্ৱেকবীৱো২ধিৱথো = যঃ + তু + একবীৱঃ + অধিৱথঃ

ধনুর্দ্বিতীয়ঃ = ধনুঃ + দ্বিতীয়ঃ

কুকুভশ্চতস্রঃ = কুকুভঃ + চতস্রঃ

সৌম্যানুশোচে তমধঃ পতন্তং

ভ্রাত্রে পৱেতায় বিদুদ্রুহে যঃ।

নির্যাপিতো যেন সুহৃৎ স্বপুর্যা

অহং স্বপুত্রান্‌ সমনুব্রতেন।। ৪১।।

বিসন্ধি — সৌম্যানুশোচে = সৌম্য + অনুশোচে

সমনুব্রতেন = সম + অনুব্রতেন

সো২হং হৰের্মর্ত্যবিড়ম্বনেন
দৃশো নৃণাং চালয়তো বিধাতুঃ।
নান্যোপলক্ষ্যঃ পদবীং প্রসাদা
চ্চৰামি পশ্যন্ গতবিষ্ময়ো২ত্র ।। ৪২।।

বিসন্ধি — সো২হং = সঃ + অহং

হৰের্মর্ত্যবিড়ম্বনেন = হৰেঃ + মর্ত্যবিড়ম্বনেন

নান্যোপলক্ষ্যঃ = ন + অন্য + উপলক্ষ্য

গতবিষ্ময়ো২ত্র = গতবিষ্ময়ঃ + অত্র

নূনং নৃপাণাং ত্রিমদোৎপথানাং
মহীং মুহুশ্চালয়তাং চমূভিঃ
বধাৎ প্রপন্নার্তিজিহীর্ষয়েশো
২পুপৈক্ষতাঘং ভগৱান্ কুৰূণাম্।। ৪৩।।

বিসন্ধি — মুহুশ্চালয়তাং = মুহুঃ + চালয়তাং

প্রপন্নার্তিজিহীর্ষয়েশো২প্যুপৈক্ষতাঘং = প্রপন্ন + আর্তিজিহীর্ষয়া + ইশঃ + অপি + উপৈক্ষত + অঘং।

অজস্য জন্মোৎপথনাশনায়
কর্মাণ্যকর্তুর্গ্রহণায় পুং সাম্।
নন্বন্যথা কো২র্হতি দেহযোগং
পৰো গুণানামুত কর্মতন্ত্রম্।। ৪৪।।

বিসন্ধি — কর্মাণ্যকর্তুর্গ্রহণায় = কর্মাণি + অকর্তুঃ + গ্রহণায়

নন্বন্যথা = ননু + অন্যথা

কো২র্হতি = কঃ + অর্হতি

গুণানামুত = গুণানাম্ + উত

তস্য প্রপন্নাখিললোকপালা
মৱস্থিতামনুশাসনে স্বে।
অর্থায় জাতস্য যদুস্বজস্য
বার্তাং সখে কীর্তয় তীর্থকীর্তেঃ ।। ৪৫।।

বিসন্ধি — প্রপন্নাখিললোকপালামৱস্থিতামনুশাসনে = প্রপন্ন + অখিললোকপালাম্ + অৱস্থিতাম্ + অনুশাসনে।

যদুষ্বজস্য = যদুষু + অজস্য

দ্বিতীয় অধ্যায়ৰ প্ৰথম পাঁচোটা শ্লোক

ইতি ভাগৱতঃ পৃষ্টঃ ক্ষত্রা বার্তাং প্রিয়াশ্রয়াম্।

প্রতিবক্তুং ন চোৎসেহ ঔৎকণ্ঠ্যাৎ স্মাৰিতেশ্বৰঃ ।। ১।।

বিসন্ধি — প্রিয়াশ্রয়াম্ = প্রিয় + আশ্রয়াম্

যঃ পঞ্চহায়নো মাত্রা প্রাতৰাশায় যাচিতঃ।

তন্নৈচ্ছদ্রচয়ন্ যস্য সপর্যাং বাললীলয়া।। ২।।

বিসন্ধি — তন্নৈচ্ছদ্রচয়ন্ = তৎ + ন + ঐচ্ছৎ + ৰচয়ন্

সঃ কথং সেৱয়া তস্য কালেন জৰসং গতঃ।

পৃষ্টো বার্তাং প্রতিব্রূয়াদ্ভর্তুঃ পাদাবনুস্মৰন্।। ৩।।

বিসন্ধি — প্রতিব্রূয়াদ্ভর্তুঃ = প্রতিব্রূয়াৎ + ভর্তুঃ

পাদাবনুস্মৰন্= পাদৌ + অনুস্মৰন্

স মুহূর্তমভূত্তূষ্ণীং কৃষ্ণাঙ্ঘ্রিসুধয়া ভৃশম্।

তীব্রেণ ভক্তিযোগেন নিমগ্নঃ সাধু নির্বৃতঃ।। ৪।।

বিসন্ধি — মুহূর্তমভূত্তূষ্ণীং = মুহূর্তম্ + অভূৎ + তূষ্ণীং

কৃষ্ণাঙ্ঘ্রিসুধয়া = কৃষ্ণ + অঙ্ঘ্রিসুধয়া

পুলকোদ্ভিন্নসর্বাঙ্গো মুঞ্চন্মীলদ্‌দৃশা শুচঃ।

পূর্ণার্থো লক্ষিতস্তেন স্নেহপ্রসৰসং প্লুতঃ।। ৫।।

বিসন্ধি — পুলকোদ্ভিন্নসর্বাঙ্গো = পুলক + উদ্ভিন্নসর্বাঙ্গো।

১০.৩.১ শ্লোকসমূহৰ গদ্যৰূপ

অপিস্বিদ্ যঃ সাত্বতাং কামদুঘ্, শব্দযোনিং হ যম্ আমনন্তি স্ম, সত্ত্বতুৰীয়তত্ত্বম্ মনোময়ম্, বঃ ভগৱান, অনিৰুদ্ধঃ সুখম্ আস্তে? ।।৩৪।।

সৌম্য। অপিস্বিদ্ হৃদীক্, সত্যাত্মজ চাৰুদেষ্ণ, গদাদয়ঃ চ অন্যে যে নিজাত্মদ এবম্ অনন্যাবৃত্ত্যা সমনুব্রতা স্বস্তি?।। ৩৫।।

যৎ সভায়াং বিজয়ানুবৃত্ত্যা সাম্রাজ্যলক্ষ্ম্যা দুর্যোধনঃ অতপ্যত, ধর্মঃ স্বদোর্ভ্যাং বিজয়-অচ্যুতভ্যাং ধর্মেণ পৰিপাতি সেতুম্ অপি? ।। ৩৬।।

কৃত অঘেষু অঘম্ অত্যমর্ষী ভীমঃ অহিবৎ দীর্ঘতমং ব্যমুঞ্চৎ কিং বা? যস্য গদায়াঃ চৰতঃ বিচিত্রং মার্গং অঙ্ঘিপাতং ৰণভূঃ ন সেহে।। ৩৭।।

ৰথযূথপানাং যশোধা, গাণ্ডীৱধন্বা, উপৰত অৰি, যৎ শৰকূটগূঢ় গিৰিশঃ তুতোষ, মায়াকিৰাতঃ অলক্ষিতঃ আস্তে?।। ৩৮।।

পক্ষ্মাভিঃ অক্ষিণী ইব পার্থৈঃ পৃথায়াঃ তনয়ৌ যমৌ বৃতৌ উতস্বিৎ? বজ্রি বক্ত্রাৎ সুপর্ণৌ ইব মৃধে পৰাৎ স্বৰিক্‌থং উদ্দায় ৰেমাত? ।। ৩৯।।

অহো! পৃথা অপি অর্ভকার্থে প্রিয়তে, ৰাজর্ষিবর্যেণ বিনা অপি তেন, অধিৰথঃ তু একবীৰঃ, যঃ ধনুঃ দ্বিতীয়ঃ চতস্রঃ কুকুভঃ বিজিগ্যে ।। ৪০।।

সৌম্য! অধঃ পতন্তং তম্ অনুশোচে, যঃ পৰেতায় ভ্রাত্রে বিদুদ্রুহে, যেন স্বপুত্রান্

সমনুব্ৰতেন সুহৃদ্ অহং স্বপূৰ্যা নিৰ্যাপিতঃ।। ৪১।।

অত্ৰ গতবিস্ময়ঃ, বিধাতুঃ হৰেঃ মৰ্ত্যবিড়ম্বনেন নৃণাং দৃশঃ চালয়তঃ, (তস্য) প্ৰসাদাৎ ন অন্য উপলক্ষ্যঃ পশ্যন্ অহং চৰামি।। ৪২।।

ত্ৰিমদোৎপথানাং চমূভিঃ মহীং মুহুঃ চালয়তাং নৃপাণাং (চ বিনাশায়) নূনং প্ৰপন্ন আৰ্তিজিহীৰ্ষয়া ঈশঃ বধাৎ ভগৱান্ কুৰুণাম্ অঘং উপৈক্ষত।। ৪৩।।

উৎপথনাশনায় পুংসাং কৰ্মণি গ্ৰহণায় (চ) অজস্য জন্মঃ অকৰ্তুঃ (চ)। ননু অন্যথা গুণানাম্ উত দেহযোগং কৰ্মতন্ত্ৰং পৰঃ কঃ অৰ্হতি? ।। ৪৪।।

সখে! অজস্য স্বে অনুশাসনে অৱস্থিতানাং প্ৰপন্ন অখিল লোকপানাং অৰ্থায় যদুষু জাতস্য তস্য তীৰ্থকীৰ্তেঃ বাৰ্তাং কীৰ্তয়।। ৪৫।।

দ্বিতীয় অধ্যায়

শ্ৰীশুক উবাচ

ক্ষত্ৰা প্ৰিয়াশ্ৰয়াং ভাগৱতঃ বাৰ্তাং পৃষ্টঃ ইতি, স্মাৰিত ঈশ্বৰঃ ঔৎকণ্ঠ্যাৎ ন চ প্ৰতিবক্তুং উৎসেহ।। ১।।

যঃ পঞ্চহায়নঃ বাললীলয়া যস্য সপৰ্যাং ৰচয়ন্, মাত্ৰা প্ৰাতৰাশায় যাচিতঃ, তৎ ন ইচ্ছৎ।। ২।।

তস্য সেৱয়া কালেন জৰসং গতঃ, বাৰ্তাং পৃষ্টঃ ভৰ্তুঃ পাদৌ অনুস্মৰন্ সঃ কথং প্ৰতিব্ৰূয়াৎ।। ৩।।

সঃ কৃষ্ণ অঙ্ঘ্ৰিসুধয়া ভৃশং মুহূৰ্তং তূষ্ণীম্ অভূৎ, তীব্ৰেণ ভক্তিযোগেন নিমগ্নঃ সাধু নিৰ্বৃতঃ।। ৪।।

(তস্য) সৰ্বাঙ্গঃ পুলকোদ্ভিন্নঃ, শুচঃ মীলদ্ দৃশা মুঞ্চন্, স্নেহপ্ৰসৰসংপ্লুতঃ তেন লক্ষিতঃ পূৰ্ণাথঃ।। ৫।।

১০.৩.২ শ্লোকসমূহৰ অসমীয়া অনুবাদ

যিজন ভক্তসকলৰ অভীষ্ট ফলদাতা, বেদৰূপ শব্দব্ৰহ্মৰ প্ৰকাশক আৰু অন্তঃকৰণ চতুষ্টয়ৰ চতুৰ্থঅংশৰ অধিষ্ঠাতা বুলি শাস্ত্ৰত উল্লেখ আছে, সেই ভগৱান অনিৰুদ্ধ ভালে আছেনে?।। ৩৪।।

হে সৌম্য ! হৃদীক, সত্যভামাৰ পুত্ৰ চাৰুদেষ্ণ আৰু গদ প্ৰভৃতি অন্যান্য লোকসকল, যি সকলে একাগ্ৰচিত্তে দেহ আৰু আত্মাৰ অধিদেৱতাস্বৰূপ শ্ৰীকৃষ্ণৰ অনুৱৰ্তন কৰে, তেওঁলোকৰ কুশল নে?।। ৩৫।।

যিজনৰ বিজয়ৰ জৰিয়তে লাভ কৰা সাম্ৰাজ্য লক্ষ্মী দেখি ৰাজসভাত দুৰ্যোধন পৰিতপ্ত হৈছিল, সেই ধৰ্মৰাজ যুধিষ্ঠিৰ নিজৰ দুই বাহুস্বৰূপ অৰ্জুন আৰু শ্ৰীকৃষ্ণৰ সহায়ত ধৰ্মপথত থাকি ধৰ্মৰক্ষা কৰিব পাৰিছেনে?।। ৩৬।।

অপৰাধীসকলৰ প্ৰতি অত্যন্ত অসহিষ্ণু ভীমে সৰ্পৰ দৰে দীৰ্ঘদিন ধৰি ৰখা

ক্ৰোধ পৰিহাৰ কৰিছেনে? গদাযুদ্ধৰ সময়ত তেওঁ যেতিয়া নতুন নতুন কৌশল অৱলম্বন কৰে তেতিয়া তেওঁৰ পদাঘাত ৰণভূমিয়ে সহ্য কৰিব নোৱাৰে।। ৩৭।।

আত্মগোপনৰ সময়ছোৱাত কিৰাত বেশধাৰী মহাদেৱ যাৰ শৰজালত আচ্ছন্ন হৈ প্ৰসন্ন (সন্তুষ্ট) হৈছিল, যাৰ সকলো শত্ৰু নাশ হৈছে, সেই ৰথী তথা যুথপতিৰ গৌৰৱবৰ্ধনকাৰী, গাণ্ডীৱধাৰী অৰ্জুন কুশলে আছেনে?।। ৩৮।।

চকুৰ পতাই যেনেদৰে চকুযুৰিক ৰক্ষা কৰে তেনেদৰে পৃথাৰ পুত্ৰ যুধিষ্ঠিৰ আদিয়ে যাক ৰক্ষা কৰে তেওঁলোক দুয়ো (নকুল আৰু সহদেৱ)ৰে কুশল নে? গৰুড়ে যেনেদৰে ইন্দ্ৰৰ মুখৰ পৰা অমৃত কাঢ়ি আনিছিল, তেনেদৰে শত্ৰুপক্ষৰ পৰা নিজৰ পৈতৃক ৰাজ্য কাঢ়ি আনি আনন্দ কৰিছেনে?।। ৩৯।।

হায়! কুন্তীয়ে ৰাজৰ্ষিশ্ৰেষ্ঠ পাণ্ডুৰ বিয়োগত মৃতপ্ৰায় হৈও কেৱল তেওঁৰ পুত্ৰসৱৰ বাবেই জীয়াই আছে। ৰথিশ্ৰেষ্ঠ (মহাৰাজ পাণ্ডু) এনেকুৱা অদ্বিতীয় এজন বীৰ আছিল যিজনে এখন মাত্ৰ ধনুৰেই চতুৰ্দিক জয় কৰিছিল।। ৪০।।

হে সৌম্য! যিজনে পৰলোকগত কনিষ্ঠ ভ্ৰাতা (পাণ্ডু)ৰ প্ৰতি শত্ৰুতা আচৰণ কৰিছে আৰু সদায়ে নিজ পুত্ৰসকলৰ মতে অনুসৰি তেওঁলোকৰ হিতাকাংক্ষী মোক নগৰীৰ পৰা বহিস্কাৰ কৰিছে— সেই অধঃপতিত তেওঁৰ প্ৰতি মোৰ দুঃখ হয়।। ৪১।।

ইয়াৰ কাৰণে (মোৰ মনত) কোনো আশ্চৰ্য্যবোধ নাই। জগতবিধাতা শ্ৰীকৃষ্ণই মনুষ্যলীলা কৰি মানুহৰ মনক চলাই আছে, তেওঁৰ অনুগ্ৰহত মই আনৰ অলক্ষিতে, তেওঁৰ মহিমা বুজিব পাৰি আনন্দ মনেৰে ভ্ৰমণ কৰি আছো।। ৪২।।

ত্ৰিমদ অৰ্থাৎ ধন, জন আৰু বিদ্যাৰ গৌৰৱত উন্মত্ত আৰু সৈন্যৰ গৰ্বেৰে গৰ্ৱিত হৈ বাৰে বাৰে পৃথিৱী নিপীড়ন কৰা ৰজাসকলক একেলগে বিনাশ কৰাৰ বাবেই তেওঁ (শ্ৰীকৃষ্ণই) দুৰ্যোধনাদি কৌৰৱসকলৰ অপৰাধ সহ্য কৰি আহিছে।। ৪৩।।

দুষ্টক দমন আৰু জীৱকুলক তেওঁৰ প্ৰতি আকৃষ্ট কৰি শুভ কৰ্মত মনোনিৱেশ কৰাৰ কাৰণেই তেওঁ (শ্ৰীকৃষ্ণ) জন্মৰহিত হৈও জন্মগ্ৰহণ কৰিছে। নহ'লে ত্ৰিগুণাতীত অৱস্থাত থকা কোনো মুক্ত জীৱই কৰ্মাধীন দেহ ধাৰণ নকৰে।। ৪৪।।

হে বন্ধু! জন্মৰহিত হৈও যিজনে শৰণাগত লোকসকলক আৰু শৰণাগতসকলৰ কল্যাণ সাধনৰ বাবে যদুকুলত জন্মগ্ৰহণ কৰিছে, সেই তীৰ্থকীতি (শ্ৰীহৰি)ৰ লীলা বৰ্ণনা কৰক।। ৪৫।।

দ্বিতীয় অধ্যায়

শ্ৰীশুকদেৱে কৈছিল—

বিদুৰে যেতিয়া (উদ্ধৱক) তেওঁৰ প্ৰিয় শ্ৰীকৃষ্ণৰ খবৰ সুধিলে, তেতিয়া উদ্ধৱৰ মনত ভগৱানৰ স্মৃতি জাগি উঠিল, ভাৱৰ আতিশয্যত তেওঁ কোনো উত্তৰ দিবলৈ সমৰ্থ নহ'ল।। ১।।

পাঁচ বছৰ বয়সতেই তেওঁ (উদ্ধৱে) বাল্যক্ৰীড়াত শ্ৰীকৃষ্ণৰ মূৰ্তি নিৰ্মাণ কৰি

তেওঁৰ পূজা সেৱাত এনেদৰে নিমজ্জিত হৈছিল যে মাকে প্ৰাতভোজনৰ বাবে মাতি থাকিলেও তেওঁ সেয়া এৰি যোৱা নাছিল।। ২।।

(এতিয়া তো) তেওঁ বহুদিন ধৰি শ্ৰীকৃষ্ণৰ পূজা-সেঁৱাত ব্যস্ত হৈ বৃদ্ধাৱস্থা প্ৰাপ্ত হৈছে, (গতিকে) বিদুৰৰ প্ৰশ্নত প্ৰভুৰ চৰণযুগলৰ কথা স্মৰণ কৰি কেনেদৰে উত্তৰ দিব পাৰিব?।। ৩।।

শ্ৰীকৃষ্ণৰ চৰণযুগলৰ স্মৃতি-সুধাত আপ্লুত হৈ বহু সময় তেওঁ কোনো কথাই ক'ব নোৱাৰিলে। অতিশয় ভক্তিভাৱত সেই সুধাত মগ্ন হৈ আনন্দ সাগৰত ডুব গ'ল ।। ৪।।

তেওঁৰ সৰ্বাঙ্গ ৰোমাঞ্চিত হৈ উঠিল, মুদিত নয়ন প্ৰেমৰ অশ্ৰুধাৰাত সিক্ত হ'ল। উদ্ধৱক এইদৰে প্ৰেমৰ সাগৰত নিমজ্জিত হোৱা দেখি বিদুৰৰ জন্ম সাৰ্থক হোৱা যেন লাগিল।। ৫।।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ তলত দিয়া শব্দবোৰ বিসন্ধি কৰক।

ধনুৰ্দ্বিতীয়, সমনুব্ৰতেন, সোঽহং, অপিস্বিদন্যে, ৰণৰ্ভূন, সুপৰ্ণাবিৱ, কোঽৰ্হতি, পাদৱনুস্মৰন্।

প্ৰশ্ন নং ২ ঃ চাৰুদেষ্ণৰ মাতৃ কোন আছিল?

.....

.....

প্ৰশ্ন নং ৩ ঃ অন্তঃকৰণৰ চাৰিটা অংশ কি কি?

.....

.....

প্ৰশ্ন নং ৪ ঃ 'ত্ৰিমদ' শব্দটোৰ অৰ্থ লিখক।

.....

.....

১০.৪ কেইটামান জানিবলগীয়া কথা

(ক) **চাৰুদেষ্ণ** — শ্ৰীকৃষ্ণ আৰু ৰুক্মিণীৰ দহজন পুত্ৰৰ ভিতৰত এজন

(খ) **গৰুড়** — এটা প্ৰকাণ্ড পক্ষী। ভগৱান বিষ্ণুৰ বাহন। পিতৃ হ'ল কশ্যপ মুনি আৰু মাতৃ হ'ল দক্ষ-কন্যা বিনতা সতিনী কদ্ৰুৰে বিনতাক দাসী কৰি ৰাখিছিল। মাতৃৰ দাসত্ব মোচনৰ বাবে গৰুড় স্বৰ্গলৈ গৈ অমৃত পৃথিৱীলৈ আনে। ইন্দ্ৰই কাজিয়া কৰি অমৃত ওভোতাই নিব বিচাৰিছিল যদিও নোৱাৰে। গৰুড়ে ইন্দ্ৰক পৃথিৱীৰ পৰা অমৃত নিব পাৰিব বুলি কয় যদিহে সৰ্পকুল তেওঁৰ ভক্ষ্য হয়। অমৃত পোৱাৰ পিছত সৰ্পকুলে বিনতাক মুক্ত কৰি দিয়ে। কিন্তু

ইন্দ্ৰই অমৃত মনে মনে লৈ যোৱাৰ ফলত অমৃত খাবলৈ নাপায় সৰ্পকুলে অমৃত ভাঙু থোৱা কুশ চেলেকে। তেতিয়াৰ পৰাই সৰ্পবোৰৰ জিভা কাটি দুফাল হয় বুলি কোৱা হয়।

(গ) **ত্ৰিগুণ** — সত্ত্ব, ৰজ আৰু তমক

ত্ৰিগুণ বুলি কোৱা হয়।

(ঘ) **গাণ্ডীৱ** — অৰ্জুনৰ ধনুখনৰ নাম। ব্ৰহ্মাই এই ধনুখন নিৰ্মাণ কৰিছিল বুলি কোৱা হয়। ব্ৰহ্মাৰ পৰা সোমে, সোমৰ পৰা বৰুণে আৰু খাণ্ডৱ-দাহৰ সময়ত অগ্নিৰ কথামতে বৰুণে অৰ্জুনক দিয়ে। পাণ্ডৱৰ মহাপ্ৰস্থানৰ সময়ত অগ্নিৰ কথামতে অৰ্জুনে গাণ্ডীৱ-ধনু জলত নিক্ষেপ কৰে।

(ঙ) **ময়দানৱ** — দিতিৰ পুত্ৰ, বিখ্যাত দানৱ। মন্দোদৰীৰ পিতৃ। দানৱ-সমাজৰ তেওঁ এজন শিল্পী। যুধিষ্ঠিৰৰ ৰাজসূয়-যজ্ঞৰ অপূৰ্ব-সভা তেওঁ নিৰ্মাণ কৰিছিল।

(চ) **দেৱমাতা** — দেৱতাসকলৰ মাতৃ। অদিতি। দক্ষ প্ৰজাপতিৰ ৬০ গৰাকী তনয়াৰ ভিতৰত অদিতি অন্যতমা আৰু ত্ৰয়োদশ কন্যা। কশ্যপ আৰু অদিতিৰ সন্তান হ'ল দ্বাদশ আদিত্য, অষ্টবসু, একাদশ ৰুদ্ৰ আৰু অশ্বিনীকুমাৰদ্বয়।

(ছ) **ত্ৰয়ী** — ঋগ্‌বেদ, সামবেদ আৰু যৰ্জুবেদক একেলগে ত্ৰয়ী বুলি কোৱা হয়।

(জ) **হৃদিক** — যদুবংশীয় স্বয়ংভোজৰ পুত্ৰ। চাৰুদেষ্ণ, গদ - শ্ৰীকৃষ্ণ আৰু সত্যভামাৰ পুত্ৰ।

(ঝ) **গাণ্ডীৱ** — অৰ্জুনৰ ধনুৰ নাম। এই ধনুখন পূৰ্বে ব্ৰহ্মাই এহেজাৰ বছৰ ৰাখে। তাৰ পিছত ক্ৰমে প্ৰজাপতি, ইন্দ্ৰ, বৰুণ, সোম আৰু অগ্নিয়ে এই ধনু ধাৰণ কৰে। খাণ্ডৱ বন দাহৰ সময়ত অগ্নিয়ে অৰ্জুনক দিয়ে।

(ঞ) **সুপর্ণ** — গৰুড় পক্ষী। বিষ্ণুৰ বাহন আৰু পক্ষীকুলৰ ৰজা। কাশ্যপ আৰু বিনতাৰ পুত্ৰ। সৰ্পবিলাকৰ শত্ৰু।

১০.৫ শব্দাৰ্থ

ইয়াত আপুনি শ্লোকসমূহত থকা কিছুমান টান শব্দৰ অৰ্থৰ লগত পৰিচিত হ'ব।

কামদুধঃ	=	অভীষ্ট ফলদাতা
সত্ত্বতুৰীয়	=	অন্তঃকৰণৰ চাৰিটি অংশৰ এটা হ'ল তুৰীয়। বাকী তিনিটা হ'ল— জাগ্ৰত, স্বপ্ন আৰু সুষুপ্তি
স্বার্দোভ্যাম্‌	=	
বিজয়	=	অৰ্জুন
অচ্যুত	=	শ্ৰীকৃষ্ণ
অঘং	=	পাপ
অঙিঘপাতং	=	পদাঘাত
অহিবৎ	=	সাপৰ দৰে
যশোধা	=	গৌৰৱবৰ্ধনকাৰী

উপৱত	=	নাশ হোৱা
গিৰিশ	=	শিৱ
যম	=	যজা, ইয়াত মাদ্রীপুত্র নকুল আৰু সহদেৱক বুজোৱা হৈছে।
পক্ষ্মাভিঃ	=	চকুৰ পতাৰ দ্বাৰা
স্বৰিক্থং	=	উত্তৰাধিকাৰীসূত্রে পোৱা ধন।
সুপর্ণ	=	গৰুড়
বজ্রিবক্ত্রাৎ	=	ইন্দ্রৰ পৰা
অর্ভক	=	সন্তান
ককুভ	=	দিশ
স্বপুর্যা	=	নিজ নগৰী
সপর্য্যা	=	পূজা সেৱা



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ দেৱমাতা কোন?

.....

প্রশ্ন নং ৬ ঃ ইন্দ্রৰ মুখৰ পৰা কোনে অমৃত কাঢ়ি আনিছিল?

.....

প্রশ্ন নং ৭ ঃ তলত দিয়া শব্দবোৰৰ অর্থ লিখক।

অঘম্ ; গিৰিশ ; কামদুধ ; অমর্ষী ;
সুপর্ণ ; ককুভ ; স্বপুর্য্য।



১০.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- শ্লোকসমূহৰ সংস্কৃত পাঠ জানিলে।
- শ্লোকসমূহৰ গদ্যৰূপ আৰু অসমীয়া অনুবাদৰ বিষয়ে জানিলে।
- শ্লোকসমূহত থকা কিছুমান গুৰুত্বপূর্ণ বিষয়ৰ চমু পৰিচয় জানিব পাৰিলে।
- শ্লোকসমূহত থকা কঠিন শব্দসমূহৰ অর্থ সহজভাৱে জানিলে।



১০.৭ অধিক জানিবলৈ

১) পোদ্দাৰ, হনুস্মানপ্ৰসাদ (২০১৫); শ্ৰীমদ্ভাগৱত-মহাপুৰাণ, গোৰক্ষপুৰ, গীতাপ্ৰেস।

২) বিদ্যালঙ্কাৰ, শশিভূষণ (২০০৭); পৌৰাণিক অভিধান, কলকাতা-৬, সদেশ, ১০১ বি, বিবেকানন্দ ৰোড।

৩) Joshi, K. L. (2011) ed. : *Srimadbhagavat-mahapuranam*, Delhi : Parimal Publication.



১০.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ অপিস্বিদ্ + অন্যে;

ৰণভূঃ + ন; সুপর্ণৌ + ইৰ; ধনুঃ + দ্বিতীয় ক ঃ + অর্হতি;

পাদৌ + অনুস্মৰন্; সম + অনুব্রতেন সঃ + অহং

২ নং প্ৰশ্নৰ উত্তৰ ঃ সত্যভামা।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ চিত্ত, অহংকাৰ, বুদ্ধি আৰু মন।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ধন-জন আৰু বিদ্যাৰ গৌৰৱত উন্মত্ত হোৱা।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ অদিতি।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ গৰুড়।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ অঘম্ — পাপ; গিৰিশ — শিৱ; কামদুধ — অভীষ্ট ফলদাতা; অমর্ষী — অসহিষ্ণু; সুপর্ণ — গৰুড়; ককুভ — দিশ; স্বপুর্য্যা — নিজনগৰী।



১০.৯ আৰ্হি প্ৰশ্ন

(ক) বস্তুধর্মী প্ৰশ্ন ঃ (৫০ টা শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ তলত দিয়া শব্দবোৰৰ সন্ধি ভাঙি দেখুৱাওক।

ৰণভূর্ণ, যচ্চৰকূটগূঢ়ো, সোঽহং, নন্বন্যথা, যদুষ্বজস্য, নান্যোপলক্ষ্যঃ পাদবনুস্মৰণ,

কৃষ্ণাঙ্ঘ্ৰিসুধয়া, প্ৰতিব্ৰয়াদ্ভুৰ্তুঃ।

(খ) চুটি প্ৰশ্ন ঃ (১৫০ টা শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ চমুটোকা লিখক ঃ

দেৱমাতা, গাণ্ডীৱ, সুপৰ্ণ।

(গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (৩০০ টা শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ শ্ৰীমদ্ভাগৱতপুৰাণৰ তৃতীয়স্কন্ধৰ প্ৰথম অধ্যায়ৰ ৩৪ নং শ্লোকৰ পৰা ৪৫ নং শ্লোকলৈ অনুবাদ লিখক।

*** ***** ***

অধ্যায় ১১ ঃ অনুবাদ (অসমীয়া ভাষাৰ পৰা সংস্কৃত ভাষালৈ)

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য

১১.২ পৰিচয়

১১.৩ অনুবাদৰ বিভিন্ন কৌশলসমূহ

১১.৩.১ সংস্কৃত বাক্যসমূহৰ গাঁথনি

১১.৩.২ বাক্যত কর্ত্তা আৰু ক্রিয়াৰ প্রয়োগ

১১.৩.৩ বিশেষ্য (অথবা সর্বনাম) আৰু বিশেষণৰ সংযোগ

১১.৩.৪ লকাৰৰ প্রয়োগ

১১.৪ অনুবাদ সম্বন্ধে আৰু কিছুমান জানিবলগীয়া কথা

১১.৫ অনুবাদৰ নমুনা

১১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১১.৭ অধিক জানিবলৈ

১১.৮ অগ্রগতিৰ খতিয়ান

১১.৯ আর্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সংস্কৃত ভাষালৈ অনুবাদৰ বাবে যিবিলাক নিয়মৰ প্রয়োজন,সেই সমূহৰ সামান্য ধাৰণা লাভ কৰিব পাৰিব
- সংস্কৃত ভাষাৰ লিঙ্গ, বচন, বিভক্তি, শব্দৰূপ, ধাতুৰূপ আদি ব্যাকৰণৰ বিষয়সমূহৰ আংশিক পৰিচয় লাভ কৰিব পাৰিব
- শব্দসমূহৰ ব্যৱহাৰ আৰু ভাষাত প্রয়োগ হোৱাৰ লগে লগে ইয়াৰ ৰূপগত পৰিৱর্তন সমূহো জানিব পাৰিব
- বাক্যত থকা কর্ত্তা আৰু ক্রিয়াৰ প্রয়োগৰ বিষয়ে জানিব পাৰিব
- সংস্কৃত বাক্যসমূহৰ বাক্য গাঁথনিৰ বিষয়ে সম্যক জ্ঞান লাভ কৰিব।

১১.২ পৰিচয়

আপুনি নিশ্চয় জানে যে অনুবাদ হৈছে একপ্রকাৰ কলা (Art)। পৃথিৱীৰ বিভিন্ন জন-গোষ্ঠীৰ ভাষাসমূহৰ জ্ঞান লাভ কৰিবলৈ অনুবাদৰ আশ্রয় লৈ অহা হৈছে। এই অনুবাদে ভাষা এটাৰ সামগ্রিক ধাৰণা এটা দিব পাৰে । অনুবাদে এটা ভাষিক গোষ্ঠীৰ সাহিত্য-কলা-সংস্কৃতিৰ সম্যকধাৰণা আন এটা ভাষিক গোষ্ঠীৰ সন্মুখত দাঙি ধৰিব পাৰে।

অন্যভাষাৰ পৰা সংস্কৃতলৈ অথবা সংস্কৃতৰ পৰা আন ভাষালৈ কৰা অনুবাদে ভাষা দুটাৰ মাজত পাৰস্পৰিক সম্বন্ধ অথবা ভাষাদুটাৰ মাজত থকা বৈসাদৃশ্যসমূহ দেখুৱাই দিব পাৰে। সংস্কৃত ভাষাৰ পৰাই অসমীয়া ভাষাৰ উৎপত্তি হোৱা হেতুকে ভাষাদুটাৰ মাজত বহু পৰিমাণে মিল থকা দেখিবলৈ পোৱা যায়। অসমীয়া ভাষা আৰু সংস্কৃত ভাষাৰ শব্দৰ গাঁথনি আৰু ব্যাকৰণগত নিয়ম সমূহো সামগ্রিকভাৱে একে।

অসমীয়া ভাষাৰ পৰা সংস্কৃত ভাষালৈ বাক্য অনুবাদ কৰিবলৈ হ'লে সংস্কৃত ভাষাৰ শব্দ সমূহৰ জ্ঞান, ধাতুসমূহৰ জ্ঞান, কাৰক, বিভক্তি আদিৰ জ্ঞান থাকিব লাগিব। লট্ লকাৰ, সন্ধি, সমাস, কৃৎপ্রত্যয়, তদ্ধিৎ প্রত্যয়, বাচ্য (voice), সংখ্যা আদিৰ ধাৰণা থাকিলেহে আপুনি সংস্কৃত ভাষালৈ অনুবাদ কৰিবলৈ সমর্থ হব। গতিকে এনেধৰণৰ বহুতো বিষয়ৰ লগত এই অধ্যায়টিৰ জৰিয়তে পৰিচিত হ'ব পাৰিব।

১১.৩ অনুবাদৰ বিভিন্ন কৌশলসমূহ

অসমীয়া ভাষাৰ পৰা সংস্কৃত ভাষালৈ বাক্য অনুবাদ কৰিবলৈ হ'লে সংস্কৃত ভাষাৰ ব্যাকৰণৰ কিছুমান প্রাথমিক কথা আপুনি জানিব লাগিব। অসমীয়া ভাষাত শব্দসমূহক সাধাৰণতে ৪ ভাগত ভাগ কৰা হৈছে। সেইবোৰ হ'ল--

১) তৎসম শব্দ, যিবোৰ অসমীয়া ভাষাৰ শব্দ সংস্কৃতৰ সৈতে একে সেইবোৰ তৎসম শব্দ। যেনে— নদী, সূর্য্য, চন্দ্র ইত্যাদি। অসমীয়া বিভক্তি, এ, ক, ৰে আদিৰ দ্বাৰা গঠন হোৱা এই শব্দ সমূহক সংস্কৃতৰ বিভক্তি সমূহৰ প্রয়োগৰ দ্বাৰা সংস্কৃতলৈ ৰূপান্তৰ কৰা হয়। উদাহৰণ স্বৰূপে— ৰামে (ৰাম + এ)$\Rightarrow$ ৰাম ঃ (ৰাম + সু) (প্রথমা বিভক্তি, এক বচন), সূর্য্যৰ পৰা (সূর্য্য + পৰা) $\Rightarrow$ সূর্য্যাৎ, (সূর্য্য + ঙসি) (পঞ্চমী বিভক্তি, একবচন) ইত্যাদি।

২) তদ্ভৱ শব্দ, যিবোৰ অসমীয়া ভাষাৰ শব্দ সংস্কৃত ভাষাৰ পৰা উৎপত্তি হৈছে কিন্তু অসমীয়া ভাষাত সেইবোৰৰ প্রয়োগ হুবহু সংস্কৃতৰ দৰে নহয়, সেইবোৰ তদ্ভৱ শব্দ। যেনে— কাঠ - কাষ্ঠ, পাত - পত্র, মৌ - মধু ইত্যাদি। অনুবাদ কৰাৰ ক্ষেত্রত এই অসমীয়া শব্দসমূহৰ মূল শব্দটো উলিয়াই সেইবোৰত বিভক্তি প্রয়োগ কৰি সংস্কৃত কৰা হয়। যেনে— কাঠবোৰ- কাঠ - কাষ্ঠ (মূলশব্দ) $\Rightarrow$ কাষ্ঠ+ জস্- কাষ্ঠাঃ (প্রথমা বিভক্তি, বহুবচন)।

৩) দেশী শব্দ, অর্থাৎ যিবোৰ শব্দ অসমীয়া ভাষাৰ পৰা সৃষ্টি হয়। এই শব্দসমূহৰ অনুবাদৰ ক্ষেত্রত শব্দবিলাকৰ অর্থ উলিয়াই লৈ , সেই অর্থবোধক সংস্কৃত শব্দ উলিয়াব লাগে। যেনে— ডাৱৰ-মেঘ, জোন - চন্দ্র ইত্যাদি।

৪) বিদেশী শব্দ, অর্থাৎ যিবোৰ বিদেশী শব্দ অসমীয়া ভাষাত ব্যৱহাৰ কৰা হয়। এইবোৰ শব্দৰ অনুবাদৰ ক্ষেত্রত শব্দটোৰ অর্থ অনুসৰি সংস্কৃত শব্দ ব্যৱহাৰ কৰিব পাৰি। যেনে— হাকিম- বিচাৰকঃ, হেড্মাষ্টাৰ - প্রধানশিক্ষকঃ, কেৰানী - কর্মলেখকঃ আদি।

যিবিলাক শব্দৰ সংস্কৃত শব্দ উলিয়াবলৈ সমস্যা হয়, সেইবোৰ শব্দক সংস্কৃত কৰিবলৈ সাধাৰণতে মূল শব্দটোৰ পিছত 'ইতি প্রসিদ্ধ', 'ইতি বিখ্যাত' আদিৰ ব্যৱহাৰ কৰা হয়। যেনে— মোবাইলফোন ইতি প্রসিদ্ধদূৰভাষযন্ত্রেণ বার্তালাপং কৰোতি (মোবাইলফোনেৰে (তেওঁ) কথা পাতিছে); ৰেডিঅ' ইতি বিখ্যাতযন্ত্রেণ বার্তাং শৃণ্বন্তি (ৰেডিঅ'ৰ জৰিয়তে (তেওঁলোকে) বাতৰি শুনিছে)।

তলত অনুবাদৰ আন কিছুমান কৌশল আপোনাৰ সুবিধাৰ বাবে আলোচনা কৰা হ'ব।

১১.৩.১ সংস্কৃত বাক্যসমূহৰ গাঁথনি

এতিয়া আপুনি সংস্কৃত বাক্যৰ গাঁথনি সম্পর্কে জানিব পাৰিব। তলত এই বিষয়ে আলোচনা আগবঢ়োৱা হ'ল—

১) প্রত্যেক বাক্যৰেই দুটা অংশ থাকে। সেই দুটা হৈছে- উদ্দেশ্য আৰু বিধেয়। যাক লক্ষ্য কৰি কোনো এটা কথা কোৱা হয়, তাকে উদ্দেশ্য বোলে; আৰু উদ্দেশ্যৰ বিষয়ে যিকোৱা হয় অথবা যি আৰোপ কৰা হয়, তাকে বিধেয় বোলে। যেনে—

বাক্য	উদ্দেশ্য	বিধেয়
সঃ গচ্ছতি (তেওঁ গৈছে)	সঃ (তেওঁ)	গচ্ছতি (গৈছে)
বালকঃ চন্দ্রং পশ্যতি	বালকঃ (ল'ৰাজনে)	চন্দ্রং পশ্যতি
(ল'ৰাজনে চন্দ্রটোক চাইছে)	(চন্দ্রটোক চাইছে)	

২) গুণবাচক শব্দ ব্যৱহাৰ কৰিও উদ্দেশ্য আৰু বিধেয়ক অধিক প্রকাশিত কৰা হয়। এই গুণবাচক শব্দ সমূহক 'সম্প্রসাৰক' বোলা হয়। যেনে—

বাক্য	উদ্দেশ্যৰ সম্প্রসাৰক	বিধেয়ৰ সম্প্রসাৰক
সঃ সাধুঃ বালকঃ সুন্দৰং চন্দ্রং প্রায়েণ পশ্যতি (সেই ভাল ল'ৰা জনে সুন্দৰ চন্দ্রটোক প্রায়ে চায়)	সঃ সাধুঃ	সুন্দৰং, প্রায়েণ

৩) কেতিয়াবা উদ্দেশ্য আৰু বিধেয়ৰ একেই বিভক্তি হয়। যেনে— সীতা - সাধ্বী (সীতা গুণৱতী) (ইয়াত দুয়োটাতে প্রথমা বিভক্তিৰ প্রয়োগ হৈছে)। কেতিয়াবা উদ্দেশ্য আৰু বিধেয় পদৰ লিঙ্গ বেলেগ হয়। যেনে— অহিংসা (স্ত্রীলিঙ্গ) পৰমঃ ধর্মঃ (পুংলিঙ্গ) (অহিংসাই হৈছে পৰম ধর্ম); পিতা (পুংলিঙ্গ) হি পৰমং তপঃ (ক্লীৱলিঙ্গ) (পিতাই হৈছে পৰম তপস্যা)।

৪) কেতিয়াবা বিভিন্ন লিঙ্গৰ উদ্দেশ্য আৰু বিধেয়ৰ সৈতে সম্বন্ধ থকা 'যদ্' আৰু 'তদ্' শব্দৰ পৃথক লিঙ্গ প্রযুক্ত হয়। যেনে- শৈত্যং (ক্লীৱলিঙ্গ) হি যৎ সা প্রকৃতি (স্ত্রীলিঙ্গ) জলস্য (শীতলতাই হৈছে পানীৰ ধর্ম)। ইয়াত 'যৎ' পদটো 'শৈত্যং' পদৰ লগত

যুক্ত হোৱা কাৰণে ক্লীৱলিঙ্গ হৈছে। কিন্তু 'প্ৰকৃতি' শব্দৰ লগত যুক্ত হোৱা কাৰণে 'তদ্' পদৰ স্ত্ৰীলিঙ্গ 'সা' পদটো প্ৰযুক্ত হৈছে।

৫) সংস্কৃত ভাষাত এনে কিছুমান বিশেষণ শব্দ আছে, যিবোৰে কেতিয়াও নিজৰ লিঙ্গ পৰিত্যাগ নকৰে। এইবোৰ বিশেষণক ' অজহল্লিঙ্গবিশেষণ' বোলে। বিধেয় বিশেষণ হিচাপে ব্যৱহৃত হোৱা এই শব্দবোৰ হৈছে— কাৰণ, আস্পদ, নিদান, পদ, পাত্ৰ, প্ৰমাণ, ভাজন, ভূষণ, মূল, শৰণ, স্থান ইত্যাদি। এই শব্দসমূহ সদায় ক্লীৱলিঙ্গ আৰু একবচনত প্ৰযুক্ত হয়। বিধেয়ৰ বিশেষণ ৰূপে ব্যৱহাৰ হ'লেও এইবোৰে কেতিয়াও উদ্দেশ্যৰ লিঙ্গ আৰু বচন গ্ৰহণ নকৰে, কিন্তু এইবিলাকৰ বিভক্তি উদ্দেশ্যৰ লগত একে। যেনে—

শিক্ষকঃ ছাত্ৰাণাম্ পূজাস্পদম্	—	শিক্ষক ছাত্ৰসকলৰ পূজাৰ পাত্ৰ।
পৰমেশ্বৰঃ সৰ্বভূতানাং কাৰণম্	—	ঈশ্বৰেই সকলো প্ৰাণীৰ কাৰণ।
দুষ্টঃ মানৱঃ বিৱাদস্য নিদানম্	—	দুষ্টলোক বিৱাদৰেই কাৰণ।
সম্পদঃ আপদাং পদম্	—	সম্পদ আপদৰ বাসস্থান।
অপত্যানি মাতুঃ স্নেহপাত্ৰম্	—	সন্তান মাকৰ স্নেহৰ পাত্ৰ।
অত্ৰ বিষয়ে বেদাঃ প্ৰমাণম্	—	এই বিষয়ত বেদসমূহেই প্ৰমাণ।
শিষ্যাঃ গুৰোঃ স্নেহভাজনম্	—	শিষ্যসকল গুৰুৰ স্নেহৰ পাত্ৰ।
পতিঃ নাৰীণাং ভূষণম্	—	স্বামী হৈছে নাৰীসকলৰ অলংকাৰ।
বিৱাদঃ অনৰ্থস্য মূলম্	—	বিৱাদ হৈছে অনৰ্থৰ মূল।
হে দেৱ সন্তপ্তানাং ত্বং শৰণম্	—	হে দেৱ, তুমি দুঃখীসকলৰ আশ্ৰয়।
বিদ্যা দৈৱতম্	—	বিদ্যাই হৈছে দেৱতা।

১১.৩.২ বাক্যত কৰ্ত্তা (Subject) আৰু ক্ৰিয়াৰ (Verb) প্ৰয়োগ

১) সংস্কৃতভাষাত কৰ্ত্তা আৰু ক্ৰিয়াৰ পুৰুষ (Person) আৰু বচন (Number) একেই হয়। যেনে— সঃ গচ্ছতি (তেওঁ গৈছে), তে গচ্ছন্তি (তেওঁলোক গৈছে)। এইখিনিতেই আপুনি জানি থোৱা ভাল যে সংস্কৃত ভাষাত অসমীয়া আৰু ইংৰাজী ভাষাৰ দৰে তিনিটা পুৰুষ ব্যৱহাৰ হয়। তলত পুৰুষৰ লগতে পুৰুষত ব্যৱহাৰ হোৱা শব্দবোৰ দেখুওৱা হ'ল—

পুৰুষৰ নাম (অসমীয়া)	**সংস্কৃত নাম**	**ইংৰাজী নাম**	**প্ৰয়োগ হোৱা শব্দ**
প্ৰথম পুৰুষ	উত্তম পুৰুষঃ	First Person	অহম্ (I, মই)
উদাহৰণ ঃ	একবচন	অহম্ গচ্ছামি (মই গৈছোঁ)	
	দ্বিবচন	আৱাম্ গচ্ছাবঃ (আমি দুজন গৈছোঁ)	
	বহুবচন	বয়ম্ গচ্ছামঃ (আমি গৈছোঁ)	

দ্বিতীয় পুৰুষ উদাহৰণ ঃ	মধ্যমপুৰুষঃ একবচন দ্বিবচন বহুবচন	Second Person ত্বম্ গচ্ছসি (তুমি গৈছা) যুৱাম্ গচ্ছথঃ (তোমালোক দুজন গৈছা) যূয়ম্ গচ্ছথ (তোমালোক গৈছা)	ত্বম্ (You,তুমি)
তৃতীয় পুৰুষ উদাহৰণ ঃ	প্রথম পুৰুষঃ একবচন দ্বিবচন বহুবচন	Third Person সঃ গচ্ছতি (তেওঁ গৈছে) তৌ গচ্ছতঃ (তেওঁলোক দুজন গৈছে) তে গচ্ছন্তি (তেওঁলোক গৈছে)	সঃ (He, তেওঁ) ৰামঃ, বিক্রমঃ, সীতা ইত্যাদি শব্দবোৰ



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ১ ঃ উদাহৰণত দেখুওৱাৰ দৰে বাক্যবোৰ পৰিৱর্তন কৰক ঃ

	সংস্কৃত	অসমীয়া
উদাহৰণ—	অহম্ খাদামি	মই খাইছোঁ
	১) ত্বম্ গচ্ছ	.....
	২)	ল'ৰাবোৰে খেলিছে
	৩) বয়ম্ হসামঃ	.....
	৪)	আমি দুজনে পঢ়িছোঁ
	৫) বিক্রমঃ গায়তি	.....

২) সংস্কৃত ভাষাত তিনিটা বচন (Number) দেখিবলৈ পোৱা যায়। অসমীয়া আৰু ইংৰাজীভাষাত কেৱল দুটা বচনহে প্রয়োগ কৰা হয়। যেনে-

অসমীয়া	ইংৰাজী	সংস্কৃত	উদাহৰণ
একবচন	Singular	একবচনম্	বালকঃ গচ্ছতি (ল'ৰাজন গৈছে)
		দ্বিবচনম্	বালকৌ গচ্ছতঃ (ল'ৰা দুজন গৈছে)
বহুবচন	Plural	বহুবচনম্	বালকাঃ গচ্ছন্তি (ল'ৰাবোৰ গৈছে)

৩) প্রথম পুৰুষত দুটা একবচনান্ত **কর্ত্তা** 'চ' (আৰু/and) এই অব্যয়ৰ দ্বাৰা সংযুক্ত হ'লে, 'ক্রিয়া' সাধাৰণতে প্রথম পুৰুষৰ দ্বিবচনত ব্যৱহাৰ কৰা হয়। যেনে— ৰামঃ হৰিঃ চ গচ্ছতঃ (ৰাম আৰু হৰি গৈছে)। প্রথম পুৰুষত দুটাত কৈ বেছি কর্ত্তাপদ 'চ' অব্যয়ৰ দ্বাৰা সংযুক্ত হ'লে ক্রিয়া প্রথম পুৰুষৰ বহুবচনত ব্যৱহাৰ কৰা হয়। যেনে— ৰামঃ হৰিঃ শ্যামঃ চ ক্রীড়ন্তি (ৰাম, হৰি আৰু শ্যামে খেলিছে)। অব্যয় 'চ' ৰ দ্বাৰা সংযুক্ত হোৱাৰ পিছত কর্ত্তা আৰু ক্রিয়াৰ সম্বন্ধ তলত দেখুৱাই দিয়া হ'ল—



কর্ত্তা দুটা হ'লে দ্বিবচন, কর্ত্তা দুটাতকৈ বেছি থাকিলে বহুবচন। অর্থাৎ কর্ত্তাৰ সংখ্যা অনুসৰি ক্রিয়া নির্ধাৰিত হয়।

	পুৰুষ	ক্রিয়া
ক)	প্রথম পুৰুষ (একবচন) + প্রথম পুৰুষ (একবচন)	প্রথম পুৰুষৰ দ্বিবচন
	উদাহৰণ— ৰামঃ হৰিঃ চ গচ্ছতঃ (ৰাম আৰু হৰি গৈছে)	গচ্ছতঃ
খ)	প্রথম পুৰুষ (একবচন) + প্রথম পুৰুষ (একবচন) + প্রথম পুৰুষ (একবচন)	প্রথম পুৰুষৰ বহুবচন
	উদাহৰণ— ৰামঃ হৰিঃ শ্যামঃ চ ক্রীড়ন্তি (ৰাম, হৰি, আৰু শ্যামে খেলিছে)	ক্রীড়ন্তি
গ)	প্রথম পুৰুষ (একবচন) + মধ্যম পুৰুষ (একবচন)	মধ্যম পুৰুষৰ দ্বিবচন
	উদাহৰণ— সঃ ত্বং চ বিদ্যালয়ং অগচ্ছতম্ (তেওঁ আৰু তুমি বিদ্যালয়লৈ গৈছিলা)	অগচ্ছতম্
ঘ)	প্রথম পুৰুষ (একবচন) + উত্তম পুৰুষ (একবচন) (কর্ত্তাৰ সংখ্যা অনুসৰি হয়)	উত্তম পুৰুষৰ দ্বিবচন,
	উদাহৰণ— সঃ অহং চ উচ্চৈঃ অপঠাব (তেওঁ আৰু মই চিঞৰি পঢ়িছিলো)	অপঠাব
ঙ)	মধ্যম পুৰুষ (একবচন)+ উত্তম পুৰুষ (একবচন)	উত্তম পুৰুষৰ দ্বিবচন (কর্ত্তাৰ সংখ্যা অনুসৰি হয়)
	উদাহৰণ— ত্বম্ অহং চ পৰীক্ষায়াম্ উত্তীর্ণৌ অভবাব (তুমি আৰু মই পৰীক্ষাত উত্তীর্ণ হৈছিলো)	অভৱাব
চ)	প্রথম পুৰুষ (একবচন) + মধ্যম পুৰুষ (একবচন) + উত্তম পুৰুষ (একবচন)	উত্তম পুৰুষৰ বহুবচন, (কর্ত্তাৰ সংখ্যা অনুসৰি হয়)
	উদাহৰণ— সঃ ত্বং অহং চ হসামঃ (মই, তুমি আৰু তেওঁ হাঁহিছোঁ)।	হসামঃ

৪) বিভিন্ন পুৰুষ আৰু বচনৰ কর্ত্তা 'বা' এই অব্যয়টোৰ দ্বাৰা সংযুক্ত হ'লে, আটাইতকৈ ওচৰত থকা কর্ত্তাৰ পুৰুষ আৰু বচন অনুসৰি ক্রিয়াৰ পুৰুষ আৰু বচন নির্দিষ্ট হয়। যেনে— সঃ ত্বং বা গমিষ্যসি (তেওঁ বা তুমি যাবা), তে বয়ং বা ক্রীড়ামঃ (তেওঁলোক অথবা আমি খেলিছোঁ)।



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ২ ঃ উদাহৰণত দেখুওৱাৰ দৰে তলৰ বাক্যকেইটা পৰিৱর্তন কৰক—

	সংস্কৃত	অসমীয়া
উদাহৰণ—	তপনঃ বিকাশঃ চ খাদতঃ	তপন আৰু বিকাশে খাইছে
৬)	গীতা সীতা চ পঠিষ্যতঃ	.....
৭)	.....	তুমি, হৰি আৰু বিনয়ে বিদ্যালয়লৈ গৈছিলা
৮)	ৰমেনঃ অহং চ ক্রীড়াবঃ	.....
৯)	.....	ত্রিনয়ণ বা তুমি ঘৰলৈ যাবা
১০)	বালকঃ বালিকাঃ চ গায়ন্তি	.....

১১.৩.৩ বিশেষ্য (অথবা সর্বনাম) আৰু বিশেষণৰ সংযোগ

১) বিশেষ্য বা সর্বনামৰ যি লিঙ্গ, বিভক্তি আৰু বচন হয়, বিশেষণৰো সেই একেই লিঙ্গ, বিভক্তি আৰু বচন হয়। যেনে—

	পুংলিঙ্গ (প্রথমা বিভক্তি)		স্ত্রীলিঙ্গ (প্রথমা বিভক্তি)		ক্লীৱলিঙ্গ (প্রথমা বিভক্তি)	
	বিশেষ্য	**বিশেষণ**	**বিশেষ্য**	**বিশেষণ**	**বিশেষ্য**	**বিশেষণ**
একবচন	বালকঃ	সুন্দৰঃ	বালিকা	সুন্দৰী	ফলং	সুন্দৰম্
দ্বিবচন	বালকৌ	সুন্দৰৌ	বালিকে	সুন্দৰ্যৌ	ফলে	সুন্দৰে
বহুবচন	বালকাঃ	সুন্দৰাঃ	বালিকাঃ	সুন্দৰ্যঃ	ফলানি	সুন্দৰানি

২) বিশেষণৰূপে ব্যৱহৃত সর্বনামৰো বিশেষ্য অনুসৰিয়েই লিঙ্গ, বচন আৰু বিভক্তি নিৰূপণ কৰা হয়। যেনে— সা বালিকা বুদ্ধিমতী (সেই ছোৱালী জনী বুদ্ধিমতী); মম তানি মিত্রাণি উত্তমানি (মোৰ সেই বন্ধুবোৰ ভাল)।

৩) অব্যয়ৰ বিশেষণ সদায়েই ক্লীৱলিঙ্গৰ একবচনত ব্যৱহৃত হয়। যেনে— ৰমণীয়ম্ ইদং প্রাতঃ (এই ৰাতিপুৱাঁটো অতি সুন্দৰ)। ইয়াত 'প্রাতঃ' শব্দটো অব্যয়।

৪) একেটা বাক্যতে যদি দুই বা ততোধিক বিশেষ্য অথবা সর্বনাম পদ থাকে, আৰু ইহঁতৰ মাজত যদি এটা পুংলিঙ্গ আৰু আনটো স্ত্রীলিঙ্গ হয়; তেনেহ'লে সিহঁতৰ সাধাৰণ বিশেষণ পদটি পুংলিঙ্গ হয় আৰু বিশেষ্যৰ সংখ্যা অনুসৰি বিশেষণ পদৰ বচন নির্দিষ্ট কৰা হয়। যেনে— বৃক্ষঃ লতা চ সুন্দৰৌ (গছ আৰু লতাজোপা অতি সুন্দৰ)। ইয়াত পুংলিঙ্গ 'সুন্দৰঃ' শব্দ দ্বিবচনত প্রযুক্ত হৈছে।

৫) যদি একেটা বাক্যতে বিশেষ্য (বা সর্বনাম) পদসমূহৰ মাজত এটা ক্লীৱলিঙ্গৰ পদ থাকে, তেনেহ'লে সিহঁতৰ সাধাৰণ বিশেষণ পদটো ক্লীৱলিঙ্গত হয়। পদটোৰ বচন বিশেষ্যৰ সংখ্যা অনুসৰি নির্দিষ্ট হয় অথবা ক্লীৱলিঙ্গৰ একবচনত নিৰূপিত হয়। যেনে— সঃ বালকঃ সা বালিকা তৎ পুষ্পং চ সুন্দৰাণি (সুন্দৰং বা) (সেই ল'ৰাটো, সেই ছোৱালীজনী আৰু সেই ফুলটো বৰ ধুনীয়া)।

১১.৩.৪ লকাৰৰ প্রয়োগ

সংস্কৃতত ক্রিয়াৰ কাল তথা অবস্থা বুজাবলৈ যি দহটা লকাৰ প্রযুক্ত হয় তাৰ ভিতৰত সাধাৰণতে লট্, লোট্, লঙ্, বিধিলিঙ্ আৰু লৃট্ —এই পাঁচ প্রকাৰৰ লকাৰ বহুল ভাৱে ব্যৱহাৰ হয়।

ক) লট্ লকাৰৰ ব্যৱহাৰ ঃ

১) লট্ লকাৰ বর্ত্তমান কাল বুজাবলৈ ব্যৱহৃত হয়। লকাৰৰ বিভক্তি সমূহ কর্ত্তাৰ পুৰুষ, বচন অনুসৰি ধাতুৰ পিছত প্রযুক্ত হয়। যেনে— বালকঃ পুস্তকং পঠতি (ল'ৰাজনে কিতাপ পঢ়িছে), বালকাঃ ক্ষেত্রে ক্রীড়ন্তি (ল'ৰাবোৰে খেলপথাৰত খেলি আছে)। এইবাক্য দুটাৰ প্রথমটোত কর্ত্তা আৰু ক্রিয়াপদ দুয়োটাই একবচনত প্রয়োগ হৈছে আৰু দ্বিতীয় বাক্যটোৰ দুয়োটাতে বহুবচনৰ প্রয়োগ হৈছে।

২) চিৰন্তন সত্য, স্বভাৱ, অভ্যাস আদি বুজাবলৈও লট্ লকাৰৰ প্রয়োগ কৰা হয়। যেনে— সূর্য্যঃ পূর্বস্যাং দিশি উদেতি (সূর্য্য পূৱফালে উদয় হয়); বাল্যকালাৎ প্রভৃতি সঃ প্রাতভ্রমনং কৰোতি (শিশুকালৰে পৰাই তেওঁ প্রাতঃ ভ্রমণ কৰে)।

৩) কোনো ঐতিহাসিক ঘটনা বুজাবলৈ অতীত কালৰ অর্থত লট্ লকাৰ হয়। যেনে— অস্তি মহিলাৰোপ্যনগৰে অমৰশক্তিঃ নাম ৰাজা (মহিলাৰোপ্য নামৰ নগৰত অমৰশক্তি নামৰ এজন ৰজা আছিল)। 'অস্তি' ক্রিয়াপদটো বর্তমান কালত প্রয়োগ হৈছে। 'মহিলাৰোপ্যনগৰে' শব্দটো সপ্তমী বিভক্তিত হৈছে।

৪) 'স্ম' শব্দটো লট্ লকাৰৰ ক্রিয়াৰ পিছত প্রয়োগ কৰি বর্ত্তমানকালৰ বাক্যক অতীত কাললৈ লৈ যোৱা হয়। যেনে— ৰামঃ ৰাৱণং হন্তি স্ম (ৰামে ৰাৱণক বধ কৰিছিল)। ইয়াত 'ৰাৱণ' শব্দটো দ্বিতীয়া বিভক্তিত প্রযুক্তহৈছে।

খ) লোট্ আৰু বিধিলিঙ্ লকাৰৰ ব্যৱহাৰ ঃ

১) আশীর্বাদ, অনুৰোধ, আদেশ, আজ্ঞা আদি অর্থত লোট্ লকাৰ প্রয়োগ কৰা হয়। যেনে— তৱ কুশলং ভৱতু (তোমাৰ কুশল হওঁক)। ত্বং শীঘ্রং গচ্ছ (তুমি শীঘ্রেই যোৱা)।

২) ইচ্ছা অর্থবোধক ধাতু অথবা উচিত অর্থত বিধিলিঙ্ লকাৰৰ প্রয়োগ হয়। যেনে— ইচ্ছামি অহং ভৱান্ খাদেৎ (মই ইচ্ছা কৰিছোঁ আপুনি খাওক); ৰামঃ বিদ্যালয়ং গচ্ছেৎ (ৰামে বিদ্যালয়লৈ যোৱা উচিত)।

গ) **লঙ্ লকাৰৰ প্ৰয়োগ ঃ** অতীত কাল বুজাবলৈ লঙ্ লকাৰৰ প্ৰয়োগ কৰা হয়। যেনে— ৰামঃ হ্যঃ বিদ্যালয়ং অগচ্ছৎ (ৰামে যোৱাকালি বিদ্যালয়লৈ গৈছিল)। অহম্ আপনম্ অগচ্ছম্ (মই দোকানলৈ গৈছিলো)।

ঘ) **লৃট্ বিভক্তিৰ প্ৰয়োগ ঃ** ভৱিষ্যৎ কাল বুজাবলৈ ধাতুৰ পিছত লৃট্ লকাৰ প্ৰয়োগ কৰা হয়। যেনে— ৰামঃ শ্বঃ বিদ্যালয়ং গমিষ্যতি (ৰামে অহাকালি বিদ্যালয়লৈ যাব)। অহং মহাভাৰতং পঠিষ্যামি (মই মহাভাৰত পঢ়িম)।



অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ তলত দিয়া বাক্যবোৰ উদাহৰণত দেখুওৱাৰ দৰে পৰিৱৰ্তন কৰক—

সংস্কৃত	অসমীয়া
উদাহৰণ— অহম্ অন্নং খাদামি	মই ভাত খাইছোঁ
১১)	তেওঁ সদায়ে ৰাতিপুৱা ভ্ৰমণ কৰে
১২) বয়ং হ্যঃ বিদ্যালয়ম্ অগচ্ছাম	.....
১৩)	প্ৰিয়ংকাই অহাকালি গুৱাহাটীলৈ যাব
১৪) গুৰুঃ বদতি- সত্যং বদেৎ	.....
১৫)	তুমি কামটো কৰা

১১.৪ অনুবাদ সম্বন্ধে আৰু কিছুমান জানিবলগীয়া কথা

১) জীৱন (প্ৰাণ) শব্দ ক্লীৱলিঙ্গ। যেনে— বৃক্ষানাম্ অপি জীৱনম্ অস্তি (বৃক্ষসমূহৰো প্ৰাণ আছে)। প্ৰাণ, অসু (প্ৰাণ) আদি শব্দ পুংলিঙ্গ আৰু এইবোৰ সদায় বহুবচনত প্ৰয়োগ হয়। যেনে— মৃতস্য প্ৰাণাঃ ন বৰ্ত্তন্তে (মৃত ব্যক্তিৰ প্ৰাণ নাথাকে)।

২) 'মিত্ৰ' শব্দ 'বন্ধু' অৰ্থত ক্লীৱলিঙ্গ আৰু 'সূৰ্য্য' অৰ্থত পুংলিঙ্গ হয়। যেনে— হৰিঃ মম মিত্ৰম্ (হৰি মোৰ বন্ধু)। একক্ৰিয়ং ভৱেৎ মিত্ৰম্ (একেই কামকৰা ব্যক্তিক মিত্ৰ বুলি কোৱা হয়)। মিত্ৰঃ প্ৰাতঃ কালে আকাশে উদেতি (সূৰ্য্য ৰাতিপুৱা আকাশত উদয় হয়)।

৩) অপত্য (সন্তান) শব্দ ক্লীৱলিঙ্গ। যেনে— তস্য অনেকানি অপত্যানি সন্তি (তেওঁৰ বহুত সন্তান আছে)।

৪) কিতাপ বুজাবলৈ ব্যৱহাৰ কৰা 'গ্ৰন্থ' শব্দ পুংলিঙ্গ তথা 'পুস্তক' শব্দ ক্লীৱলিঙ্গ। যেনে— ছাত্ৰাঃ গ্ৰন্থান্ পঠন্তি (ছাত্ৰসকলে গ্ৰন্থবোৰ পঢ়িছে); তস্য গৃহে পুস্তকানি নাস্তি (তেওঁৰ ঘৰত কিতাপবোৰ নাই)।

৫) ধন-সম্পত্তি বুজাবলৈ ব্যৱহাৰ কৰা 'অৰ্থ' (wealth) শব্দ পুংলিঙ্গ আৰু 'ধন' শব্দ ক্লীৱলিঙ্গ। যেনে— ৰামস্য প্ৰভূতঃ অৰ্থঃ অস্তি (ৰামৰ প্ৰচুৰ পৰিমাণে ধন আছে); দৰিদ্ৰস্য

ধনং নাস্তি (দৰিদ্ৰৰ ওচৰত ধন নাই)। 'অর্থ' শব্দটো অভিধেয় (meaning) আৰু উদ্দেশ্য (motive) অর্থতো পুংলিঙ্গ হিচাপে ব্যৱহাৰ কৰা হয়। যেনে— অস্য শব্দস্য কোঽপি অর্থঃ নাস্তি (এই শব্দটোৰ কোনো অর্থ নাই); চৌৰঃ ধনস্য অর্থে গৃহং প্ৰৱিশতি (চোৰজনে ধনৰ কাৰণে গৃহত প্ৰৱেশ কৰিছে)।

৬) 'পানী' বুজোৱা 'অপ্' শব্দ নিত্যবহুবচনান্ত স্ত্ৰীলিঙ্গ, কিন্তু 'জল' শব্দ ক্লীৱলিঙ্গ।

৭) 'মেঘ' বুজোৱা, মেঘ, পয়োদ, জীমূত শব্দ পুংলিঙ্গ, কিন্তু 'অভ্ৰ' শব্দ ক্লীৱলিঙ্গ।

৮) দেৱতা (God) বুজোৱা 'দেৱ' শব্দ পুংলিঙ্গ, কিন্তু 'দেৱতা' শব্দ স্ত্ৰীলিঙ্গ আৰু 'দৈৱত' শব্দ ক্লীৱলিঙ্গ।

